www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

জীৱনত কোনো সুযোগ, সুবিধা নাপালোঁ বুলি কোনো মহত লোকে আপত্তি কৰাৰ উদাহৰণ নাই। — আৰ. ডব্লিউ. এমাৰছন

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰচত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

ষষ্ঠ বছৰ ❑ সংখ্যা - ২১৭ ❑ শুকুৰবাৰ ❑ ২৪ অক্টোবৰ, ২০২৫ চন ❑ ৬ কাতি, ১৯৪৭ শক ❑ VOL - 6 ❑ NO.- 217 ❑ Friday ❑ 24th October, 2025 ❑ মূল্য ঃ ১০.০০ টকা ❑ মুঠ পৃষ্ঠা ঃ ৮

### দুই-এজনে এছআইটিক অসুবিধা দিয়াৰ বাবে চেষ্টা কৰি আছে

# জুবিন গাৰ্গক ন্যায় দিয়াত কোনো ক্ষেত্ৰতে আপোচ নকৰোঁঃ মুখ্যমন্ত্ৰী



ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৩ অক্টোবৰ ঃ বৃহস্পতিবাৰে কেবিনেট বৈঠকৰ পাছতে দিছপুৰৰ লোকসেৱা ভৱনত সংবাদমেল সম্বোধন কৰে মুখ্যমন্ত্ৰীয়ে। জুবিন গাৰ্গৰ ন্যায় আৰু এছ আই টিৰ তদন্তৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয়, "এছ আই টিয়ে অভিযোগনামা ▸▸ ৬ পৃষ্ঠাত

### জুবিন গাৰ্গ হত্যাৰ ন্যায়ৰ দাবীত কৃষক মুক্তিৰ ধৰ্মঘট

অসম বাৰ্তা, গুৱাহাটী, ২৩ অক্টোবৰ ঃ জুবিন গাৰ্গ হত্যা গোচৰৰ ন্যায় বিচাৰৰ দাবীত ঢকুৱাখনাত ▸▸ ৬ পৃষ্ঠাত

### জুবিনক নাস্তিক সজোৱাৰ চক্ৰান্ত চলিছেঃ মুখ্যমন্ত্ৰী

# জুবিন গাৰ্গ এজন প্ৰকৃত শিৱভক্ত, তেওঁৰ শৰীৰত মহাদেৱৰ টেটু অংকিত আছে




ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৩ অক্টোবৰ ঃ বঙাইগাঁৱত বৃহস্পতিবাৰে এক অনুষ্ঠানত উপস্থিত হৈ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জনপ্ৰিয় সংগীতশিল্পী জুবিন গাৰ্গক লৈ গুৰুত্বপূৰ্ণ মন্তব্য প্ৰকাশ কৰিছে। তেওঁ অভিযোগ উত্থাপন কৰে যে, জুবিন গাৰ্গৰ শিৱভক্তিৰ পৰিচয় থকা সত্ত্বেও একাংশ বাঁওপন্থী গোটে তেওঁক নাস্তিক হিচাপে প্ৰতিষ্ঠা কৰাৰ চেষ্টা ▸▸ ৬ পৃষ্ঠাত

### তিৱাৰী আয়োগৰ প্ৰতিবেদন দাখিল কৰাৰ বাবে কেবিনেটৰ অনুমোদন

# বিধানসভাত দাখিল হ'ব নেলী কাণ্ডৰ প্ৰতিবেদন

অসম বাৰ্তা, গুৱাহাটী, ২৩ অক্টোবৰ ঃ স্বাধীনতা-উত্তৰ ভাৰতৰ ১৯৮৩ চনত সংঘটিত অসমৰ নেলীত সংঘটিত ভয়ানক গণ নৰসংহাৰৰ তদন্ত কমিটি "তিৱাৰী আয়োগ"ৰ প্ৰতিবেদন বিধান সভাৰ মজিয়াত আনুষ্ঠানিকভাৱে দাখিল কৰিব অসম চৰকাৰে। অসম বিধানসভাৰ আগন্তুক অধিৱেশনত নেলী হত্যাকাণ্ডৰ সন্দৰ্ভত তিৱাৰী আয়োগৰ প্ৰতিবেদন ▸▸ ৬ পৃষ্ঠাত



### দীপাৱলীৰ সময়ত মধ্যপ্ৰদেশত মৰ্মান্তিক ঘটনা

# কাৰ্বাইড বন্দুকৰ বিস্ফোৰণত দৃষ্টিশক্তি হেৰুৱালে ১৪টি শিশুৱে



### সংকটজনক অৱস্থাত চিকিৎসাধীন বহু

অনলাইন ডেস্ক, অসম বাৰ্তা, ২৩ অক্টোবৰ ঃ পোহৰৰ উৎসৱ দীপাৱলীৰ সময়ত মধ্যপ্ৰদেশত সংঘটিত এক মৰ্মান্তিক ঘটনাত কাৰ্বাইড বন্দুকৰ বিস্ফোৰণৰ ফলত ১৪জন শিশুৱে দৃষ্টিশক্তি হেৰুৱাইছে। এই দুৰ্ঘটনাত বহু লোক আহত হৈছে, আৰু তাৰে কেইবাজন সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে। ঘৰতে নিৰ্মিত এই শব্দ উৎপাদী কাৰ্বাইড বন্দুকৰ ▸▸ ৬ পৃষ্ঠাত



### চৰকাৰ গঠন হ'লে উপ-মুখ্যমন্ত্ৰী হ'ব মুকেশ চাহানি

# বিহাৰত তেজস্বী যাদৱ হ'ব ইণ্ডিয়া মিত্ৰজোঁটৰ মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী

❑ ২০ মাহত ২০ বছৰৰ কাম কৰাৰ প্ৰতিশ্ৰুতি তেজস্বীৰ ❑

নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৩ অক্টোবৰ ঃ বিহাৰ বিধানসভা নিৰ্বাচনৰ প্ৰাকক্ষণত বিৰোধী মিত্ৰজোঁট 'গ্ৰেণ্ড এলায়েন্স' আৰজেডি নেতা তেজস্বী যাদৱক মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছে। বৃহস্পতিবাৰে পাটনাত অনুষ্ঠিত এক যৌথ সংবাদমেলত এই ঘোষণা কৰা হয়। ইয়াৰ সমান্তৰালভাৱে বিকাশশীল ▸▸ ৬ পৃষ্ঠাত

### জুবিন গাৰ্গ এটা আগ্নেয়গিৰি, তেওঁৰ নামত যিয়ে ৰাজনীতি চলাব চাৰখাৰ হৈ যাব

# জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়ৰ দাবীত আছুৰ বজ্ৰগৰ্জন




ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৩ অক্টোবৰ ঃ অসমবাসীৰ হৃদয়ত গভীৰ স্থান অধিকাৰ কৰা বিশিষ্ট সংগীতশিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ পৰিপ্ৰেক্ষিতত আজিও ৰাজ্যজুৰি উত্তাল প্ৰতিবাদ চলি আছে। এই আন্দোলনৰ আগভাগ লৈছে সদৌ অসম ছাত্ৰ সন্থাই (আছু)। সংগঠনটোৱে আজিৰ দিনটো ৰাজহুৱা প্ৰতিবাদ, শোক- ▸▸ ৬ পৃষ্ঠাত

### পৰেশ অসমে পঠালে শোক বাৰ্তা

# আইৱান অসমক 'অমৰ মৃতক' ঘোষণা আলফা(স্বাঃ)ৰ

অসম বাৰ্তা বিশেষ, পেঙেৰী, ২৩ অক্টোবৰ ঃ যোৱা ২১ অক্টোবৰৰ নিশা চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ নামচাইত আছাম ৰাইফলছ আৰু আলফা স্বাধীনৰ ▸▸ ৬ পৃষ্ঠাত

### বিভিন্ন ষ্টেচনত আৱদ্ধ কেইবাখনো ৰে'ল, তদন্তৰ বাবে বিশেষ দল গঠন

# কোকৰাঝাৰ-ছালাকাটি ৰে'লপথত আইইডি বিস্ফোৰণ



নিউজ ডেস্ক, অসম বাৰ্তা, ২৩ অক্টোবৰ ঃ কোকৰাঝাৰ আৰু ছালাকাটি ৰে'ল ষ্টেচনৰ মাজৰ ৰে'লপথত মাজনিশা সংঘটিত হৈছে এক ভয়াৱহ ঘটনা। কোকৰাঝাৰ ৰে'ল ষ্টেচনৰ পৰা প্ৰায় ৫ কিলোমিটাৰ পূব দিশত এটা শক্তিশালী আইইডি ▸▸ ৬ পৃষ্ঠাত




# এডিলেইডত দ্বিতীয়খন এদিনীয়াটো ভাৰতৰ পৰাজয়

শূন্যতে উভতিল কোহলি, ৰোহিতৰ প্ৰত্যাৱৰ্তনত অৰ্ধশতক

ক্ৰীড়া ডেস্ক, অসম বাৰ্তা, ২৩ অক্টোবৰ ঃ অষ্ট্ৰেলিয়াৰ এডিলেইডত বৃহস্পতিবাৰে অনুষ্ঠিত দ্বিতীয় এদিনীয়া ক্ৰিকেট মেচত ঘৰুৱা দল অষ্ট্ৰেলিয়াৰ হাতত ২ উইকেটৰ ব্যৱধানত পৰাস্ত ▸▸ ৬ পৃষ্ঠাত

# জনসাধাৰণৰ আৱেগক ৰাজনৈতিক স্বাৰ্থত ব্যৱহাৰ কৰিছে বিজেপিয়েঃ কংগ্ৰেছ

ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৩ অক্টোবৰ ঃ জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ন্যায়ৰ দাবীত ▸▸ ৬ পৃষ্ঠাত




### ৰহস্যজনক মৃত্যুৰ সৈতে জড়িত প্ৰকৃত দোষীক কঠোৰ শাস্তি প্ৰদানৰ দাবী মন্ত্ৰী পীযূষ হাজৰিকাৰ

# জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়ৰ দাবীত মঙলদৈৰ ৰাজপথত বিজেপিৰ বিশাল পদযাত্ৰা



❑ জুবিন গাৰ্গক লৈ বিৰোধী দলক ৰাজনীতি নকৰিবলৈ সকীয়নি ৰাজ্যিক বিজেপি সভাপতি দিলীপ শইকীয়াৰ ❑

ষ্টাফ ৰিপ'ৰ্টাৰ, মঙলদৈ, ২৩ অক্টোবৰ ঃ ভাৰতীয় জনতা পাৰ্টীৰ (বিজেপি) দৰং জিলা সমিতিৰ উদ্যোগত মঙলদৈত জনপ্ৰিয় সংগীতশিল্পী জুবিন গাৰ্গৰ বাবে ন্যায়ৰ দাবীত এক বিশাল পদযাত্ৰা আয়োজন কৰা হয়। এই পদযাত্ৰা মঙলদৈ চহৰৰ ▸▸ ৬ পৃষ্ঠাত

### গৰু চুৰিৰ ঘটনাৰ প্ৰতিবাদৰ মাজতেই পাৰ হৈছিল কনভয়

# মায়ঙত উত্তেজিত ৰাইজৰ বাধা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ কনভয়ক



### পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে প্ৰশাসনৰ হস্তক্ষেপ

ষ্টাফ ৰিপ'ৰ্টাৰ, মায়ঙ, ২৩ অক্টোবৰ ঃ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ কনভয় মায়ঙৰ থানাৰ সন্মুখত উত্তেজিত জনতাৰ বাধাৰ সন্মুখীন হৈছে। এই ঘটনা স্থানীয় ৰাইজৰ তীব্ৰ প্ৰতিবাদৰ পৰিপ্ৰেক্ষিতত সংঘটিত হৈছে, য'ত তেওঁলোকে নিশা মায়ঙৰ পৰা তিনিটা গৰু চুৰিৰ ঘটনাৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰিছিল। ঘটনাৰ বিশদ বিৱৰণ অনুসৰি, মায়ঙৰ থানাৰ সন্মুখত স্থানীয় লোকে গৰু চুৰিৰ ঘটনাৰ প্ৰতিবাদত একত্ৰিত হৈ প্ৰতিবাদ কাৰ্যসূচী ▸▸ ৬ পৃষ্ঠাত

# কাৰ্বি আংলঙত বিদ্যুৎস্পৃষ্ট হৈ দুটা বনৰীয়া হাতীৰ মৃত্যু

### মানৱ-হাতী সংঘাতৰ উদ্বেগ



নিউজ ডেস্ক, অসম বাৰ্তা, ২৩ অক্টোবৰ ঃ কাৰ্বি আংলং জিলাৰ হোজাই-পশ্চিম কাৰ্বি আংলং সীমান্তৰ খাৰিখানা বিল গাঁৱত বিদ্যুৎস্পৃষ্ট হৈ দুটা মাইকী বনৰীয়া হাতীৰ মৃত্যু হৈছে। ▸▸ ৬ পৃষ্ঠাত

# যোৰহাট জিলা মইনা পাৰিজাতৰ বাছনি প্ৰতিযোগিতাৰ প্ৰস্তুতি সভা সম্পন্ন

**অসম বাৰ্তা, নকছাৰি, ২১ অক্টোবৰ ঃ** পূৱ যোৰহাট আঞ্চলিক মইনা পাৰিজাত সমিতি আৰু যোৰহাট জিলা মইনা পাৰিজাত সমিতিৰ বিষয়-ববীয়া সকলৰ এখন বিশেষ যুটীয়া সভা ১৯ অক্টোবৰ তাৰিখে পূৱ যোৰহাট আঞ্চলিক মইনা পাৰিজাতৰ চুণ্ডী লাহিংস্থিত সমিতিৰ কাৰ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। পূৱ যোৰহাট আঞ্চলিক মইনা পাৰিজাতৰ সভাপতি থানেশ্বৰ বৰুৱা সভাপতিত্বত অনুষ্ঠিত হোৱা বৈঠকৰ বিষয় বস্তু আলোকপাত কৰে পূৱ যোৰহাট আঞ্চলিক মইনা সম্পাদক দুলাল চন্দ্ৰ চুতীয়াই। সভাত সদৌ অসম মইনা পাৰিজাতৰ মহাৰজত জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানত যোৰহাট জিলাৰ পৰা প্ৰতিযোগিতা অংশ গ্ৰহণ কৰিবলগীয়া মইনা আৰু চেমনীয়া সকলক প্ৰতিযোগিতা জৰিয়তে নিৰ্বাচিত কৰিবলৈ ৯ নৱেম্বৰত চুণ্ডী লাহিংত পূৱ যোৰহাট আঞ্চলিক মইনা পাৰিজাতৰ আতিথ্যত আয়োজন কৰা সমবেত সংগীত, প্ৰশ্নোত্তৰ, তৰ্ক, আকস্মিক, চিত্ৰাংকণ, কবিতা আবৃতি প্ৰতিযোগিতা, শোভাযাত্ৰা আৰু সাংস্কৃতি অনুষ্ঠানৰ প্ৰস্তুতি বিষয়ে আলোচনা কৰা হয়। সভাত যোৰহাট জিলা মইনা পাৰিজাতৰ উপ সভাপতি অনন্ত দাস সাধাৰণ সম্পাদক নিপু হাজৰিকা সহ সম্পাদক দীপাঙ্কৰ মহন্তই আলোচনাত অংশ গ্ৰহণ কৰি বিষয় বস্তুৰ ওপৰত আলোকপাত কৰে। সভাত আঞ্চলিক মইনা পাৰিজাতৰ বিষয়ববীয়া সকল জিলাৰ উপ সভাপতি ঘন লাহন সহ সম্পাদক লোকেন গগৈ গণেশ বৰা সাংগঠনিক সম্পাদক অঞ্জন কুমাৰ বৰদলৈ মইনা পাৰিজাতৰ আজীৱন সদস্য প্ৰৱীন চুতীয়া প্ৰাক্তন সভাপতি বদন বৰুৱা প্ৰাক্তন ছাত্ৰ নেতা মাণিক চুতীয়া আঞ্চলিকৰ প্ৰাক্তন সম্পাদক তুলতুল শইকীয়া সহ মইনা পাৰিজাতৰ অন্যান্য কাৰ্যকতা সকল উপস্থিত থাকে।

# সদৌ অসম ভিত্তিত একাংক নাট প্ৰতিযোগিতাত দেৰগাঁও অজিত শৰ্মা নাট্য বিদ্যালয়ৰ সফলতা

**অসম বাৰ্তা, দেৰগাঁও, ২১ অক্টোবৰ ঃ** সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থা তথা টীয়কবাসীৰ সহযোগত আৰু টীয়ক ই-মিডিয়া ফ'ৰামৰ উদ্যোগত টীয়ক গ্ৰন্থমেলা আৰু সাহিত্য সমাৰোহ ২০২৫ৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা একাংক নাট প্ৰতিযোগিতাত দেৰগাঁও অজিত শৰ্মা নাট্য বিদ্যালয়ে তিনিটা স্থানত পুৰস্কাৰ পাবলৈ সক্ষম হয়। সৰ্বমুঠ ১১টা নাট্য দলৰ ভিতৰত অজিত শৰ্মা নাট্য বিদ্যালয়ে লক্ষ্মীনাথ বেজবৰুৱাৰ সাধু কথাৰ আধাৰত বিশিষ্ট নাট্যকাৰ দেৱব্ৰত মহন্তৰ নাট্য ৰূপেৰে, নাট্যকৰ্মী দ্বীপন বৰঠাকুৰৰ পৰিচালনাত "লটকন" নাটকখন মঞ্চস্থ কৰি শ্ৰেষ্ঠ আৱহ সংগীত: শান্তি মিলন লোকবাদ্য দল। সংগীতত সংগত কৰা শিল্পী সকল ক্ৰমে: অৰিয়ন কুমাৰ বৰঠাকুৰ, হিমাংশু দত্ত, বৰ্ণিল কাশ্যপ মিত্ত দত্ত, তন্ময় হাজৰিকা, অয়ন নীল বৰুৱা আনহাতে শ্ৰেষ্ঠ শিশু অভিনেত্ৰী, চৰিত্ৰ: লচপচী: পৰিধি প্ৰিয়ম বৰা আৰু বিচাৰকৰ বিশেষ বঁটা, চৰিত্ৰঃ ভাটুকী- সুকৃতি হাজৰিকাই পাবলৈ সক্ষম হয়। নাটক খনত অভিনয় কৰা শিল্পী সকল ক্ৰমে চৰিত্ৰ হাতীপতি- ৰাহুল হাজৰিকা, বোচাৰাম- হেমন্ত বৰা, লটকন- অনাদি কুমাৰ বৰঠাকুৰ, ভাটুকী- সুকৃতী হাজৰিকা, কণ্টকৰাম- ধিৰাজ প্ৰতিম বৰা, জেতুকী- অংকিতা হাজৰিকা, লচপচী- পৰিধি প্ৰিয়ম বৰাই অভিনয় কৰে।

# বকো ক্ৰীড়া সন্থাৰ বাৰ্ষিক ফুটবল প্ৰতিযোগিতা শুভাৰম্ভ

**অসম বাৰ্তা, বকো, ২৩ অক্টোবৰ ঃ** কামৰূপ জিলাৰ বকো ক্ৰীড়া সন্থাৰ উদ্যোগত চলোৱা বাৰ্ষিক ফুটবল প্ৰতিযোগিতাখন আজি আনুস্থানিক ভাৱে শুভাৰম্ভ কৰে। বিগত বছৰবোৰৰ দৰে এই বৰ্ষও আজিৰ পৰা শুভাৰম্ভ হৈছে প্ৰতিযোগিতাৰ খেল। বকো ক্ৰীড়া সন্থাৰ সভাপতি অৰ্জুন চেত্ৰী আৰু সম্পাদক সুমিত ৰাভাই জনোৱা অনুসৰি বকো ক্ৰীড়া সন্থাৰ উদ্যোগত এই বেলি ২৬ সংখ্যক বৰ্ষৰ খেলখন আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ কাৰ্য্যবাহী সদস্য নগৰমল স্বৰ্গীয়াৰীয়ে। প্ৰতিযোগিতাৰ খেল শুভাৰম্ভ হোৱাৰ প্ৰাক ক্ষণত সভাপতি অৰ্জুন চেত্ৰীৰ জৰিয়তে পতাকা উত্তোলন আৰু অসমৰ হামিং সম্ৰাট প্ৰয়াত জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান ৰূপায়ণ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক ৰমেশ চন্দ্ৰ ডেকাই। আজিৰ খেলত প্ৰতিদ্বন্দ্বিতা আগবঢ়াই বনগাঁও ফুটবল দ'ল বনাম কামৰূপা এফ চি ফুটবল দলে। আজিৰ খেলত কামৰূপা এফ চি বন্দাপাৰাই বনগাঁও ফুটবল দলক ২ - ১ গলত পৰাস্ত কৰে।

# অহা ২৫ আৰু ২৬ অক্টোবৰত পি এম শ্ৰী আগডলা চাৰিআলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হীৰক জয়ন্তী উৎসবৰ সামৰণি অনুষ্ঠান

**অসম বাৰ্তা, কমলপুৰ, ২৩ অক্টোবৰ ঃ** বাইহাটা চাৰিআলিৰ অগ্ৰণী শিক্ষানুষ্ঠান পি এম শ্ৰী আগডলা চাৰিআলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হীৰক জয়ন্তী বৰ্ষ সামৰণি পৰ্বৰ মনোৰম মুহূৰ্তবোৰ উদযাপনৰ দুৰ্বাৰ হেঁপাহৰ বাস্তৱ ৰূপ দিয়াৰ মানসৰে অহা ২৫ আৰু ২৬ অক্টোবৰত(শনি আৰু দেওবাৰ) দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বিদ্যালয় প্ৰাঙ্গন আৰু ৰমনী মোহন ডেকা ক্ষেত্ৰত অনুষ্ঠিত হব। তদুপলক্ষে কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাক মুখ্য সভাপতি, মদন চন্দ্ৰ ডেকাক সভাপতি, বিদ্যালয় খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ বীণাপাণি বৰ্মণক সম্পাদিকা হিচাপে লৈ হীৰক জয়ন্তী উদযাপন সমিতি গঠন কৰা হৈছে। হীৰক জয়ন্তী উদযাপন সমিতিৰ প্ৰচাৰ উপ সমিতিৰ সভাপতি আইনুল হক চৌধুৰী আৰু সম্পাদিকা ড° মণি চৌধুৰীয়ে জানিবলৈ দিয়া মতে হীৰক জয়ন্তী সামৰণি অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি ২৫ অক্টোবৰৰ পুৱা ভূমি দাতা অৱসৰী শিক্ষক লক্ষ্মীৰাম ডেকাই বন্তি প্ৰজ্বলন আৰু মঙ্গালাচৰণম কাৰ্যসূচী ৰূপায়ণৰ পিছত পতাকা উত্তোলন কৰিব উদযাপন সমিতিৰ মুখ্য সভাপতিয়ে আৰু অন্যান্য ৫৯খন উত্তোলন কৰিব ক্ৰমে উদ্‌যাপন সমিতিৰ সভাপতি, উপ-সভাপতিত্ৰয় হলাপ চন্দ্ৰ ডেকা, হৰিণ চন্দ্ৰ ডেকা, উৎপল কলিতাৰ লগতে বিদ্যালয় খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ, অঞ্চলটোৰ নিৰ্বাচিত বিশিষ্ট ব্যক্তি, হীৰক জয়ন্তী উদযাপন সমিতিৰ উপ সমিতি সমূহৰ সভাপতিসকল আৰু বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক সকলে। পিছৰ কাৰ্যসূচী অনুসৰি স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰিব অৱসৰপ্ৰাপ্ত শিক্ষক ভবেশ চন্দ্ৰ ডেকাই। গছপুলি ৰোপণ কৰিব পূব কামৰূপ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ফুলেশ্বৰ ধিঙে। প্ৰদৰ্শনীৰ দ্বাৰ উদঘাটন কৰিব পূব কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন কুমাৰ শৰ্মাই। সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব ৰঙিয়া শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পাৰ্থ ফুকন মহন্তই। ৰমনী মোহন ক্ষেত্ৰত অনুষ্ঠিত হবলগীয়া প্ৰাক্তন ছাত্ৰ ছাত্ৰী সমোৰোহ সঞ্চালনা কৰিব বিদ্যালয় খনৰ প্ৰাক্তন ছাত্ৰ তথা অৱসৰী অধ্যাপক ড° শৰৎ চন্দ্ৰ ডেকাই, উদ্বোধন কৰিব বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ তথা তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° মুকেশ শইকীয়াই, এই অনুষ্ঠানটোৰ আঁত ধৰিব ক্ৰমে বিদ্যালয়খনৰ অৱসৰী প্ৰধান তথা প্ৰাক্তন ছাত্ৰ কৃষ্ণকান্ত কলিতা, প্ৰাক্তন ছাত্ৰ ভূধৰ ডেকা, প্ৰাক্তন ছাত্ৰ অংকুৰ দাস, প্ৰাক্তন ছাত্ৰ জয়ন্ত কুমাৰ ডেকাই। পিছত সন্ধিয়া বন্তি প্ৰজ্বলন সম্পন্ন কৰিব অঞ্চলটোৰ বিশিষ্ট ব্যক্তি সমন্বিতে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী সকলে। পিছত গুৱাহাটীৰ নেমকেয়াৰ হস্পিতালৰ পৰিচালন সঞ্চালক ডাঃ হিতেশ বৰুৱাই উদ্বোধন কৰিবলগীয়া সাংস্কৃতিক সমাৰোহত কমলিকা কাশ্যপৰ গীতৰ শৰাইৰ লগতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে বাৰেৰহনীয়া অনুষ্ঠান পৰিবেশন কৰিব। এই সাংস্কৃতিক অনুষ্ঠানৰ সামৰণিৰে হীৰক জয়ন্তীৰ প্ৰথম দিনৰ সামৰণি অনুষ্ঠানৰ অন্ত কৰিব। ২৬ অক্টোবৰ দ্বিতীয় দিনৰ কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত গ্ৰন্থ উন্মোচনী সভা, ৰাজহুৱা সম্বৰ্ধনা, হীৰক জয়ন্তী উপলক্ষে অনুষ্ঠিত হোৱা বিভিন্ন প্ৰতিযোগিতাৰ বঁটা প্ৰদান অনুষ্ঠান। হীৰক জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি মদন চন্দ্ৰ ডেকাৰ সভাপতিত্বৰে অনুষ্ঠিত হবলগীয়া সভাত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব এমট্ৰনৰ পৰামৰ্শ দাতা দিনমণি ভাণ্ডাৰ কায়স্থই, গ্ৰন্থ উন্মোচন কৰিব অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই। বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব ক্ৰমে মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী, ৰঙিয়া বিধান সভা সমষ্টিৰ বিধায়ক ভবেশ কলিতা, অসম মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ সঞ্চালিকা মমতা হোজাই, কামৰূপ জিলা পৰিমণ্ডলৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক তপন কুমাৰ কলিতাই। পিছত বিয়লি ভাগত উক্ত হীৰক জয়ন্তী"উদযাপন সমিতিৰ মুখ্য সভাপতি বিধায়ক দিগন্ত কলিতাৰ সভাপতিত্বৰে অনুষ্ঠিত হ'বলগীয়া মুকলি সভা উদ্বোধন কৰিব কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই, মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰিব অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাই। বিশিষ্ট অতিথি হিচাপে অংশ গ্ৰহণ কৰিব ক্ৰমে অসমৰ শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, নসত্ৰৰ কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° মোহন চন্দ্ৰ কলিতা, নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হিতেশ ডেকা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিভাগৰ অধ্যাপক, ড° অখিল ৰঞ্জন দত্তই। তাৰ পিছত সন্ধিয়া বিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী, শুভকাংক্ষী সকলে বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণৰ পিছত বিশিষ্ট সংগীত শিল্পী প্ৰাণদীপৰ লগতে অঞ্চলটোৰ প্ৰতিষিত শিল্পী, প্ৰাক্তন ছাত্ৰ ছাত্ৰী, শিক্ষক শিক্ষকয়িত্ৰী আদিৰে অনুষ্ঠিত হ্বলগীয়া সাংস্কৃতিক অনুষ্ঠান মুকলি কৰি লুইত একাডেমীৰ পৰিচালন সঞ্চালক মনোৰঞ্জন ভাগৱতীয়ে। উক্ত বিদ্যালয়ৰ হীৰক জয়ন্তী সাৰৰণি অনুষ্ঠানৰ আটাই কাৰ্যসূচীতে সকলোৰে সহায় সহযোগিতা তথা উপস্থিতি কামনা কৰিছে উদ্যোক্তাসকলে।

# জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰজনীকান্ত গোস্বামীৰ আত্মজীৱনীমূলক গ্ৰন্থ 'সমৃদ্ধ সময় বিমুগ্ধ জীৱন' উন্মোচন



**অসম বাৰ্তা, জাঁজী, ২৩ অক্টোবৰ ঃ** শিৱসাগৰ জিলাৰ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰজনীকান্ত গোস্বামীৰ এখন গ্ৰন্থ যোৱা ২০ অক্টোবৰত তেখেতৰ জাঁজী জামুগুৰিস্থ বাসগৃহত উন্মোচন কৰা হয়। ৰজনীকান্ত গোস্বামীৰ সহধৰ্মিনী ৰুণু গোস্বামীৰ দ্বিতীয় মৃত্যু বাৰ্ষিকীৰ উপলক্ষে এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত সমৃদ্ধ সময় বিমুগ্ধ জীৱন" নামৰ গ্ৰন্থখনি উন্মোচন কৰে জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ভৱানী কুমাৰ বৰুৱাই। অনুষ্ঠানৰ আৰম্ভণিতে এগছি বন্তি প্ৰজ্বলন কৰে প্ৰয়াত ৰুণু গোস্বামীৰ জেষ্ঠা ভগ্নী লক্ষ্মীমাই শৰ্মাই। বাগ্মিতা গোস্বামীয়ে পৰিৱেশন কৰা এটি মংগলাচৰণে শুভাৰম্ভ কৰা অনুষ্ঠানটো আঁতধৰে জেষ্ঠ সাংবাদিক ৰাজীৱ দত্তই। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকে ক্ৰমে চাৰিং শ্বহীদ মণিৰাম দেৱান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বিপুল বৰকটকী, যোৰহাট বাল্যভৱনৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° মুকুল হাজৰিকা আৰু খনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সদ্য অৱসৰপ্ৰাপ্ত অধ্যক্ষ কামাখা ভট্টাচাৰ্য। ৰজনীকান্ত গোস্বামীৰ বোৱাৰী গায়ত্ৰী শৰ্মা গোস্বামীয়ে আদৰণী জনোৱা অনুষ্ঠানটোত বিশিষ্ট সাংস্কৃতিক কৰ্মী অনিমা শৰ্মা, শিৱসাগৰ বীৰ লাচিত বৰ ফুকন মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা মঞ্জুমালা শৰ্মা ভট্টাচাৰ্য, তামোলীছিগা ঘনকান্ত বড়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ বৰা, শিৱসাগৰ বিশ্ব বিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° পৰাগ ৰাজখোৱা, জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° ৰাজীৱ গগৈ, জাঁজী লেখিকা সংস্থাৰ সম্পাদিকা বিজু বৰঠাকুৰ, জাঁজী শাখা সাহিত্য সভাৰ সম্পাদক তথা জেষ্ঠ সাংবাদিক প্ৰসেনজিৎ গগৈ, ফুলপানীছিগা মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী ৰূপালী বৰকটকীকে ধৰি বহু গণ্যমান্য ব্যক্তি উপস্থিত আছিল। সংগীতা গোস্বামী শৰ্মাই শলাগ জনোৱা অনুষ্ঠানত গ্ৰন্থখন ৰচনাৰ আঁৰত থকা বিষয়ৰ সন্দৰ্ভত লেখক ৰজনীকান্ত গোস্বামীয়ে ৰাইজক উদ্দেশ্য এক চমু আলোকপাত কৰে।

# বাৰাণসীত উদ্ধাৰ অসমৰ ব্যক্তিৰ মৃতদেহ

**অসম বাৰ্তা, হাজো, ২৩ অক্টোবৰ ঃ** অসমৰ এগৰাকী ব্যক্তিৰ মৃতদেহ বাৰানসীত উদ্ধাৰ হোৱা এটি ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে কামৰূপ জিলাৰ বামুণ্দীত। মৃতদেহ উদ্ধাৰ হোৱা ব্যক্তিজন কামৰূপ জিলাৰ বামুণ্দী শিলিগুৰীৰ মহিম কলিতা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে ভাৰতীয় নৌ সেনাত কৰ্মৰত মহিম কলিতাৰ পুত্ৰ ৰাকেশ কলিতাৰ সৈতে পাঞ্জাৱলৈ গৈ থকা অৱস্থাতে বাৰাণসী ৰেল ষ্টেচনৰ পৰা নিৰুদ্দেশ হৈ আছিল মৃত মহিম কলিতা। এখন জাৰণিত আজি বাৰাণসী আৰক্ষীয়ে উদ্ধাৰ কৰে মহিম কলিতাৰ মৃতদেহ। কিন্তু নিৰুদ্দিষ্ট মহিম কলিতা বাৰাণসীত কিদৰে মৃত্যুমুখত পৰিল সেই ঘটনা এতিয়া এক ৰহস্যৰ মাজত সোমাই পৰিছে। বাৰাণসী আৰক্ষীয়ে ইতিমধ্যে মৃত মহিম কলিতাৰ পৰিয়ালৰ সৈতে যোগাযোগ কৰি আৰম্ভ কৰিছে তদন্ত। মহিম কলিতা মৃত্যুৰ খবৰ লাভ কৰি শোকত ভাগি পৰিছে মহিম কলিতাৰ পৰিয়াল বৰ্গ।

### পথ অৱৰোধৰ ফলত বিচ্ছিন্ন যোগাযোগ

# ডিগবৈ-পেঙেৰী পথত পুনৰ দুৰ্ঘটনা

## ঠিকাদাৰৰ পানী টেংকাৰে মহতিয়াই মাৰিলে এজন লোকক

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ২৩ অক্টোবৰ ঃ** নিৰ্মিয়মান ডিগবৈ-পেঙেৰী অসম মালাৰ পথত আজি বিয়লি প্ৰায় ৩-১৫ বজাত সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত পুনৰ এজন লোকৰ থিতাতে নিহত হৈছে। নিহত লোকজন হৈছে ডিগবৈ আৰক্ষী থানাৰ অন্তৰ্গত ভীম পথাৰ গাঁও নিৱাসী মণিৰাম সোণোৱাল (৫২)। পেঙেৰী আৰক্ষী থানাৰ পৰা প্ৰায় ৪ কিলোমিটাৰ নিলগত অসম মালাৰ কামত নিয়োজিত এখন পানী টেংকাৰে বেক কৰোঁতে মহতিয়াই লৈ যায় এখন টি ভি এছ বাইকেৰে পেঙেৰী দিশৰ পৰা গৈ থকা লোকজনক। বাইকখনত দুৰ্ঘটনাগ্ৰস্ত লোকজনৰ সতে চালকৰ আসনত থকা মণ্টু সোণোৱাল সুৰক্ষিত অৱস্থাত থাকে। ঘটনাৰ ফলত দুৰ্ঘটনাত পতিত লোকজনৰ হেলমেট পিন্ধি থকা মূৰটো চকাৰ তলত সোমাই পৰাৰ ফলত থিতাতে মৃত্যুক আঁকোৱালি লয়। পি বি পি এল পূৰ্বাঞ্চল বিল্টটেক প্ৰাইভেট লিমিটেডৰ স্বত্বাধিকাৰ ভাস্কৰ গোস্বামীৰ হৈ পথ নিৰ্মাণৰ কাম কৰা মতলেবুদ্দিন আহমেদৰ অসুৰক্ষিত আৰু অকামিলা কৰ্মৰ বাবেই আজি দ্বিতীয়টো দুৰ্ঘটনা সংঘটিত হ'বলৈ পালে। ঘটনাৰ পাছতে স্থানীয় লোকে ঘটনাস্থলীত উপস্থিত হৈ পথ অৱৰোধ কৰি ঠিকাদাৰৰ উপস্থিতিৰ অবিহনে মৃতদেহ উঠাবলৈ দিয়া নহ'ব বুলি সকীয়াই দিয়ে। ঘাটক এ এছ ০১ এ চি ২২৪৯ নম্বৰৰ টেংকাৰ খনৰ চালক স্থানীয় উলুপ নিৱাসী মুকুট গগৈক ক্ষোভিত লোকে উত্তম-মাধ্যম শোধায়। উল্লেখ্য যে, ইয়াৰ পূৰ্বে যোৱা ১৪ ছেপ্টেম্বৰ তাৰিখে উক্ত পথৰে ডিগবৈৰ দুৰ্গাবাৰী-বাপাপুঙত এক অৰ্ধনিৰ্মিত কালভাৰ্টত খুন্দা খাই দুৰ্ঘটনাত পতিত হোৱা পেঙেৰীৰ দৌলত ফুকন (১৯) নামৰ ছাত্ৰজনৰ চিকিৎসাধীন অৱস্থাত যোৱা ১৭ ছেপ্টেম্বৰ তাৰিখে মৃত্যু হৈছিল। উক্ত ঘটনাটোতো মৃতদেহ লৈ দুৰ্ঘটনাস্থলীত স্থানীয় দল-সংগঠন আৰু ৰাইজে পথ অৱৰোধৰ কাৰ্যসূচীৰে প্ৰতিবাদ সাব্যস্ত কৰিছিল যদিও ঠিকাদাৰ মতলেবুদ্দিন আহমেদে মৃত ছাত্ৰজনৰ পৰিয়ালক উপযুক্ত ক্ষতিপূৰণ নিদিলে।

# কচুৱাৰ বৰপানী বাগানৰ কালি মন্দিৰত কালী পূজা সম্পন্ন

**অসম বাৰ্তা, কচুৱা, ২৩ অক্টোবৰ ঃ** নগাঁও জিলাৰ কচুৱাৰ শিঙিমাৰী বৰপানী বাগানৰ শ্ৰী শ্ৰী কালী মন্দিৰত সোমবাৰ আৰু মঙ্গলবাৰে দুদিনীয়াকৈ অনুষ্ঠিত কৰা কালি পূজা যোৱা নিশা সফল সামৰণি পৰে। অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জনাই কেৱল ধৰ্মীয় ৰীতি-নীতি পালন কৰি মা কালিৰ আশীৰ্বাদ লয়। কালি পূজা উদ্‌যাপনৰ দ্বিতীয় দিনা নিশা জুবিনৰ "মায়াবিনী" গীতেৰে আৰম্ভ কৰা অনুষ্ঠানত সভাপতিত্ব কৰে কুলাই মাৰ্জিৰে। মুকলি অনুষ্ঠানত উপস্থিত থাকে শিঙিমাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰনৱ দাস, বৰপানী গাওঁ পঞ্চায়তৰ সভানেত্ৰী তিলোতমা বৰা, ৰজাগাঁও মণ্ডলৰ সভাপতি শিবাংকৰ ভৌয়িক, মাখন গাওঁ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক খৰ্গেশ্বৰ বৰুৱা, সমাজসেৱক মদন চুববা, সূৰ্য বৰদলৈ, বাপন মাৰ্জি, নিৰ্মল মাৰ্জি, ছাহাজ উদ্দিন, কচুৱা থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মৃদুল বৰা, গাঁৱৰক্ষী বাহিনীৰ সম্পাদক খলিলুৰ ৰহমান লগতে বহু বিশিষ্ট ব্যক্তিৰ উপৰিও বহু ভক্তপ্ৰাণ ৰাইজ।

# সংকট কালতো দেৰগাঁৱত খোল নাখায় ফাৰ্মাচীৰ দুৱাৰ

**অসম বাৰ্তা, দেৰগাঁও, ২৩অক্টোবৰ ঃ** দেৰগাঁও নগৰখনত ৰাতিৰ ভাগত যিকোনো জটিল মুহূৰ্ততো এটা ঔষধ বিচাৰি ৰাইজে হাহাকাৰ অৱস্থাৰ সন্মুখীন হ'ব লগাটো এটা গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। দিনৰ ভাগত অসংখ্য ঔষধালয়, ফাৰ্মাচী খোলা থাকিলেও নিশা হোৱাৰ লগে লগেই অনান্য ব্যৱসায়িক প্ৰতিষ্ঠানৰ দৰেই ফাৰ্মাচীবোৰো বন্ধ হৈ পৰে। ইপিনে, গাঁও অঞ্চলসমূহততো দূৰৰ কথা, নগৰৰ মাজমজিয়াতো ৰোগী অতি সংকটজনক অৱস্থাত পৰিলেও এজনো চিকিৎসকক বিচাৰি পাবলৈ নাই। এখনো উন্নত চিকিৎসালয় বা নাৰ্ছিংহম নথকা দেৰগাঁৱৰ ৰোগীসকলক সাধাৰণ অসুখতো চিকিৎসাৰ বাবে সততে যোৰহাট বা অন্যস্থানৰ চিকিৎসালয়লৈহে নিব লাগে। দুৰ্ঘটনাজনিত ৰোগীক তৎকালে চিকিৎসাৰ প্ৰয়োজন হ'লেও দূৰৰ চিকিৎসালয় পায়গৈ মানে ৰোগীৰ অৱস্থা কাঢ়িল হৈ পৰে। এনে পৰিপ্ৰেক্ষিতত চৰকাৰে দেৰগাঁৱৰ সামুহিক চিকিৎসালয়খন সকলো সুবিধাযুক্ত কৰি ৰাইজৰ সুবিধাৰ্থে ইয়াত প্ৰয়োজনীয় বিভিন্ন বিভাগৰ চিকিৎসক কৰ্মচাৰী নিযুক্তিৰ ব্যৱস্থাৰে এখন উন্নত চিকিৎসালয়ৰূপে গঢ়ি তোলাৰ নিতান্তই প্ৰয়োজন। দিনৰ ভাগতে চিকিৎসাৰ বাবে ৰোগীৰ হাহাকাৰ অৱস্থা হোৱা দেৰগাঁৱত নিশা হ'লে সদায়ে পৰিস্থিতিয়ে জটিল ৰূপ ধাৰণ কৰে। শিশুকে ধৰি যিকোনো বয়সৰ লোকৰ আকস্মিকভাৱে চিকিৎসাৰ প্ৰয়োজন হ'লে চিকিৎসকৰ ঔষধৰ নিৰ্দেশনা পাবলৈ সক্ষম হ'লেও নিশাৰ দেৰগাঁৱত কিন্তু এখনো ফাৰ্মাচীৰ পৰা ঔষধ সংগ্ৰহ কৰিব পৰাৰ ব্যৱস্থা নাথাকে। আবাসগৃহ সংলগ্ন দৰবৰ ফাৰ্মাচীকেইখনৰ স্বত্বাধিকাৰীসকলেও বিপদত পৰা ৰোগীক সহায়ৰ বাবে খুলি নিদিয়ে ফাৰ্মাচীৰ দুৱাৰ। অন্যান্য ব্যৱসায় আৰু জীৱনদায়িনীৰ ব্যৱসায়ৰ মাজত যিহেতু প্ৰভেদ আছে, গতিকে বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰি দেৰগাঁৱৰ ঔষধ ব্যবসায়ীসকলে নিশাৰ ভাগত ৰাইজৰ সুবিধাৰ বাবে পদক্ষেপ গ্ৰহণ কৰাটো কামনা কৰিছে সচেতন ৰাইজে।

# তুলসিমুখত পথ দুৰ্ঘটনাত দিপ্তী বৰাৰ মৃত্যু

**অসম বাৰ্তা, বঢ়মপুৰ, ২৩অক্টোবৰ ঃ** নগাঁও জিলাৰ বৰপাঠৰী ভোটাইগাঁও নিবাসী তথা সমাজকৰ্মী উমা বৰাৰ পত্নী দিপ্তী বৰাৰ (৫৩) কালি এক পথ দুৰ্ঘটনাত পতিত হৈ আকস্মিকভাৱে মৃত্যু হয়। উল্লেখ যে, নবগঠিত ৰহা সমষ্টিৰ অন্তৰ্গত তুলসিমুখ ষ্টেপুৰ সন্মুখত বিপৰীত দিশৰ পৰা অহা দুজন উদণ্ড বাইক আৰোহীৰ বাবে আন দিশৰ পৰা ধীৰগতিৰে আহি থকা বাইক আৰোহী উমা বৰাই নিজে চলাই অহা বাইকখনৰ ব্ৰেক মাৰি ৰখাই দিয়াত বাইকত বহি অহা তেওঁৰ পত্নী দিপ্তী বৰা বাইকৰ পৰা উফালখাই পৰে আৰু লগে লগে তেওঁৰ কাণেৰে তেজ উলাবলৈ ধৰে। লগে লগে তেওঁক বুঢ়াগোহাঁইই প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত স্বাস্থ্য পৰীক্ষা কৰোৱাই আৰু ততালিকে নগাঁৱৰ নিদান হাস্পতালত ভৰ্তি কৰাই যদিও আৰু উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ নি থকাৰ পথত সোণাপুৰত মৃত্যুক আকোঁৱালি লয়। পাছত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসকে মহিলা গৰাকী মৃত বুলি ঘোষণা কৰে। উল্লেখ যে নগাঁও জিলাৰ বহু গ্ৰামাঞ্চলত একাংশ উদণ্ড বাইক চালকে তীব্ৰ গতিত বাইক চালনাৰ বাবে দিনে ৰাতিয়ে বহু পথচাৰীৰ বাবে সন্ত্ৰাস সৃষ্টি হৈ আহিছে। এই সকল উদণ্ড বাইক চালকৰ বাবে বহু সময়ত বহু লোকৰ প্ৰাণ হানী হৈছে। যোৱা কালিও তুলসিমুখ চেণ্ডৰ সন্মুখত সংঘটিত এই ভয়াৱহ পথ দুৰ্ঘটনাটো এই সকল উদণ্ড বাইক চালকৰ বাবেই সংঘটিত হোৱাৰ দাবী তুলিছে একাংশ প্ৰতক্ষ্যদৰ্শীয়ে। অমায়িক, মৃদুভাষী, হাঁহিমুখীয়া, দ্বিপ্তী বৰাই মৃত্যুৰ সময়ত স্বামী উমা বৰাৰ লগতে এগৰাকী জীয়ৰী, এজন জোৱাই, এজন পুত্ৰ, বোৱাৰী, নাতি আৰু অসংখ্য গুণমুগ্ধক ইহ সংসাৰত এৰি থৈ গৈছে।

# সাংবাদিক নিগ্ৰহ বন্ধ কৰাৰ দাবী সংগ্ৰামী সেনা অসমৰ

**অসম বাৰ্তা, গেলেকী, ২৩ অক্টোবৰ ঃ** সাংবাদিক নিগ্ৰহ বন্ধ হওক: সংবাদ পৰিবেশন কৰি থকা অৱস্থাত যোৱা প্ৰতিদিন টাইমছৰ সাংবাদিক নাৰায়ণ শইকীয়াক ফাঁচি বজাৰত আক্ৰমণ কৰা ঘটনাক সংগ্ৰামী সেনা, অসমৰ তৰফৰ পৰা তীব্ৰ ভাষাৰে গৰিহণা জনাইছে। আৰক্ষী প্ৰশাসনে দোষী সকলক চিনাক্ত কৰি অতিশীঘ্ৰে গ্ৰেপ্তাৰ কৰিবলৈ সংগ্ৰামী সেনা, অসমে দাবী জনাইছে। এক প্ৰেছ বিবৃতিৰ যোগেদি এই কথা অৱগত কৰি সংগঠনটোৱে অসমত যেন এতিয়া সংবাদ মাধ্যমৰ স্বতন্ত্ৰতা নোহোৱা কৰিব বিচৰা হৈছে আৰু সংবাদ মাধ্যমৰ বাক স্বাধীনতা হৰণ কৰিব বিছৰা হৈছে বুলি অভিযোগ উত্থাপন কৰিছে। সংগঠনটোৰ দাবী সাংবাদিক নিগ্ৰহ বন্ধ হ'ব লাগে, সাংবাদিকৰ নিৰাপত্তা সুনিশ্চিত কৰিব লাগে। কাৰণ সংবাদ মাধ্যম সমূহে ৰাইজৰ স্বাৰ্থত সদায় মাত মাতি আহিছে। গতিকে সাংবাদিকৰ ওপৰত আক্ৰমণ ঘটনা যাতে পুনৰাবৃত্তি নহওক তাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰ আৰু প্ৰশাসনলৈ দাবী উত্থাপন কৰি এক প্ৰেছ বিবৃতি প্ৰেৰণ কৰিছে সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ যুটীয়া সম্পাদক মিণ্টু দুৱৰাই।

### আলফা দমনৰ নামত খিলঞ্জীয়া-ভূমিপুত্ৰ লোকক হত্যা-হাৰাশাস্তি কৰা বন্ধ কৰক -অসম মৰাণ সভা

# অৰুণাচলৰ নামচাইত নিৰাপত্তাৰক্ষীৰে আলফা (স্বাঃ)ৰ সংঘৰ্ষ; নিহত আলফা স্বাধীনৰ এজন কেডাৰ

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ২৩ অক্টোবৰ ঃ** যোৱা নিশা চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ নামচাইত আছাম ৰাইফলছ আৰু আলফা স্বাধীনৰ মাজত এক ভয়ংকৰ সংঘৰ্ষ সংঘটিত হয়। উক্ত সংঘৰ্ষত আছাম ৰাইফলছৰ জোৱানৰ গুলীত নিহত হয় আলফা(স্বাঃ)ৰ এজন কেডাৰ। নিহত কেডাৰজন আইৱান অসম বুলি জানিব পৰা গৈছে। আইৱান অসমৰ ঘৰ বাঘজান আৰক্ষী থানাৰ অন্তৰ্গত কৰদৈগুৰি অঞ্চলৰ জকাইচুক গাঁৱত। নিহত কেডাৰজনৰ পৰা সেনাই অস্ত্ৰ-শস্ত্ৰ, গোলা-বাৰুদ আদি উদ্ধাৰ কৰিছে। অধিক তথ্যৰ সন্ধানত নিৰাপত্তাৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে। জানিব পৰা মতে, ২১ অক্টোবৰৰ নিশা নামচাইৰ ৬ মাইলৰ সমীপত আছাম ৰাইফলছৰ জোৱানে প্ৰায় সাতজনীয়া আলফা(স্বাঃ)ৰ এটা দলৰ সৈতে সংঘৰ্ষত লিপ্ত হয়। নিৰাপত্তাৰক্ষীৰ সূত্ৰ অনুসৰি, উগ্ৰপন্থী সংগঠনটো শেহতীয়াকৈ অসমৰ কাকপথাৰৰ সেনা শিবিৰত সংঘটিত আক্ৰমণৰ সৈতে জড়িত আছিল। নিহত উগ্ৰপন্থীজন আইৱান অসম, যাৰ প্ৰকৃত নাম অভিকেশ মৰাণ ওৰফে কণ্টি বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, অভিকেশে ২০১৬ বৰ্ষৰ ২৮আগষ্ট দিনা ঘৰৰ পৰা ওলাই গৈ আলফাত যোগ দিছিলগৈ। মুখামুখি সংঘৰ্ষৰ পিছত সেনাই নিহত উগ্ৰপন্থীজনৰ পৰা এটা এইচ কে ৰাইফল, এটা হেণ্ড গ্ৰেনেড আৰু এটা বেগ উদ্ধাৰ কৰিছে। সেনাৰ গুলীত ভূপতিত আলফা কেডাৰজনৰ বাদে আন্ধাৰৰ সুযোগ লৈ দলটোৰ বাকী সদস্যসকল পলায়ন কৰিবলৈ সক্ষম হয়। সংঘৰ্ষস্থলীৰ পৰা পলায়ন কৰা আন উগ্ৰপন্থীসকলৰ সন্ধানত নিৰাপত্তাৰক্ষীয়ে অভিযানত নামি পৰা বুলি জানিব পৰা গৈছে। তদন্ত আগবাঢ়ি যোৱাৰ লগে লগে এই সন্দৰ্ভত অধিক তথ্য লাভ কৰাৰ সম্ভাৱনা আছে। উল্লেখ্য যে, ১৭ অ'"াবৰৰ মাজনিশা আলফা স্বাধীন সংগঠনৰ দল এটাই কাকপথাৰ থানাৰ নিকটৱৰ্তী ১৯ গ্ৰেণেদিয়াৰ ভাৰতীয় সেনা ছাউনিত দীৰ্ঘ সময় ধৰি আক্ৰমণ চলায়। উক্ত আক্ৰমণক সংগঠনটোৱে 'অভিযান প্ৰতিশোধ' নামেৰে নামকৰণ কৰিছিল। চলিত বৰ্ষৰ জুলাই মাহত আলফা (স্বা)ৰ শিৱিৰত এক ভয়ংকৰ দ্ৰোণ আক্ৰমণ চলিছিল, য'ত কেইবাজনো সদস্যৰ মৃত্যু হৈছিল। সেই আক্ৰমণৰ প্ৰতিশোধস্বৰূপে আলফা (স্বাঃ)-এ এই পদক্ষেপ গ্ৰহণ কৰে। নিশা চলা এই আক্ৰমণত প্ৰায় ৩জন সেনা জোৱান আহত হৈছিল। গুলী আৰু গ্ৰেণেড বিস্ফোৰণেৰে আক্ৰমণ চলাইছিল আলফা (স্বা)ৰ দলটোয়ে। এখন ট্ৰাকত আহি এই আক্ৰমণ সংঘটিত কৰি কাকপথাৰ থানাৰ সমুখেদিয়েই আঁতৰি গৈছিল দলটো। আক্ৰমণকাৰী আলফা স্বাধীনৰ কেডাৰে ব্যৱহাৰ কৰা ট্ৰাকখন কাকপথাৰৰ পৰা প্ৰায় ১৬ কিলোমিটাৰ নিলগৰ ন-দিহিং নৈৰ পাৰত পাছদিনা নিৰাপত্তাৰক্ষীয়ে উদ্ধাৰ কৰিবলৈ সক্ষম হয়। অতি হাস্যকৰ কথা যে কাকপথাৰৰ সেনা শিৱিৰত আলফাই চলোৱা আক্ৰমণৰ পাৰ্শ্বক্ৰিয়া হিচাপে পেঙেৰীত থকা সেনা শিৱিৰৰ সমুখেদি যোৱা পেঙেৰী-ফিল'বাৰী পথৰ ওপৰত দুটাকৈ প্ৰকাণ্ড প্ৰকাণ্ড গতিৰোধক বনাই জনসাধাৰণৰ আহ-যাহত ব্যাঘাত জন্মাইছে। লোকনিৰ্মাণ বিভাগৰ পথ এটাত সেনাই ইচ্ছা কৰিলেই যান-বাহন চলাচলত ব্যাঘাত জন্মাব পৰাকৈ অপ্ৰয়োজনীয়ভাৱে স্পীডব্ৰেকাৰ বনাব পাৰেনে বুলিও প্ৰশ্ন উত্থাপিত হৈছে। এই কাৰ্যক লৈ টেক্সি চালকসকলে সেনাৰ লোকক অসুবিধাৰ বিষয়টো উত্থাপন কৰিছে যদিও সেনাই ভ্ৰূক্ষেপেই কৰা নাই। ইফালে সংবাদ মাধ্যমলৈ দিয়া এক বিবৃতি যোগে অসম মৰাণ সভা, সদৌ মৰাণ ছাত্ৰ সন্থা, মৰাণ জাতীয় মহিলা পৰিষদ আৰু মৰাণ জাতীয় কৰ্মচাৰী শৈক্ষিক বিকাশ মঞ্চৰ সভাপতি-সম্পাদকে জনাইছে "আলফা দমনৰ নামত খিলঞ্জীয়া-ভূমিপুত্ৰ লোকক হত্যা আৰু হাৰাশাস্তি কৰা বন্ধ কৰক। মৰাণ জনজাতিৰ উক্ত সংগঠনকেইটাই অতি ক্ষোভ আৰু উদ্বিগ্নতাৰে জনাব বিচাৰো যে আলফা-চৰকাৰৰ দীৰ্ঘদিনীয়া ৰাজনৈতিক সংঘাতৰ ফলশ্ৰুতিত ইতিমধ্যে বহু হাজাৰ তেজাল অসমীয়া ভূমিপুত্ৰ যুৱকে প্ৰাণ আহুতি দিবলগীয়া হ'ল। উল্লেখযোগ্য যে, এই সংঘাতত আটাইতকৈ বেছি হত্যা-হিংসা-অত্যাচাৰৰ বলি হৈ কল্পনাতীত ক্ষতিৰ সন্মুখীন হ'বলগীয়া হৈছে আদিম ভূমিপুত্ৰ মৰাণ জনগোষ্ঠী। অতি শেহতীয়াকৈ যোৱা ২১ অ'"াবৰ তাৰিখে অৰুণাচল প্ৰদেশৰ নামচাইত আলফা আৰু নিৰাপত্তাবাহিনীৰ মাজত সংঘটিত মুখামুখি সংঘৰ্ষত আৰু এজন তেজাল ভূমিপুত্ৰ-যুৱকে মৃত্যুক আঁকোৱালি লোৱা বিষয়টোৱে জনগোষ্ঠীটোক ক্ষোভিত কৰি তুলিছে। লগতে নবৈ দশকৰ বিভীষিকাময় পৰিৱেশৰ পুনৰাবৃত্তিয়ে আমাক শংকিত কৰি তুলিছে। উল্লেখ্য যে, উক্ত ঘটনাটোৰ সমান্তৰালভাৱে ডুমডুমা আৰক্ষী থানাৰ অন্তৰ্গত বিষ্ণুপুৰ গাঁৱৰ টুটু বড়াৰ বাসগৃহত ভাৰতীয় সেনাবাহিনীয়ে নিশা অতৰ্কিতে প্ৰৱেশ কৰি গুলী ফুটাই আতংকময় পৰিৱেশৰ সৃষ্টি কৰে। আমি ভূমিপুত্ৰ মৰাণ জাতিয়ে আলফা আৰু চৰকাৰৰ মাজৰ ৰাজনৈতিক সংঘাত অতি শীঘ্ৰে আলোচনাৰ মাধ্যমেৰে সমাধান কৰিবলৈ চৰকাৰ তথা আলফাক দাবী জনালোঁ।" বিবৃতিৰ শেষত কোৱা হৈছে "আগন্তুক সময়ত আলফা-চৰকাৰৰ মাজত ৰাজনৈতিক সংঘাতৰ ফলত জনগোষ্ঠীটোৰ তেজাল যুৱকক হত্যা কৰা সহ্য কৰা নহ'ব। লগতে মৰাণ জনগোষ্ঠীৰ ওপৰত আৰু মৰাণ বসতিপ্ৰধান অঞ্চলসমূহত নবৈৰ দশকৰ বিভীষিকাময় পৰিৱেশৰ দৰে পুনৰ আতংকময় পৰিৱেশ সৃষ্টি নকৰিবলৈ চৰকাৰ তথা নিৰাপত্তাবাহিনীক তীব্ৰ সকিয়নি প্ৰদান কৰিলোঁ। অন্যথা ভূমিপুত্ৰ মৰাণ জাতিয়ে সহ্য নকৰিব।"

# ডবকাৰ বিশিষ্ট শিক্ষাবিদৰ মৃত্যুত শোকাকুল সমগ্ৰ অঞ্চল

**অসম বাৰ্তা, ডবকা, ২৩ অক্টোবৰ ঃ** হোজাই জিলাৰ ইছলামিক শিক্ষানুষ্ঠান নিখাৰীমুখ নুৰুল উলুম আলিয়া ক্বাৰীয়ানা ও হাফিজীয়া মাদ্ৰাছাৰ প্ৰাক্তন প্ৰধান শিক্ষক আলহাজ হজৰত মৌলানা আব্দুল নুৰ ডাঙৰীয়াৰ হঠাৎ শ্বাস-প্ৰশ্বাস জনীত সমস্যাত ভোগাত চিকিৎসালয়ত ভৰ্তি কৰা হয়। চিকিৎসাধীন অৱস্থাত কিছু সুস্থ হোৱাত আৰু উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহা বিদ্যালয়লৈ লৈ যোৱা অৱস্থাত ৰাতি ১ঃ৩০ বজাত শেষ নিঃশ্বাস ত্যাগ কৰে। বুধবাৰে দিনৰ ২ঃ৩০ বজাত নিখাৰীমুখ আঞ্চলিক ঈদগাহ ময়দানত প্ৰায় ছয়-সাত হেজাৰ গুণমুগ্ধৰ উপস্থিতিত মৰহুমৰ জানাজাৰ নামাজ আদায় কৰা হয়। তেখেতৰ মৃত্যুত হোজাই জিলা এমাৰতে শ্বৰীয়াহ ও নদোৱাতুত তামিৰৰ তৰফৰ পৰা গভীৰ শোক প্ৰকাশ কৰাৰ লগতে পৰিয়াল বৰ্গলৈ আকুল সমবেদনা জ্ঞাপন কৰা হয়।

**AFFIDAVIT**

Vide an affidavit sworn before the Notary Public at Tinsukia on 17/10/2025, I hereby declare that in my Savings Account of Assam Gramin Vikash Bank, Talap Branch vide AC No. 7393036001949 my name has been recorded as Mrs. Aroti Budeswar instead of Bharati Tanti. Both Bharati Tanti and Mrs. Aroti Budeswar are the same person having single identity.

Bharati Tanti
W/O - Lt. Gopal Tanti
Daisajan T E (Line no.6)
P.O.- Bordoloi Nagar (Via Talap)
P.S.- Doom Dooma, Dist.- Tinsukia, Assam

AB-146/2025

# ডিব্ৰুগড়ত শ্বহীদ স্মৃতিৰক্ষা সমিতি আৰু পৌৰ নিগমৰ উদ্যোগত ব্ৰহ্মপুত্ৰৰ বুকুত নাও দুৰ্ঘটনাত নিহত ৬ শ্বহীদক শ্ৰদ্ধাঞ্জলি

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৩ অক্টোবৰ ঃ** ১৯৫০ চনৰ বৰভূঁইকপৰ পিছতে ব্ৰহ্মাপুত্ৰত হোৱা প্ৰলয়ংকাৰী বানৰ কবলত পৰা উত্তৰ পাৰৰ ৰাইজক বান সাহায্য দিবলৈ গৈ সলিল সমাধি ঘটা ছয় গৰাকী শ্বহীদৰ স্মৃতি ৰক্ষাৰ্থে গঠিত শ্বহীদ স্মৃতি ৰক্ষা সমিতি আৰু ডিব্ৰুগড় পৌৰ নিগমৰ উদোগত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আজি উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত থকা অনুষ্ঠিত হৈ যায়। এই ছয় গৰাকী শ্বহীদ আছিল কংগ্ৰেছ কৰ্মী জীৱন ৰাম ফুকন, বংগৰ সমাজসেৱক কাশী বিশ্বনাথ সেৱা সমিতিৰ বাবুলাল পদ্দাৰ, ৰাজহ চক্ৰ বিষয়া অজয় মেচ, মাৰোৱাৰী ৰিলিফ সমিতিৰ সম্পাদক হনুমান সিংহানিয়া, যুৱ সমাজ কৰ্মী ৰুদ্ৰ বৰঠাকুৰ আৰু কনিষ্টবল গৌৰ চান্দ সিং। সমিতিৰ সম্পাদক অনিল প্ৰসাদ সিংহই আঁত ধৰা অনুষ্ঠানৰ আৰম্ভণি কৰা হয় মংগলাচৰণেৰে। পাৰিজাত একাডেমিৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা মংগলাচৰণ অনুষ্ঠানৰ নেতৃত্ব বহন কৰে মায়া শইকীয়াই। অসমীয়া ৰাইজৰ হিয়াৰ আমঠু, সদ্যপ্ৰয়াত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সমুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ শুভাৰম্ভ কৰে বিশিষ্ট সাহিত্যিক, সমাজসেৱী ড° ভাৰতী দত্তই। ড° দত্তই জুবিন গাৰ্গৰ সৃষ্টিৰাজি নৱপ্ৰজন্মই নিখুঁতৰূপত সংৰক্ষণ কৰি ৰাখিবলৈ আহ্বান জনায়। জুবিনৰ সমাধি স্থলত এক সংগ্ৰহালাত স্থাপন কৰি শিল্পীৰ সৃষ্টিৰাজি সংৰক্ষণ কৰাৰ লগতে দৰ্শনাৰ্থীৰ বাবে তেওঁৰ জীৱন তথা কৰ্ম প্ৰতিফলিত কৰা তথ্য চিত্ৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনায়। আৰু ছয় শ্বহীদৰ স্মৃতিত কৰ্ম কৰি যোৱা সমিতিৰ সম্পাদক প্ৰমুখ্যে সংশ্লিষ্ট সকলোকে ধন্যবাদ জনায়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থকা কেবিনেট মন্ত্ৰী তথা অন্যতম এগৰাকী শ্বহীদ প্ৰয়াত জীৱনৰাম ফুকনৰ ভতিজাক প্ৰশান্ত ফুকনে বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি নিৱেদন কৰি কেওজন ব্যক্তিৰ আত্মবলিদানৰ কাহিনী শ্ৰদ্ধাৰে সোঁৱৰে। সংগীতৰ মহানায়ক জুবিন গাৰ্গৰ গীতসমূহ নৱপ্ৰজন্মই কণ্ঠস্থ কৰাৰ লগতে অনুধাৱন কৰাৰ কথা কয়। প্ৰয়াত ফুকনৰ জীয়াৰী বন্দনা দাসে পিতৃৰ লগতে কেওজন শ্বহীদৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰই জুবিন গাৰ্গৰ লগতে শ্বহীদ কেওজনৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি বাকী ৰোৱা তিনিজন শ্বহীদ গুৰুচৰণ। সিং, অজয় মেছ আৰু ৰুদ্ৰপ্ৰসাদ বৰঠাকুৰৰ স্মৃতিত পথ নামকৰণৰ প্ৰস্তাৱ আগবঢ়ায়। সম্পাদক অনিল প্ৰসাদ সিংহই অজয় মেছৰ নামত পথ নামকৰণৰ দিশত আগবঢ়াৰ কথা ব্যক্ত কৰে। চি আৰ পি এফৰ ইষ্টাৰ্ণ কামানডেণ্টৰ ডিজিপি প্ৰভাক ত্ৰিপাঠীৰ দেশপ্ৰেমমূলক বক্তব্যৰে উপস্থিত সকলোকে অনুপ্ৰেৰণা যোগায়। শ্বহীদ হনুমান সিংহানিয়াৰ ভতিজা নীৰজ সিংহানিয়াই প্ৰেৰণাদায়ক বক্তব্য আগবঢ়ায়। পাৰিজাত একাডেমি শিক্ষক শিক্ষণ মহাবিদ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলে জুবিন গাৰ্গৰ গীত সমবেত কণ্ঠত পৰিৱেশন কৰে। শলাগ জ্ঞাপন কৰে সুৰেশ আগৰৱালাই। উপস্থিত অন্যান্য ব্যক্তিসকল আছিল উপসভাপতি বিশ্বনাথ গাৰোডিয়া, আত্মাৰাম আগৰৱালা, এম হাছিম আলী, মাণিক বৈশ্য, ৰঞ্জিত মেচ, ৰাজকুমাৰ আগৰৱালা, গীতা সিংহানীয়া ইত্যাদি গণ্য মান্য ব্যক্তিসকল।

# অসমীয়াৰ প্ৰাণৰ স্পন্দন - হাৰ্টথ্ৰব জুবিন গাৰ্গৰ সোঁৱৰণিত উৰ্চগা অনুষ্ঠান

# ঐতিহ্যমণ্ডিত ধিতাইপুখুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহৰ ব্যাপক প্ৰস্তুতি

**অসম বাৰ্তা, নামতি, ২৩ অক্টোবৰ ঃ** নাজিৰাৰ সমীপৰ ঐতিহ্যমণ্ডিত ধিতাই পুখুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ - ছাত্ৰী সমাৰোহখনি অহা ২৫ আৰু ২৬ অক্টোবৰত বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে অনুষ্ঠিত কৰাৰ পূৰ্ণ প্ৰস্তুতি চলোৱা হৈছে। এই সমাৰোহৰ অনুষ্ঠানসমূহ অসমীয়াৰ প্ৰাণৰ স্পন্দন - হিয়াৰ আমঠু - হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ সোঁৱৰণিত উৰ্চগা কৰিছে। আজি বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ - ছাত্ৰী সমাৰোহৰ কাৰ্যালয়ত অনুষ্ঠিত কৰা এখনি সংবাদমেলত এই কথা ঘোষণা কৰি সমাৰোহৰ উদযাপন সমিতিৰ সভাপতি চন্দ্ৰ বৰা, কাৰ্যকৰী সভাপতি প্ৰশান্ত কুমাৰ দত্ত আৰু মুখ্য সম্পাদক দেৱজিৎ দত্তই লগতে কয়, হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ স্মৃতিত সমাৰোহৰ দুয়োদিনৰ কাৰ্যক্ৰমণিকা আৰম্ভ হোৱাৰ প্ৰাকমূহুত্বত সম্প্ৰতি প্ৰাৰ্থনালৈ ৰূপান্তৰ হোৱা মায়াবিনী শীৰ্ষক গীতেৰে শুভাৰম্ভ হ'ব আৰু সাংস্কৃতিক অনুষ্ঠানো কেৱল জুবিন গাৰ্গৰ অমৰ সৃষ্টি গীতসমূহে অনুষ্ঠিত কৰাৰ লগতে দুয়োদিনেই বিদ্যালয়ৰ চৌহদত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হ'ব। সমাৰোহৰ কাৰ্যক্ৰমণিকা অনুসৰি প্ৰথম দিনা পুৱা প্ৰাক্তন ছাত্ৰ পূৰ্ণ কোঁৱৰে মুখ্য তোৰণ উন্মোচন কৰাৰ পিছতে সৰ্বমুঠ ৬৬খন বিদ্যালয়ৰ পতাকা উত্তোলন শুভাৰম্ভ কৰিব অধ্যক্ষ প্ৰশান্ত কুমাৰ দত্তই। ইয়াৰ পিছতে উদযাপন সমিতিৰ সভাপতি চন্দ্ৰ বৰাই উদযাপন সমিতিৰ পতাকা উত্তোলন কৰিব। উদযাপন সমিতিৰ মুখ্য সম্পাদকদ্বয় বিতু ফুকন আৰু দেৱজিৎ দত্তই স্মৃতি তৰ্পণ কৰাৰ পিছতেই অসমীয়াৰ হিয়াৰ আমঠু - হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰম্ভ হ'ব। কুশ বৰগোঁহাই আৰু প্ৰদীপ দত্তই জুবিন গাৰ্গৰ স্মৃতিত নাহৰৰ গছপুলি ৰোপণ শুভাৰম্ভ কৰিব। গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰিব ডঃ জুনু মহন্তই আৰু প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰিব খগেন চন্দ্ৰ বৰাই। প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক গুণ দত্ত সোঁৱৰণি মূল মণ্ডপত "গুৰু সম্বৰ্ধনা সেৱা" অনুষ্ঠানৰ পিছত সদৌ অসম ভিত্তিত প্ৰাইজমানি তৰ্ক উদ্বোধন কৰিব উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি অজয় বৰুৱাই। স্মৃতি গ্ৰন্থ উন্মোচন কৰিব অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই। দুপৰীয়া সুৰেন্দ্ৰ নাথ দত্তৰ সঞ্চালনাত অনুষ্ঠিত হ'ব লগা প্ৰাক্তন ছাত্ৰ - ছাত্ৰী সকলৰ "অন্তৰংগ আলাপ" অনুষ্ঠান উদ্বোধন কৰিব ডাঃ শশী ফুকনে। সন্ধিয়া লীলা কান্ত মহন্তই বন্তি প্ৰজ্বলন শুভাৰম্ভ কৰাৰ পিছতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ গীতৰ মাজেৰে সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব নিৰুপমা গোস্বামীয়ে। দ্বিতীয় দিনা পুৱা পৰিৱেশ নিকাকৰণৰ পিছতে বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব অৱসৰী অধ্যাপক তুলসী শেনচোৱাই। দুপৰীয়া সদৌ অসম ভিত্তিত প্ৰাইজমানি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ পিছতে উদযাপন সমিতিৰ সভাপতি চন্দ্ৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগা মুকলি সভাখনি উদ্বোধন কৰিব যুৱ সাংবাদিক এন ডি -২৪ ৰ মুখ্য সম্পাদক ৰাজদ্বীপ বাইলুং বৰুৱাই। সভাত জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ জ্যোতিপ্ৰসাদ শইকীয়াই মুখ্য অতিথি আৰু ভালেকেইজন জনপ্ৰতিনিধিয়ে সন্মানীয় অতিথি আৰু শিক্ষা বিষয়া ড° দেৱজ্যোতি গগৈ আৰু বিশিষ্ট সাহিত্যিক পুণ্য শইকীয়াই বিশিষ্ট অতিথি হিচাপে অংশ গ্ৰহণ কৰিব। সন্ধিয়া সমূহীয়া বন্তি প্ৰজ্বলন শুভাৰম্ভ কৰিব পদ্মশ্ৰী ৰেৱকান্ত মহন্তই আৰু অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অমৰ সৃষ্টিৰ গীতৰ মাজেৰে সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব বিধায়ক সুশান্ত বৰগোঁহায়ে। উক্ত সমূহ কাৰ্যসূচীতে অসম তথা দেশ-বিদেশত কৰ্মৰত বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলৰ লগতে ৰাইজৰ উপস্থিতি তথা সহযোগিতাৰ বাবে উদযাপন সমিতিয়ে আহ্বান জনাইছে।

# পিৰাধৰা বজাৰ প্ৰাংগনত ৰাইজৰ দলৰ যোগদান সভা

**অসম বাৰ্তা, লেংটিছিঙা, ২৩ অক্টোবৰ ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম বিধান সভা সমষ্টিৰ অন্তৰ্গত পিৰাধৰা তিনি আলি বজাৰ প্ৰাংগনত অনুষ্ঠিত হয় অখিল গগৈ নেতৃত্বাধীন ৰাইজৰ দলৰ এখন বিশেষ যোগদান সভা। দলটোৰ পিৰাধৰা আঞ্চলিক সমিতিৰ উদ্যোগত বিশিষ্ট সমাজ কৰ্মী আলহাজ আজি ওছমানৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত বিভিন্ন ৰাজনৈতিক দলৰ পৰা অঞ্চলটোৰ অৰ্ধ শতাধিক লোকে আনুষ্ঠানিক ভাৱে ৰাইজৰ দলত যোগদান কৰে। দলটোৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক তথা সৃজনগ্ৰাম সমষ্টিৰ দলটোৰ মনোনীত প্ৰাৰ্থী পাৰভেজ ৰহমান, নাৰী বাহিনীৰ কেন্দ্ৰীয় সাংগাঁথনিক সম্পাদীকা মমি ৰায় চৌধুৰী আৰু কৃষক মুক্তি সংগ্ৰাম সমিতৰ বঙাইগাঁও জিলা সভাপতি নন্দন দেৱ নাথৰ উপস্থিতিত কংগ্ৰেছৰ প্ৰবিণ নেতা ক্ৰমে আলহাজ আজি ওছমান, শাহেব আলী আৰু অগপৰ পিৰাধৰা আঞ্চলিকৰ সভাপতি আব্দুল কৰিম প্ৰামাণিকৰ নেতৃত্বত অৰ্ধ শতাধিক লোকে ৰাইজৰ দলত যোগদান কৰে। সভাত মমি ৰায় চৌধুৰী, নন্দন দেৱ নাথ আৰু অধিবক্তা পাৰভেজ ৰহমান আদিয়ে উপস্থিত থাকি সাংগঠনিক দিশৰ ওপৰত ভাষণ প্ৰদান কৰে।

## অঞ্চলজুৰি শোকৰ ছাঁ

# অৱসৰী শিক্ষক, সুদক্ষ ভাৱৰীয়া ঘন কলিতাৰ দেহাৱসান

**অসম বাৰ্তা, আমগুৰি, ২৩ অক্টোবৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰি পৌৰসভাৰ ৪ নং ৱাৰ্ডৰ বাসিন্দা, অৱসৰী শিক্ষক তথা একালৰ সুদক্ষ ভাৱৰীয়া ঘন কলিতাৰ আজি পুৱা ৬: ৩০ বজাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হয়। দীৰ্ঘদিন ধৰি শাৰীৰিক অসুস্থতাত ভোগী চিকিৎসাধীন অৱস্থাতেই তেখেতৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৬৭ বছৰ। ঘন কলিতাই আমগুৰি কলিয়াপানী মজলীয়া বিদ্যালয়ৰ পৰা শিক্ষকতাৰ অৱসৰ গ্ৰহণ কৰি বিভিন্ন সামাজিক আৰু সাংস্কৃতিক কৰ্মত সক্ৰিয়ভাৱে জড়িত হৈ আছিল। কলিতা এসময়ৰ এগৰাকী সুদক্ষ ভাৱৰীয়া হিচাপে পৰিচিত আছিল আৰু বিভিন্ন ভাওনাত তেওঁৰ অভিনয়ে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। মৃত্যুৰ সময়ত পত্নী, এজন পুত্ৰ-বোৱাৰী, এগৰাকী কণ্যা-জোঁৱাই, দুই কনিষ্ঠ ভাতৃকে ধৰি অসংখ্য আত্মীয়-স্বজনক ইহ সংসাৰত এৰি যায়। ঘন কলিতাৰ মৃত্যুৰ খবৰে অঞ্চলটোত শোকৰ ছাঁ বিয়পায়। তেওঁৰ মৃত্যুত পুৰেৰুণ শিল্পী সমাজ, শ্ৰীমন্ত শঙ্কৰদেৱ কলা কৃষ্টি প্ৰশিক্ষণ মহাবিদ্যালয়, সদৌ অসম কুমাৰ সন্মিলনৰ শিৱসাগৰ জিলা সমিতি, আমগুৰি প্ৰাথমিক সমিতি, আমগুৰি ভাগৱত সমাজ, আমগুৰি পেঙেৰা ৰাস উৎসৱ সমিতি, আমগুৰি ব্লক কংগ্ৰেছ কমিটি, আমগুৰি জ্যেষ্ঠ নাগৰিক সন্মিলনকে ধৰি বিভিন্ন ব্যক্তি আৰু অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে।

# পুৰণিগুদাম কলং কলা কেন্দ্ৰৰ উদ্যোগত সাংবাদিক আবু হানিফাৰ জন্মদিন উদ্‌যাপন

**অসম বাৰ্তা, পুৰণিগুদাম, ২৩ অক্টোবৰ ঃ** বিশিষ্ট সাংবাদিক, শিক্ষাবিদ, নগাঁৱৰ সমাজ জীৱনৰ এগৰাকী দিক্ গজ ব্যক্তি ড° আবু হানিফাৰ ৭৪ তম জন্মদিনটো আজি নগাঁও জিলাৰ পুৰণিগুদামৰ কলং কলা কেন্দ্ৰই তথা কলং সংগ্ৰহালয় প্ৰাঙ্গণত গাম্ভীৰ্যপূৰ্ণভাৱে পালন কৰে। সেই উপলক্ষে আয়োজিত এখন মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাখন আৰম্ভ হোৱাৰ আগে আগে লেখক গুণীন্দ্ৰ গায়নে ড° হানিফাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কাৰ্যসূচীৰে মুকলি কৰে। লেটুগ্ৰাম সত্ৰৰ সত্ৰাধিকাৰ কৃষ্ণ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাখনত বিশিষ্ট অতিথি হিচাপে ভাষণ প্ৰদান কৰে তেওঁৰ শৈশৱৰ বন্ধু গুণীন্দ্ৰ গায়নে। ভাষা আন্দোলনৰ বিভিন্ন সংকটপূৰ্ণ সময় কেনেকে নগাঁৱৰ ছাত্ৰসমাজে পাৰ কৰিছিল তাৰ পুংখানুপুংখ ব্যাখ্যা আগবঢ়াই তেনে পৰিস্থিতিত আবু হানিফাই কেনে সাহসী ভূমিকা পালন কৰিছিল তাৰ ব্যাখ্যা গায়নে অতি বিশ্লেষণাত্মকভাৱে আগবঢ়ায়। পৰৱৰ্তী সময়ৰ নগাঁৱৰ সমাজ জীৱনত ড° হানিফাই আগবঢ়োৱা বিভিন্ন অৰিহণাৰ কথা উল্লেখ কৰি তেওঁ কয় যে, হানিফাক কোনোবাই মানুহৰ সলনি ধৰ্মীয় দৃষ্টিৰে চাই যদি বেলেগ ৰং বোলাব খোজে তেনে লোকক ঘৃণা কৰাৰ বাহিৰে গত্যন্তৰ নাই। সভাত ড° হানিফাৰ পত্নী ড° ৰ'জলীন জাহানে বক্তব্য ৰাখি কয় যে, সমাজৰ বাবে তেওঁ যেনেদৰে নিষ্ঠাৰে কাম কৰিছিল নিজৰ ঘৰখনতো অতি নিষ্ঠাৰে বিভিন্ন কামত সহযোগিতা আগ বঢ়াইছিল। অতি সহজ-সৰল ভাৱে জীৱনটো আগুৱাই নিয়া ড° আবু হানিফাই কেনেদৰে সৰু-ডাঙৰ সকলোৰে লগত বন্ধুত্বপূৰ্ণভাৱে মিলিব পাৰিছিল তাৰ ব্যাখ্যা আগবঢ়ায়। বিশিষ্ট গল্পকাৰ শিৱানন্দ কাকতিয়ে নিৰ্দ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰি আবু হানিফাৰ বহুমুখী প্ৰতিভা তথা সমাজপ্ৰীতিৰ বিভিন্ন উদাহৰণ দাঙি ধৰে। সাংবাদিক হিচাপে আবু হানিফাৰ সাহস তথা আপোচবিহীন অৱস্থানৰ একাধিক উদাহৰণ দাঙি ধৰি নিৰ্দ্দিষ্ট বক্তা গৰাকীয়ে গ্ৰন্থমেলা বা অন্যান্য সামাজিক অনুষ্ঠানত হানিফাদেৱৰ যোগদানৰ কথা বিৱৰি কয়। সমজুৱাৰ পিনৰ পৰা শিল্পী গোলাপ বৰা আৰু হানিফা চুলতানাই ড° হানিফাৰ বিভিন্ন গুণ গৰিমাৰ বিষয়ে আলোকপাত কৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি সম্পাদক চিত্তৰঞ্জন বৰাই কলং কলা কেন্দ্ৰ সৈতে প্ৰয়াত আবু হানিফাৰ আত্মিক সংযোগৰ বিভিন্ন উদাহৰণ দাঙি ধৰি কয় যে, তেওঁৰ যোগাত্মক দৃষ্টিভংগীয়ে আন অনুষ্ঠানৰ দৰে এই অনুষ্ঠানটোকো বহু পৰিমাণে উপকৃত কৰিছে। সভাপতিৰ ভাষণত কৃষ্ণ গোস্বামীয়ে হানিফাৰ গুণ- গৰিমাৰ ব্যাখ্যা কৰি কয় যে, পুৰণিগুদাম হিন্দু-মুছলমান অতি সম্প্ৰীতিৰে বসবাস কৰা এখন ঠাই। হানিফাই এই দৃষ্টিভংগীৰে সুন্দৰ সমাজ এখনৰ পোষকতা কৰিছিল বুলি উল্লেখ কৰি তেওঁ দুখেৰে কয় যে সম্প্ৰতি এই সম্প্ৰীতিৰ মাজত বিভিন্নধৰণেৰে ভাঙোন আনিবলৈ চেষ্টা কৰা হৈছে যিটো অতিকে গৰ্হিত কাম হৈছে। সভাত পুৰণিগুদাম শতদল শাখা সাহিত্য সভা, পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰাল, পুৰণিগুদাম প্ৰেছ ক্লাব, অনিৰ্বাণ গোষ্ঠীৰ প্ৰতিনিধিকে ধৰি অঞ্চলৰ ভালেমান গণ্যমান্য লোক উপস্থিত থাকে।




# দেৰগাঁও ডিকেডি কলেজৰ প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সাধাৰণ সভা

**অসম বাৰ্তা, দেৰগাঁও, ২৩ অক্টোবৰ ঃ** দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা গঠিত কমল দুৱৰা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ এখন সাধাৰণ সভা অহা ২৫ অক্টোবৰত মহাবিদ্যালয়ত আহ্বান কৰা হৈছে। উক্ত সভাত বিগত সময়ছোৱাৰ আয়-ব্যয়ৰ হিচাপ দাখিল তথা সন্মিলনীৰ দ্বাৰা ইতিমধ্যে সম্পন্ন হোৱা কাম-কাজৰ খতিয়ানৰ লগতে আগত কাৰ্যকালৰ বাবে এখন নতুন সমিতি গঠন কৰা হ'ব। সেইদিনা পুৱা দহ বজাৰ পৰা হ'বলগা সভাখনত মহাবিদ্যালয়খনৰ সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি কামনা কৰিছে প্ৰাক্তন ছাত্ৰ সন্মিলনীয়ে। আজি মহাবিদ্যালয়ৰ জীৱনাথ হাজৰিকা ভৱনত এই উপলক্ষে এখন সংবাদমেল অনুষ্ঠিত কৰি সন্মিলনীৰ সভাপতি ভোলা হাজৰিকা আৰু সম্পাদক ড° সুৰেন্দ্ৰ নাথ বড়াৰ লগতে সমিতিৰ বিষয়ববীয়াসকলে সেইদিনা সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি কামনা কৰে আৰু পৰৱৰ্তী কাৰ্যকালৰ বাবে এখন শক্তিশালী সমিতি গঠনত অংশীদাৰ হ'বলৈ সকলোকে আহ্বান জনায়। শৈক্ষিক উত্তৰণ তথা মহাবিদ্যালয়খনৰ সামগ্ৰিক উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পৰাকৈ আগত কাৰ্যকালৰ সমিতিখন গঠনৰ ক্ষেত্ৰত সকলোৰে সহযোগিতা কামনা কৰে প্ৰাক্তন ছাত্ৰ সন্মিলনীয়ে। আজিৰ সংবাদমেলত প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ বহুকেইজন বিষয়ববীয়া-সদস্যই অংশগ্ৰহণ কৰে।

# ডিব্ৰুগড়ৰ কোটোহা বালিগাঁও প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মোহন বড়াক বিদায় সম্বৰ্ধনা

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৩ অক্টোবৰ ঃ** ডিব্ৰুগড় জিলাৰ বৰবৰুৱা খণ্ড প্ৰাথমিক শিক্ষা বিভাগৰ অন্তৰ্গত বৰবৰুৱা উন্নয়ন খণ্ডৰ কোটোহাৰ বালিগাঁও প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মোহন বড়াক বিদ্যালয়ৰ তৰফৰ পৰা বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানৰ আৰম্ভণিতে অসমীয়াৰ প্ৰাণৰ শিল্পী, হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণেৰে কাৰ্য্যসূচী শুভাৰম্ভ কৰা হয় আৰু লগতে "মায়াবিনী" গীতেৰে মুখৰিত বিদ্যালয়ৰ চৌপাশ মুখৰিত কৰা হয়। অনুষ্ঠানত প্ৰতি গৰাকী বিশিষ্ট অতিথিয়ে শিল্পী গৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বিদায় অনুষ্ঠানৰ সৈতে সংগতি ৰাখি বালিগাঁও প্ৰাথমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি তথা সমাজসেৱক পবিত্ৰ দাধৰাই সভাপতিত্ব কৰা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ভগামূৰ তিনিআলি প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক চিত্ৰমোহন দিহিঙীয়া, ভগামূৰ নেপালি ব্লক মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰঞ্জিত কলিতা, ভগামূৰ তিনিআলি প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ঘনকান্ত ফুকন, ভগামূৰ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ত্ৰিলোচন গগৈ, ভগামূৰৰ গাঁওপ্ৰধান লীলা কলিতা, কোটোহা বীনাপাণি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক যোগানন্দ ফুকন, অতুল কলিতা, ৰাজেন ফুকন, বালিগাঁও প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকগোট, ৰান্ধনী, অঙ্গনবাড়ী কৰ্মী-সহায়িকাৰ লগতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু বিদ্যালয়ৰ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী বালিগাঁও আৰু ভগামূৰ গাঁৱৰ ৰাইজ উপস্থিত থাকে। বিদায় সম্বৰ্ধনা অনুষ্ঠানত বিদ্যালয়ৰ তৰফৰ পৰা অৱসৰপ্ৰাপ্ত শিক্ষক মোহন বড়াক শৰাই, সম্বৰ্ধনা পত্ৰ, চেলেং, ধৰ্মপুথি আৰু ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। সুদীৰ্ঘ ৩৮ বছৰীয়া কৰ্মজীৱনৰ পৰিক্ৰমাত মোহন বড়াই ১৯৯৪-১৯৯৭ চনলৈকে কোটোহা প্ৰথমিক কেন্দ্ৰৰ সম্পাদক হিচাপে সুচাৰুৰূপে আৰু দায়বদ্ধতাৰে দায়িত্ব পালন কৰাৰ উপৰিও ১৯৯৮-২০০২ চনলৈকে তেখেতে ডিব্ৰুগড় জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ শিক্ষা আৰু আলোচনীৰ সম্পাদক লগতে পশ্চিমাঞ্চলিক পৰীক্ষা ব'ৰ্ডৰ সম্পাদকৰ দায়িত্ব বহন কৰিছিল। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বড়াই ২০০৭ চনৰ পৰা অৱসৰৰ আগমুহূৰ্তলৈকে খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্পাদকৰ দায়িত্ব পালন কৰি অহাৰ লগতে ২০১৪ চনৰ পৰা অৱসৰৰ দিন ধৰি প্ৰধান শিক্ষক ৰূপে শিক্ষাদান কৰে। বিগত ২০২০ চনত তেখেতে ডিব্ৰুগড় জিলা কৃতী শিক্ষকৰ বঁটা লাভ কৰি সমগ্ৰ অঞ্চলৰ লগতে বিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছিল তথা ২০২০-২০২৪ চনলৈকে তেখেতে সদৌ অসম প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৰাজ্যিক সদস্য হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। ইয়াৰ উপৰিও অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মোহন বড়াই ভগামূৰ মিলনজ্যোতি মইনা পাৰিজাত আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতো জড়িত। সম্বৰ্ধনা অনুষ্ঠানত বহুসংখ্যক প্ৰাক্তন ছাত্ৰ-ছাত্ৰী য়ে নিজৰ বক্তব্য প্ৰকাশ কৰে। কোটোহাৰ বালিগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নকুল দাসে শলাগৰ শৰাই আগবঢ়োৱা বিদায় সম্বৰ্ধনা অনুষ্ঠানৰ শেষত অসম সংগীত পৰিৱেশনৰ কৰে।



# ভাৰত চৰকাৰৰ অসামৰিক বিমান পৰিবহণ মন্ত্ৰীলৈ এজন অসমীয়াৰ পত্ৰ

# যোৰহাট বিমানবন্দৰৰ নাম সলনি কৰি 'জুবিন গাৰ্গ বিমানবন্দৰ, যোৰহাট' কৰাৰ দাবী

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ২৩ অক্টোবৰ ঃ** ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অসমৰ নাম উজ্জীৱিত কৰি ৰখা এগৰাকী সাংস্কৃতিক ৰাষ্ট্ৰদূতৰ স্বীকৃতিৰে যোৰহাট বিমানবন্দৰৰ নাম সলনি কৰি "জুবিন গাৰ্গ বিমানবন্দৰ, যোৰহাট" ৰাখক। এই অনুৰোধ গোলাঘাট জিলাৰ বিশিষ্ট সমাজকৰ্মী, পৰিৱেশবিদ তথা জ্যেষ্ঠ সাংবাদিক অপূৰ্ব বল্লভ গোস্বামীৰ। তেওঁ যোৱা ১৬ অ'"াবৰত ভাৰত চৰকাৰৰ অসামৰিক বিমান পৰিবহণ মন্ত্ৰীলৈ প্ৰেৰণ কৰা এক পত্ৰযোগে এই দাবীসূচক অনুৰোধটো উত্থাপন কৰিছে। উল্লেখ্য যে, শ্ৰীগোস্বামীক সমাজসেৱাৰ প্ৰতি আগবঢ়োৱা অৱদানৰ স্বীকৃতিস্বৰূপে ইতিপূৰ্বে অসমৰ প্ৰাক্তন ৰাজ্যপাল পি বি আচাৰ্য আৰু বানৱাৰীলাল পুৰোহিতে প্ৰশংসা পত্ৰ প্ৰদান কৰিছে। চেণ্টিনেল গ্ৰুপেও তেওঁক 'অনুসন্ধানমূলক সাংবাদিকতা'ৰ ছেণ্টিনেল বঁটা প্ৰদান কৰাৰ উপৰিও ৰাষ্ট্ৰীয় স্বয়ং সেৱক (আৰ এছ এছ), অসম সাহিত্য সভা, মাৰোৱাৰী যুৱ মঞ্চ আদি বিভিন্ন প্ৰতিষ্ঠানেও তেওঁৰ অৱদানক স্বীকৃতি দিছে। তেখেতক বিভিন্ন সময়ত বিভিন্ন বঁটাৰে সন্মানিত কৰাৰ লগতে অলপতে ভাৰত বিকাশ সংগ্ৰামে ভাৰত গৌৰৱ সন্মানেৰেও কৰিছে। তেওঁ সমগ্ৰ ভাৰতবৰ্ষৰ লাখ লাখ লোকক অনুপ্ৰাণিত কৰা কিংবদন্তি সংগীতজ্ঞ, চলচ্চিত্ৰ নিৰ্মাতা আৰু সাংস্কৃতিক আইকন জুবিন গাৰ্গৰ সন্মানাৰ্থে অসমৰ যোৰহাট বিমানবন্দৰৰ নাম "জুবিন গাৰ্গ বিমানবন্দৰ, যোৰহাট" ৰূপে নামকৰণ কৰিবলৈ বিনম্ৰ অনুৰোধ জনাবলৈ পাই গৌৰৱ অনুভৱ কৰা লগতে পত্ৰখনত তেওঁ উল্লেখ কৰিছে যে, স্বৰ্গগত গাৰ্গৰ সংগীত আৰু দান-বৰঙনিয়ে বিভিন্ন জনগোষ্ঠীক একত্ৰিত কৰিছে, পৰিৱেশ সচেতনতাক প্ৰসাৰিত কৰিছে আৰু তেওঁ অসমৰ চহকী ঐতিহ্যক বিশ্বব্যাপী স্বীকৃতি দিয়াবলৈ অহোপুৰুষাৰ্থ কৰিছিল। উজনি অসমৰ ঐতিহাসিকভাৱে সাংস্কৃতিক কেন্দ্ৰ হোৱাৰ বাবে যোৰহাটে ৰাজ্যখনৰ কলাত্মক আৰু বৌদ্ধিক পৰিৱেশত গভীৰ প্ৰতীকী তাৎপৰ্য বহন কৰিছে। জুবিন গাৰ্গৰ দৰে জীৱন্ত কিংবদন্তিৰ নামেৰে ইয়াৰ বিমানবন্দৰৰ নাম সলনি কৰিলে অসমীয়া ভাষা, সংগীত, চিনেমালৈ তেওঁ আগবঢ়োৱা অতুলনীয় অৱদানক সন্মান জনোৱাই নহয়, ৰাজ্যৰ সাংস্কৃতিক গৌৰৱ আৰু প্ৰগতিশীল দৃষ্টিভংগীও প্ৰতিফলিত কৰা হ'ব। যোৰহাট বিমানবন্দৰটো প্ৰতিৰক্ষা সুবিধাৰ সৈতে যৌথভাৱে পৰিচালিত হোৱাৰ পৰিপ্ৰেক্ষিতত বুজা গৈছে যে ভাৰতীয় বিমানবন্দৰ কৰ্তৃপক্ষ আৰু প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ সৈতে পদ্ধতিগত আলোচনাৰ প্ৰয়োজন হ'ব পাৰে। কিন্তু একে ৰাজনৈতিক দলৰ নেতৃত্বত অব্যাহত অসম আৰু ভাৰত চৰকাৰ উভয়ৰে সমন্বয়ৰ ফলত যথাযথ সিদ্ধান্ত ক্ষিপ্ৰতাৰে আৰু সুসঙ্গতিপূৰ্ণভাৱে লাভ কৰাৰ থল আছে। উল্লেখ্য যে, যোৰহাট বিমানবন্দৰ জুবিন গাৰ্গৰ নামত নামকৰণ কৰাৰ দাবীত শ্ৰী গোস্বামীয়ে বৃহস্পতিবাৰে কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰীলৈ মেইলযোগে স্মাৰক পত্ৰ প্ৰেৰণ কৰাৰ লগতে স্মাৰক পত্ৰৰ প্ৰতিলিপি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু অসমৰ মুখ্যমন্ত্ৰীলৈও প্ৰেৰণ কৰে। অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে বিষয়টো গুৰুত্ব সহকাৰে ল'ব বুলি তেওঁ আশা প্ৰকাশ কৰিছে। স্মতব্য যে, অসম আৰু অসমীয়াৰ হিতৰ বাবে শ্ৰী গোস্বামীয়ে বিভিন্ন সময়ত বিভিন্ন বিষয়ত মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ত কেইবাখনো ৰাজহুৱা স্বাৰ্থজনিত আবেদন (পি আই এল) দাখিল কৰিছে।

# আমগুৰিত শ্ৰীমন্ত শঙ্কৰদেৱ কলা কৃষ্টি প্ৰশিক্ষণ মহাবিদ্যালয়ৰ ৰাসলীলা উৎসৱৰ আয়োজন

**অসম বাৰ্তা, আমগুৰি, ২৩ অক্টোবৰ ঃ** শিৱসাগৰ জিলাৰ বৃহত্তৰ আমগুৰি অঞ্চলৰ অন্যতম মুখ্য সাংস্কৃতিক অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ কলা কৃষ্টি প্ৰশিক্ষণ মহাবিদ্যালয়ৰ উদ্যোগত শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসলীলা মহোৎসৱৰ আয়োজন কৰা হৈছে। যোৱা ১৪ অক্টোবৰত অনুষ্ঠিত এক ৰাজহুৱা সভাত মৃগেন নেওঁগক সভাপতি আৰু শান্তনু শইকীয়াক সম্পাদক হিচাপে লৈ এখন ৰাস পৰিচালনা সমিতি গঠন কৰা হয়। উক্ত সমিতিৰ সিদ্ধান্তমৰ্মে নৱেম্বৰ মাহৰ ৫ আৰু ৬ তাৰিখে আমগুৰি ৰাজহুৱা ভৱনত দুদিনীয়া কাৰ্যসূচীৰে ৰাসলীলা উৎসৱ অনুষ্ঠিত হ'ব। ইতিমধ্যে ন-পুৰণি শিল্পীসকলৰ অংশগ্ৰহণত ৰাসৰ আখৰা পূৰ্ণগতিত আৰম্ভ হৈছে। কাৰ্যসূচীৰ অনুসৰি প্ৰথমদিনা পুৱা ৯ বজাত পতাকা উত্তোলনেৰে উৎসৱৰ আৰম্ভণি হ'ব। পুৱা ১০ বজাত নাম-প্ৰসংগ, সন্ধিয়া বন্তি প্ৰজ্বলন আৰু ৰাতিলৈ শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসলীলা মঞ্চস্থ কৰা হ'ব। প্ৰথম নিশা 'কংসালয়ৰ পৰা মহাৰাসলৈ' আৰু দ্বিতীয় নিশা 'নন্দালয়ৰ পৰা মহাৰাসলৈ' ৰাস প্ৰদৰ্শন কৰা হ'ব। ৰাসোৎসৱ সমিতিয়ে অঞ্চলটোৰ সকলো শ্ৰেণীৰ ৰাইজৰ উপস্থিতি আৰু সহযোগিতা আগবঢ়াবলৈ অনুৰোধ জনাইছে।

## শিল্পী হেমচন্দ্ৰ গোস্বামীয়ে নিৰ্মাণ আৰম্ভ কৰিছে ৰাসোৎসৱৰ মুখা

# চামগুৰি সত্ৰত ১২৫ সংখ্যক বৰ্ষৰ ৰাসলীলাৰ ব্যাপক আয়োজন

**অসম বাৰ্তা, মাজুলী, ২৩ অক্টোবৰ ঃ** মাজুলী জিলাৰ পূব প্ৰান্তত অৱস্থিত মুখা নিৰ্মাণ আৰু অভিনয়ৰ বাবে প্ৰসিদ্ধ চামগুৰি সত্ৰত বিগত বৰ্ষবোৰৰ দৰে এই বছৰো ৫ আৰু ৬ নৱেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে শ্ৰীকৃষ্ণৰ ৰাসলীলা অনুষ্ঠিত কৰিবলৈ পূৰ্ণ প্ৰস্তুতি চলিছে। সত্ৰখন পূৰ্বৰ স্থানৰ পৰা এই অঞ্চলত স্থাপন হোৱা কালৰে পৰা শ্ৰীকৃষ্ণৰ ৰাসলীলা উদযাপন কৰি আহিছে আৰু এইবছৰ সত্ৰবাসীয়ে ১২৫সংখ্যক বৰ্ষৰ ৰাসলীলা উদযাপন কৰিব। সত্ৰখনৰ ৰাসলীলাৰ অন্যতম আকৰ্ষণ সম্পূৰ্ণ সত্ৰীয়া পৰম্পৰাৰে শংকৰদেৱ বিৰচিত কেলিগোপাল নাটকেৰে মহাৰাসৰ অভিনয় আৰু মুখাৰ বাবে বিখ্যাত সত্ৰখনত মুখাৰ কলা-কৌশল। সত্ৰখনত আগন্তুক ৰাসোৎসৱ উদযাপনৰ উপলক্ষে আজি বিয়লি সত্ৰৰ নামঘৰত আঞ্চলিক ৰাইজৰ উপস্থিতিত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। ডেকা সত্ৰাধিকাৰ তিলক চন্দ্ৰ গোস্বামীৰ সঞ্চালনাত অনুষ্ঠিত সভাখনৰ আঁতধৰে ডেকা সত্ৰীয়া ব্ৰজেন গোস্বামীয়ে আৰু তপন গোস্বামীয়ে উদ্দেশ্য ব্যাখ্যা কৰি আগন্তুক ৰাসোৎসৱ সুচাৰুৰূপে পৰিচালনাৰ বাবে আঞ্চলিক ৰাইজৰ পৰামৰ্শ বিছাৰে। সভাত উপস্থিত আন্তঃ ৰাষ্ট্ৰীয় মুখাশিল্পী পদ্মশ্ৰী বটা প্ৰাপক হেমচন্দ্ৰ গোস্বামী, চামগুৰি সন্মিলিত যুবক সংঘৰ সম্পাদক প্ৰশান্ত শইকীয়া, প্ৰসন্ন গোস্বামী, অৰুন বৰা, প্ৰেম বৰা, দুলাল কাকতি, বিপুল বৰদলৈ, প্ৰফুল্ল বৰা, অজিত বৰা, দিলীপ বেজ, অসীম গায়ন, খগেন গোস্বামী, প্ৰভাত গোস্বামীয়ে বিভিন্ন দিহা পৰামৰ্শ আগবঢ়াই আৰু এখন সবল উদযাপন সমিতি গঠনৰ সিদ্ধান্ত কৰে। সভাই সৰ্বসন্মতিক্ৰমে প্ৰসন্ন গোস্বামীক সভাপতি, যতীন বৰা, আৰু পবিত্ৰ বৰাক সম্পাদক হিচাপে লৈ ৫১ জনীয়া সদস্যৰে এখনি উদযাপন সমিতি গঠন কৰে। উল্লেখযোগ্য যে, চামগুৰি সত্ৰৰ ৰাসোৎসৱৰ অভিনয়ৰ লগতে সত্ৰৰ নামঘৰৰ চাৰিও দিশে বহা বৃহৎ মুকলি বজাৰখনে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ভক্ত দৰ্শকক আকৰ্ষণ কৰি আহিছে। এইবছৰো ৰাজ্যৰ ভিন্ন প্ৰান্তৰ চাৰি শতাধিক ব্যৱসায়ীয়ে ৰাসলীলাত ব্যৱসায় কৰিবৰ বাবে সত্ৰ কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰিছে আৰু সত্ৰবাসীয়ে ব্যৱসায়ী সকলক স্বাগতম জনাইছে। ইফালে সত্ৰখনৰ ৰাসলীলা পূৰ্বৰ বৰ্ষসমূহতকৈও আকৰ্ষণীয় কৰিবলৈ শিল্পী ড০ হেমচন্দ্ৰ গোস্বামীয়ে প্ৰস্তুতি আৰম্ভ কৰিছে। শিল্পীগৰাকীয়ে বিশেষকৈ ৰাসলীলাৰ মুখাসমূহ ন ৰূপ দিছে আৰু অভিনয়ত নতুনত্ব আনিব বুলি জনাইছে। শিল্পী গৰাকীৰ লগত যোগাযোগ কৰি জানিব পৰা মতে, তেওঁ ইতিমধ্যে মাজুলীৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ কুৰি খনৰো অধিক মঞ্চৰ ৰাসলীলাৰ মুখা নিৰ্মাণৰ দায়িত্ব লাভ কৰিছে আৰু মুখাসমূহ নিৰ্দিষ্ট সময়ত সম্পূৰ্ণ কৰি উলিয়াবলৈ শিল্পীগৰাকীৰ ছাত্ৰ হৰেন গোস্বামী, খগেন গোস্বামী, কৃষ্ণ বৰা, অনন্ত কলিতা, নিতুল বৰাৰ সহযোগত প্ৰস্তুতি আৰম্ভ কৰিছে। তেওঁলোকে ইতিমধ্যে বাহৰ কাঠিৰে কালিনাগ, বকাসুৰ, ধনুকাসুৰ, পুটনা, বৎসাসুৰ, অঘাসুৰ আদি মুখাৰ প্ৰাৰম্ভিক কাম সম্পূৰ্ন কৰিছে আৰু নিজ সত্ৰৰ বাবেও নতুন কাৰুকাৰ্য খচিত মুখা নিৰ্মাণৰ পৰিকল্পনা কৰিছে। সত্ৰখনৰ ৰাসলীলা দৰ্শনৰ বাবে ৰাজ্যবাসীক সত্ৰ উন্নয়ন সমিতি আৰু উদযাপন সমিতিয়ে আহ্বান জনাইছে।

## সম্পাদকীয়

# জলবায়ু পৰিৱৰ্তনৰ বাস্তৱতা

শৰতৰ মৃদু বতাহ আৰু শীতল সন্ধিয়াৰ সলনি অক্টোবৰ মাহৰ শেষলৈকে যি উষ্ণ আৰু শুষ্ক বায়ুৱে আমাক আৱৰি ৰাখিছে, সেয়া এতিয়া আৰু নিতান্তই স্বাভাৱিক বুলি গণ্য কৰিব নোৱাৰি। ই জলবায়ু পৰিৱৰ্তনৰ এক জ্বলন্ত প্ৰমাণ। কেৱল অসমতেই নহয়, সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতেই জলবায়ু পৰিৱৰ্তনৰ ভয়াৱহ প্ৰভাৱে গভীৰভাৱে শিপাই ছে। অক্টোবৰৰ প্ৰায় শেষৰ দিনবোৰলৈকে অসমত উষ্ণতাৰ মাত্ৰা স্বাভাৱিকতকৈ তিনিডিগ্ৰী চেলছিয়াছৰ পৰা পাঁচ ডিগ্ৰী চেলছিয়াছলৈকে বেছি হৈ আছে। এই অস্বাভাৱিকতা এতিয়া এটা নিয়মিত ৰূপ লৈ আহিছে, যিয়ে আমাৰ ভৱিষ্যতৰ প্ৰতি এক ডাঙৰ প্ৰশ্নবোধক চিহ্ন হৈ থিয় দিছে। গুৱাহাটীৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰৰ জ্যেষ্ঠ বতৰ বিজ্ঞানী সঞ্জয় শ্ব'নীৰ মতে, অসমত এই সময়ছোৱাত গড় সৰ্বোচ্চ উষ্ণতা ৩০-৩২° চে. আৰু সৰ্বনিম্ন উষ্ণতা ২০-২২° চে. হোৱাৰ কথা। কিন্তু বাস্তৱত শিলচৰ, লখিমপুৰ, ডিব্ৰুগড়, তেজপুৰ, গুৱাহাটী আদি ঠাইবোৰত সৰ্বোচ্চ উষ্ণতা ৩৩° চে.ৰ পৰা ৩৬° চে.লৈকে ৰেকৰ্ড কৰা হৈছে। এই যে অক্টোবৰৰ শেষলৈকে গৰম কাপোৰৰ প্ৰয়োজন নোহোৱা অৱস্থা, সেয়া আমাৰ স্মৃতিত থকা 'শৰতৰ ৰাতি'ৰ কল্পনাক এবাৰলৈ কল্পনাৰ বাহিৰলৈ ঠেলি দিছে। বিগত এটা দশকত গ্ৰীষ্মকাল দীঘলীয়া হোৱাটোৱে প্ৰমাণ কৰিছে যে এই পৰিৱৰ্তন হঠাতে অহা নহয়, ই দীৰ্ঘদিনীয়া এক প্ৰক্ৰিয়া। এই অস্বাভাৱিক পৰিৱেশে সাধাৰণ মানুহৰ মনত নানাধৰণৰ সংশয় আৰু উৎকণ্ঠাৰ সৃষ্টি কৰিছে- 'এই গৰম কিমানদিন থাকিব?' পুৰণি দিনৰ শৰৎ ঋতুটি ক'ত হেৰাল? আমাৰ কৃষি, উৎসৱ, জীৱন-যাপনৰ চক্ৰই ঋতুৰ লগত খাপ খোৱা সংস্কৃতি ইমান সোনকালে আমাৰ পৰা আঁতৰি যাবনে? 'বৰষুণ কিয় ইমান কম হ'ল?' বাৰিষাৰ ৰাজ্যখ্যাত অসমত বৰষুণে কৃষি আৰু চাহ-বাগিচালৈ কেনেধৰণৰ সংকট কঢ়িয়াই আনিব? পানীৰ অভাৱেই নেকি ভৱিষ্যতৰ বাবে আটাইতকৈ ডাঙৰ যুদ্ধৰ কাৰণ হ'ব? বিজ্ঞানীসকলে কৈ থকা মানৱসৃষ্ট কাৰণবোৰ— যেনে অবাধ গছ-গছনি নিধন, জলাশয় ধ্বংস, অপৰিকল্পিত নগৰীকৰণ— এইবোৰৰ বাবেই নেকি আমাৰ ঋতুচক্ৰই এনে ৰূপ লৈছে? এই সঘনাই হোৱা পৰিৱেশগত সংকটৰ প্ৰতি চৰকাৰী স্তৰত কিমান গুৰুত্ব দিয়া হৈছে? স্থায়ী সমাধানৰ বাবে কোনো নীতি গৃহীত হৈছে নে? ইফালে বৰষুণৰ পৰিমাণ হ্ৰাসে সমস্যাটোক আৰু জটিল কৰি তুলিছে। এইবাৰ অসমত স্বাভাৱিকতকৈ ৩২ শতাংশ, মেঘালয়ত ৪৩ শতাংশ, আৰু অৰুণাচল প্ৰদেশত ৪২ শতাংশ বৰষুণ কম হৈছে। মৌচুমী বায়ুৰ অস্বাভাৱিক আচৰণই এই অসমতাত অৰিহণা যোগাইছে। কৃষিপ্ৰধান অসমৰ বাবে এই তথ্যই এক গুৰুতৰ সংকটৰ সূচনা কৰিছে। শালিধান, বাওধান আদি মুখ্য শস্যৰ উৎপাদনত ইয়াৰ প্ৰভাৱ পৰিছে, যিটো ৰাজ্যৰ অৰ্থনীতিৰ বাবে এক ডাঙৰ আঘাত। জলবায়ু পৰিৱৰ্তনৰ এই প্ৰভাৱবোৰ কেৱল বতৰৰ অস্বস্তিলৈয়েই সীমিত নহয়। ইয়াৰ দীৰ্ঘম্যাদী প্ৰভাৱ আমাৰ অৰ্থনীতি, কৃষি, স্বাস্থ্য আৰু সামগ্ৰিক জীৱন-যাপনৰ ওপৰত পৰিব। উষ্ণতা বৃদ্ধিয়ে নৱজাতক, গৰ্ভৱতী মহিলা আৰু বয়সীয়ল লোকসকলৰ বাবে স্বাস্থ্যজনিত জটিলতা বৃদ্ধি কৰিব পাৰে। কৃষি উৎপাদন হ্ৰাস পোৱাৰ লগে লগে খাদ্য সংকটে দেখা দিব পাৰে। ইয়াৰ উপৰিও পানীৰ অভাৱে সামাজিক সংঘাতৰ সৃষ্টি কৰাৰো আশংকা আছে। এই সংকটৰ মোকাবিলা কৰাটো এতিয়া ব্যক্তিগত, সামাজিক আৰু ৰাষ্ট্ৰীয়— তিনিটা স্তৰৰে দায়িত্ব। বৃক্ষৰোপণ আৰু বনাঞ্চল সংৰক্ষণ, জলাশয়ৰ পুনৰুদ্ধাৰ, সোণালী কৃষিৰ প্ৰচলন, নৱীকৰণযোগ্য শক্তিৰ ব্যৱহাৰ বৃদ্ধি, আৰু সাধাৰণ মানুহৰ মাজত সজাগতা সৃষ্টি— এইবোৰেই হ'ল আমাৰ গ্ৰহণ কৰিবলগীয়া প্ৰধান পদক্ষেপ। চৰকাৰে ইয়াৰ লগত জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ সীমিত কৰাৰ বাবে কঠোৰ নীতি প্ৰণয়ন আৰু কাৰ্যকৰী কৰাটো অতি প্ৰয়োজন। অক্টোবৰৰ শেষলৈকে অহা ৰ'দে আমাক এবাৰটো ভাবিবলৈ বাধ্য কৰিছে— পৰিৱেশৰ প্ৰতি আমাৰ কৰ্তব্যৰ কথাটো। জলবায়ু পৰিৱৰ্তন আতংকবাদী কল্পনা নহয়, ই আমাৰ ঘৰৰ দুৱাৰদলিত থকা এক জীৱন্ত সত্য। আমাৰ বৰ্তমানৰ কাৰ্যই আমাৰ ভৱিষ্যতৰ আকৃতি নিৰ্ধাৰণ কৰিব। সেয়েহে, সময় থাকোঁতেই সক্ৰিয় হোৱা উচিত। নহ'লে, আমাৰ ভৱিষ্যত প্ৰজন্মই আমাক ক্ষমা নকৰিব।

আজিৰ পৰা তিনি দশকৰ পূৰ্বে মই যেতিয়া মাৰোৱাৰী যুৱ মঞ্চৰ প্ৰান্তীয় অধ্যক্ষ হৈ আছিলো সেই সময়তো আমি বহু সংখ্যক বিধৱা ভগ্নীৰ পুনৰ বিবাহ কৰাইছিলো। আৰম্ভণিৰ সময়ত যেতিয়া বিধৱা ভগ্নীসকলৰ বিবাহ হৈছিল সেই সময়ত সমাজৰ জেষ্ঠ ব্যক্তিসকল অথবা মহিলাসকল অনুষ্ঠানত উপস্থিত হৈ তেঁওলোকক উপহাৰ আৰু আশীৰ্বাদ প্ৰদান কৰিছিল। সমান্তৰালভাৱে সেই যুৱকজন তথা পৰিয়ালটোক সাৰ্বজনিকভাৱে অভিনন্দন জনাইছিল যাতে আন আন পৰিয়ালসমূহো আগবাঢ়ি আহিবলৈ উৎসাহিত হৈ পৰে ।

# বিধৱাৰ পুনৰ বিবাহ আৰু নাৰীৰ সন্মান

**প্ৰদীপ খাদৰীয়া**

জ্ঞানপীঠ সন্মানেৰে সন্মানিত অসমীয়া প্ৰখ্যাত সাহিত্যিক ইন্দিৰা ৰয়চম গোস্বামীয়ে ২০০০ চনত বৃন্দাবনৰ বিধৱা মহিলাসকলৰ কৰুণ বাস্তৱ,বিধৱা মহিলাসকলৰ একাকীত্ব,পৰাশ্ৰিতা অৱস্থাৰ চিত্ৰায়ন কৰি এখন গ্ৰন্থ ৰচনা কৰিছিল। নাম আছিল "নীলকণ্ঠব্ৰজ"। পাঠকে গ্ৰন্থখনত পঢ়িলেই অনুভৱ কৰিব পাৰিব এগৰাকী বিধৱাৰ ভয়াবহ জীৱন কাহিনী। পুৰুষৰ আধিপত্যই শোষণ কৰে নাৰীসকলক, যাক লেখকে ব্ৰজত বসবাস কৰা প্ৰেতাত্মা বুলি অভিহিত কৰিছে। আনকি তেওঁলোকৰ হাঁহিও অভিশাপ, তেওঁলোকৰ হাঁহিও ইমানেই কৰ্কশ বুলি কৈছে যে হাঁহিৰ শব্দ হাঁড়ৰ শব্দৰ দৰেহে লাগে। ৰুটি আৰু শিকলিৰে বান্ধ খাই থকা নাৰীসকলৰ এই সত্যই কাহিনীয়ে আপোনাৰো অন্তৰআত্মাক কঁপাই তুলিব। দীনেশ ত্ৰিবেদীয়ে ইয়াক হিন্দীলৈ অনুবাদ কৰিছে। ইয়াত ১২৪ টা পৃষ্ঠা আছে আৰু এই গ্ৰন্থখন পঢ়িলে পাঠকসকল বাকৰুদ্ধ হৈ পৰিব।

হিন্দু বিধৱা পুনৰ বিবাহ আইন ১৮৫৬ চনত গৃহীত কৰাত বঙ্গৰ সমাজ সংস্কাৰক ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰৰ মহান অৱদান সকলোৱে স্বীকাৰ কৰে। আজিৰ পৰা প্ৰায় ১৭০ বছৰ পূৰ্বে তেওঁ এই আইনখন গৃহীত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। যাৰ বাবে বিধৱাসকলে আইনগত ভাৱে পুনৰ বিবাহৰ অধিকাৰ লাভ কৰিবলৈ সক্ষম হৈছিল ।বৃটিছৰ শাসন কালৰ সমাজ সংস্কাৰৰ ক্ষেত্ৰত এই বিধৱা বিবাহ আইন প্ৰচলন কৰোৱাতোৱেই সময়োচিত প্ৰথম পদক্ষেপ হিচাপে চিহ্নিত হৈছে। ইয়াৰ পূৰ্বে বিধৱাসকলে পুনৰ বিবাহত বহাৰ কোনো অনুমতি সমাজে দিয়া নাছিল। সেই সময়ৰ বহুকেইগৰাকী লেখকে বৃন্দাবনৰ বিধৱাসকল আৰু বিবাহ বিচ্ছেদ হোৱা মহিলা সকলক কৰা বৰ্বৰ আৰু কঠোৰ শোষণ, নিপীড়ন আশ্ৰয়হীন অৱস্থাৰ কথা ধৰ্মৰ ভিত্তিত উল্লেখ কৰিছিল। বৃন্দাবনক বিধৱাৰ নগৰ বুলি কোৱা হয়। বৃন্দাবনৰ আশ্ৰমত এতিয়াও ১৫ ৰ পৰা ২০ হাজাৰ বিধৱা মহিলাই আশ্ৰয় গ্ৰহণ কৰি আছে ।



হিন্দু সমাজত বিধৱা বিবাহক সামাজিক ন্যায়,মানৱ অধিকাৰ আৰু ব্যক্তিগত স্বতন্ত্ৰতাৰ ওপৰত ভিত্তি কৰি স্বীকৃতি দিয়া হৈছে। বিধৱাসকলক সমাজৰ অসহায় আৰু দৰিদ্ৰ হিচাপে চিহ্নিত কৰা হৈছিল আৰু পুনৰ বিবাহৰ বাবে সমাজে অনুমতি দিয়া নাছিল। কিন্তু ১৮৫৬ চনত আইনগতভাৱে বিধৱা বিবাহে স্বীকৃতি লাভচ কৰিলে যদিও বহু সমাজে এতিয়াও ইয়াক সহজভাৱে ল'ব পৰা নাই ।যদিও বিধৱা বিবাহক স্বীকৃতি দিয়াতো তেঁওলোকৰ জীৱনক শুদ্ধৰোৱা আৰু অধিক ন্যায়সঙ্গত সমাজবাদী সমাজ নিৰ্মাণ কৰাক উদগনি দিয়াটোৱেই বুজাই।

১/ সামাজিক ন্যায়-বিধৱা বিবাহে তেঁওলোকক সামাজিক বহিষ্কাৰ আৰু ভেদভাৱৰ পৰা ৰক্ষা কৰে।

২/ মানৱাধিকাৰ-প্ৰতিজন ব্যক্তিৰে বিবাহ কৰোৱাৰ আৰু নিজৰ জীৱন সঙ্গী নিৰ্বাচন কৰাৰ মৌলিক অধিকাৰ আছে। তেঁওলোকক এই অধিকাৰৰ পৰা বঞ্চিত কৰিব নোৱাৰি।

৩/ মানৱীয় দৃষ্টিভঙ্গী-পুৰণি ধাৰ্মিক মান্যতা,পুৰণিকলীয়া বিচাৰধাৰা আৰু মাণদণ্ডৰ ৰক্ষাৰ নামত অকলশৰীয়া,অভাৱী আৰু সামুহিক শোষণৰ আহিলা হ'বলৈ বাবে বাধ্য কৰোৱাতো অমানৱীয়। তেঁওলোকৰো সুখী হৈ থকা আৰু নিজৰ পৰিয়াল গঢ়াৰ অধিকাৰ আছে।

৪/ সামাজিক পৰিৱৰ্তন-বিধৱা বিবাহে পুৰণিকলীয়া বিচাৰধাৰা আৰু পৰম্পৰা সমূহক প্ৰত্যাহ্বান জনোৱাৰ লগতে এটা সুন্দৰ পৰিয়াল গঠন কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰে।

৫/ ব্যক্তিগত স্বাধীনতা-প্ৰতিজন মানুহৰে নিজৰ আদৰ্শৰ ভিত্তিত জীৱন জীয়াই থকাৰ অধিকাৰ আছে। নিজৰ জীৱনসংগী নিৰ্বাচন কৰা,নিজৰ সুখৰ সন্ধান কৰা অধিকাৰ সকলোৰে আছে ।এজন পুৰুষৰ যিমান অধিকাৰ আছে সিমান অধিকাৰ এগৰাকী মহিলাৰো আছে।

ভাৰতবৰ্ষৰ ২০১১ চনৰ জনগণনাৰ ভিত্তিত যদি চোৱা হয় বিধৱাৰ সংখ্যা প্ৰায় ৫ কোটি ৬০ লাখ আছে। ইয়াৰ ভিতৰৰে ৭৮% মহিলাৰ আৰু পুৰুষৰ সংখ্যা ১৭.৩%। আনহাতে ৫০ বছৰতকৈ কম আয়ুসৰ মহিলা সংখ্যা প্ৰায় ১২%। পুৰণিকলীয়া সমাজত বিধৱাসকলক অমঙ্গলীয়া বুলি ভৱা হৈছিল । ভাৰতবৰ্ষ বিশ্বৰ ভিতৰতে সকলোতকৈ বেছি বিধৱা থকাৰ দেশ, কোৱা হয় বিধৱা হোৱাৰ পাছৰ ২য়টো বছৰ বহু কঠিন হৈ পৰে। সময়ৰ পৰিৱৰ্তনৰ সমান্তৰালভাৱে সমাজব্যৱস্থাৰ বাবে সকলোতকৈ প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিছে ক্ৰমাগতভাৱে বৃদ্ধি পাবলৈ আৰম্ভ কৰা বিবাহ বিচ্ছেদৰ ঘটনা । পৃথিৱীৰ ভিতৰত সকলোতকৈ কম বিবেহ বিচ্ছেদৰ ঘটনা ভাৰতত হয় তাৰ পাছতো জনসংখ্যাৰ ১% বিবাহ বিচ্ছেদ ভাৰতত হ'বলৈ আৰম্ভ কৰিছে। ভাৰতত সকলোতকৈ বেছি ১৮.৭% বিবাহ বিচ্ছেদ মহাৰাষ্ট্ৰত আৰু ১০.৭% বিবাহ বিচ্ছেদ কৰ্ণাটকত হয়। আমেৰিকাত বিবাহ বিচ্ছেদৰ হাৰ ২৩.২৬%। বিবাহ বিচ্ছেদৰ দুখে ভাৱনাত্মক,মনোবৈজ্ঞানীক আৰু সামাজিক ভাৱে ক্ৰিয়া কৰে। বিবাহ বিচ্ছেদৰ পাছত পুৰুষ সকলৰ তুলনাত মহিলাসকল বেচিকৈ লোকচানৰ সন্মুখীন হ'বলগীয়া হয়। এটা সময় আছিল যেতিয়া মহিলাসকল কেৱল নিজৰ অধিকাৰক লৈ সচেতন হৈ থকাই নাছিল,শিক্ষিত আছিল আৰু আৰ্থিকভাৱে স্বাৱলম্বী আছিল। পিতৃ-মাতৃয়ে নিজে ভৱাৰ ধৰণেই তেঁওলোকক বিবাহ দিছিল। আগৰ সময়ত এগৰাকী মহিলাক বিয়াৰ পাছত কাৰ্যত যে এজনী গাইৰ দৰেই শহুৰেকৰ ঘৰৰ এটা খুটাত বান্ধি দিয়া হৈছিল ।তাৰ পাছত বহু কঠিন পৰিস্থিতিৰ পাছতো জীৱনজুৰি সেই খুটাতোটে বান্ধ খাই থাকি নিজৰ কৰ্তব্য পালন কৰিছিল যাতে নিজৰ পৰিয়াল তথা পিতৃ-মাতৃ সমাজৰ সন্মুখত হেয় প্ৰতিপন্ন হৈ নাযায়।

সময় লাহে লাহে পাৰ হৈ গৈ থাকিল। ব্ৰহ্মপুত্ৰয়েদি বহু পানী বাগৰিল। একেদৰেই মহিলাসকলৰ মাজতো নিজৰ স্থিতিৰ বৃহৎ পৰিৱৰ্তন ঘটিল। এতিয়া মহিলাই ৰাজনীতিৰ পৰা আৰম্ভ কৰি সেনাবাহিনীলৈকে নিজৰ প্ৰভুত্ব বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। অনাগত সময়ত হয়তো আৰু পৰিৱৰ্তন দেখিবলৈ পোৱা যাব। কাৰ্যত বিধৱাই হওক বা বিবাহ বিচ্ছেদিতা মহিলাই হওক এই ক্ষেত্ৰত গভীৰভাৱে পুনৰ অৱলোকন কৰাৰ আৱশ্যকতা আহি পৰিছে।

এতিয়া আহোঁ অসমৰ প্ৰক্ষাপটলৈ । সৰুৰে পৰা দেখি আহিছো অসমীয়া সমাজত এগৰাকী ছোৱালীক অথবা এগৰাকী মহিলাক কেনেদৰে আদৰ, সন্মান অথবা মৰম দিয়া হয়। ভাৰতীয় আন সমাজৰ তুলনাত অসমীয়া সমাজত মহিলা বা এগৰাকী ছোৱালীক বহু বেচিকৈ সংবেদনশীল ভাৱে আদৰ যত্ন আৰু সন্মান দিয়া হয়।এগৰাকী কন্যা সন্তানৰ শিক্ষাৰ ক্ষেত্ৰত স্বাধীনতা সৰুৰে পৰাই দিয়া হয়। সন্তান লালন-পালন কৰাৰ ক্ষেত্ৰতো পৰিয়ালৰ মাজত ল'ৰা বা ছোৱালী বুলি কোন কোনো ভেদভাৱ কৰা পৰিলক্ষিত নহয়। বিবাহৰ ক্ষেত্ৰতো কন্যা গৰাকীৰ ইচ্ছা অনিচ্ছাৰ ওপৰতো আদৰ তথা সন্মানপূৰ্বক ভাৱে গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হয়।এগৰাকী মহিলাক চাকৰি কৰাৰ ক্ষেত্ৰতো স্বাধীনভাৱে সিদ্ধান্ত লোৱাৰ অধিকাৰ দিয়া হয়,এই ক্ষেত্ৰত মহিলাসকল কোনো বাধাৰ সন্মুখীন হ'ব লগা নহয়। ইমানখিনি স্বাধীনতা দিয়াৰ পাছতো কিন্তু বিধৱা বিবাহ বা পুনৰ বিবাহৰ বিষয়টো অসমীয়া সমাজে সহজভাৱে এতিয়াও স্বীকাৰ কৰি ল'ব পৰা নাই।

যিটো সমাজখনৰ বাবে এতিয়াও এটা বৃহৎ প্ৰত্যাহ্বান হৈ আছে। কিন্তু ইয়াৰ বিপৰীতে অসমৰ মাৰোৱাৰী সমাজে এই ক্ষেত্ৰত উদাৰ দৃষ্টিভঙ্গী লোৱা পৰিলক্ষিত হয়। মাৰোৱাৰী সমাজৰ লোকসকলে টকা-পইচাক প্ৰধান হিচাপে গণ্য কৰে। তেঁওলোকৰ দৃষ্টিভঙ্গীত এই সমাজখন পিছপৰা,পুৰনি পৰম্পৰাক কেন্দ্ৰ কৰি চলি থকা এখন সমাজ। আজিৰ পৰা ৫০/ ৬০ বছৰৰ পূৰ্বৰ সমাজৰ পৰ্দা প্ৰথা, যৌতুক, স্ত্ৰী-শিক্ষা,বোৱাৰীক কৰা প্ৰতাৰণা,বিধৱা বিবাহ আদি প্ৰত্যাহ্বানৰ সৈতে যুঁজি আছে । কিন্তু সময়ৰ লগে লগেই নিজৰ সংস্থা সমূহৰ মাধ্যমেৰে এই প্ৰত্যাহ্বান সমূহৰ ক্ষেত্ৰত বহুখিনি সমাধানৰ পথ বিচাৰি পাইছে। স্ত্ৰী-শিক্ষাৰ হাৰ উৰ্দ্ধগামী হৈছে, যৌতুক আৰু পৰ্দা প্ৰথা প্ৰায় সমাপ্ত হৈছে । বিধৱা বিবাহকো সমাজখনে সহজেই স্বীকাৰ কৰি লৈছে ।

আজিৰ পৰা তিনি দশকৰ পূৰ্বে মই যেতিয়া মাৰোৱাৰী যুৱ মঞ্চৰ প্ৰান্তীয় অধ্যক্ষ হৈ আছিলো সেই সময়তো আমি বহু সংখ্যক বিধৱা ভগ্নীৰ পুনৰ বিবাহ কৰাইছিলো। আৰম্ভণিৰ সময়ত যেতিয়া বিধৱা ভগ্নীসকলৰ বিবাহ হৈছিল সেই সময়ত সমাজৰ জেষ্ঠ ব্যক্তিসকল অথবা মহিলাসকল অনুষ্ঠানত উপস্থিত হৈ তেঁওলোকক উপহাৰ আৰু আশীৰ্বাদ প্ৰদান কৰিছিল। সমান্তৰালভাৱে সেই যুৱকজন তথা পৰিয়ালটোক সাৰ্বজনিকভাৱে অভিনন্দন জনাইছিল যাতে আন আন পৰিয়ালসমূহো আগবাঢ়ি আহিবলৈ উৎসাহিত হৈ পৰে । বিধৱা কইনাগৰাকী যি পৰিয়ালৰ বোৱাৰী হৈছিলগৈ সেই ঘৰৰ কন্যাৰ ৰূপত স্বীকাৰ কৰি লৈ জীৱনজুৰি নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰিছিল। মাৰোৱাৰী সমাজত বিধৱা বিবাহ বা পুনৰ বিবাহ এক সাধাৰণ কথাৰ দৰে হৈ পৰিছে আৰু এইয়া কোনো চৰ্চাৰ বিষয় হৈ থকা নাই।

সময় আৰু পৰিস্থিতি অনুসৰি পৰম্পৰা আৰু মান্যতাসমূহ সলনি হৈ থাকে আৰু অনাগত সময়বোৰতো আৰু অধিক সলনি হৈ পৰিব । সময় তীব্ৰ গতিত সলনি হৈছে। পূৰ্বতে যৌথ পৰিয়াল আছিল আৰু এতিয়া একক পৰিয়াল হ'ল। পূৰ্বতে মানুহৰ জীৱনকাল ৪০/৫০ বছৰ আছিল কিন্তু এতিয়া গড় আয়ুস বৃদ্ধি পালে ৭০/৭৫ বছৰলৈকে। পূৰ্বতে সন্তানে পিতৃ-মাতৃক চোৱাচিতা কৰিছিল কিন্তু এতিয়া বৃদ্ধাশ্ৰম সৃষ্টি হ'ল। এই ব্যস্ততাময় জীৱনশৈলীত প্ৰাণীমাত্ৰকেই প্ৰকৃতিৰ অনুৰূপে মাত্ৰ কেৱল সঙ্গীয়েই নহয় তেঁওলোকৰ মাজতো সাংসাৰিক গুণ, সুখ-দুখ, আনন্দ, উদাসীনতা, ক্ৰোধ আৰু ভয়ৰ অনুভৱ কৰাৰ ইচ্ছা জাগৃত হৈ থাকে । এতিয়া এই ভৌতিক সাধনেৰে সংপৃক্ত বাতবৰণত বিধৱা জীবন জীয়াই থকাতো অসম্ভৱৰ দৰে হৈ পৰিছে। পুৰণি পৰম্পৰা অনুসৰি যেতিয়া মহিলাৰ মাহেকীয়া হৈছিল কিছু সময়ৰ বাবে মহিলাগৰাকীক ঘৰতে পৃথককৈ ৰখা হৈছিল।

কিন্তু এতিয়া মহিলাৰ স্বাস্থ্য আৰু অন্যান্য কাৰনত সাৰ্বজনিক সভাত চেনিটেৰী পেড বিতৰণ কৰা হয় আৰু এই বিষয়ৰ ওপৰত চৰ্চাও কৰা হয়। কাৰ্যত এতিয়া সময় আহি পৰিছে সমাজে বিধৱা বিবাহ বা পুনৰ বিবাহক মান্যতা দি সহজে স্বীকাৰ কৰি লোৱাটো। সমান্তৰালভাৱে মহিলাক সন্মানেৰে জীয়াই থকাৰ অধিকাৰ প্ৰদান কৰিব লাগে। সময় আৰু পৰস্থিতি অনুসৰি সমাজে যদি নিজকে সলনি নকৰে তেতিয়া পৰিস্থিতিয়ে সমাজখনক সলায় পেলায় । এয়াই জীৱনৰ সত্য। এতিয়া মহিলাসকল পূৰ্বতকৈ অধিক স্বাৱলম্বী,অ াত্মবিশ্বাসী, পিতৃগৃহৰ সম্পত্তিৰ সমঅধিকাৰ প্ৰাপ্ত আৰু ৰাজনীতিৰ ক্ষেত্ৰত ৩৩% অধিকাৰী।

# লেখক-গৱেষকৰ প্ৰাথমিক কাম

**মিন্টু মিঞ্জুৰ**

দৰাচলতে, গৱেষণা এটা কিয় আৰু কাৰ বাবে কৰা হয়? কেৱল আনুষ্ঠানিক ডিগ্ৰীৰ বাবেই এটা গৱেষণা প্ৰস্তুত কৰা হয়? নে গৱেষণাৰ আঁৰত অন্য উদ্দেশ্য নিহিত হৈ থাকে? যথাৰ্থ, পদ্ধতিগত অনুসন্ধান আৰু উৎসৰ্গীকৃত মনোভাৱেৰে কৰা গৱেষণাই কোনো এটা জাতি বা সমাজৰ আৰ্থ-সামাজিক, সাংস্কৃতিক আৰু বৌদ্ধিক দিশক কিদৰে প্ৰভাৱান্বিত কাৰব পাৰে? এই সমস্ত বিষয়ক খৰচি মাৰি আলোচনা কৰাৰ সময় সমাগত। লগতে গৱেষণা আচলতে কি? পৰিকল্পনা কিদৰে কৰা হয়? গৱেষণাৰ নিৰ্বাচন বিধিসমূহ কি কি? গৱেষণাৰ উদ্দেশ্য, প্ৰকাৰ, তথ্য সংগ্ৰহ প্ৰণালী, ক্ষেত্ৰ অধ্যয়ন, প্ৰাপ্ত তথ্যৰ চূড়ান্ত প্ৰস্তুতকৰণ, তথ্য বিশ্লেষণ, লেখাৰ আচৰণ বিধি, প্ৰসংগ সমল, আদিৰ বিষয়ত বিস্তৃতভাৱে আলোকপাত কৰাৰ প্ৰয়োজনীয়তা আছে।

'গৱেষণা'ৰ ইংৰাজী প্ৰতিশব্দ হ'ল 'Research'। ফৰাচী ভাষাৰ 'Rescarche' শব্দৰ পৰা ইংৰাজী Research শব্দটোৰ নতুনকৈ গঠন হৈছে। Standard Dictionary of the English Language অভিধানৰ মতে, A systematic investigation of some phenomenon. অৰ্থাৎ, "কোনো ইন্দ্ৰিয়গ্ৰাহ্য বস্তুৰ বিধিবদ্ধভাৱে কৰা অনুসন্ধান"। Research শব্দটোক Re আৰু Search ৰূপে ভাগ কৰি অৰ্থ বিচাৰ কৰিলে- Re মানে পুনৰ আৰু Search মানে বিচৰা অৰ্থাৎ সাধাৰণভাৱে পুনৰ বিচৰা বা পুনৰ উপস্থাপন কৰা সম্পৰ্কে বুজায়। গৱেষণা শব্দৰ গুৰিতে সংস্কৃতৰ 'গো', 'গৱ' বা 'গৱেষ' ধাতু। গো শব্দৰ অৰ্থ 'গম্যতে অনেন' অৰ্থাৎ যাৰ দ্বাৰা হৈ যোৱা। ঠিক তেনেদৰে 'গম' শব্দৰ ব্যৱহাৰ আছে। যেনে- গম পোৱা, অৰ্থ বুজি পোৱা। সংস্কৃত 'এষণ' শব্দটোৰ অৰ্থ হৈছে 'অন্বেষণ'। গতিকে 'গৱেষণা' শব্দটোৰ অৰ্থ হ'ল- 'জ্ঞানান্বেষণ'।

আমি যেতিয়া লেখা এটা লিখোঁ; কবিতা, গল্প, উপন্যাস, চিন্তামূলক প্ৰবন্ধ, গৱেষণামূলক লেখা, যিয়েই নহওক লিখিবলৈ লোৱাৰ আগতে লিখাৰ বাবে উপাদান গোটোৱাৰ আগতে ঠিক কৰি লওঁ লিখিব ওলোৱা লেখা বা ৰচনাৰ লক্ষ্য আৰু উদ্দেশ্য। কোনে পঢ়িব আমাৰ এই লেখা? কাৰ বাবে লিখিম এই লেখা? আমাৰ লেখাৰ লক্ষ্য কি? কোন পাঠকসকলে আমাৰ লেখাটো পঢ়িব আৰু কিয় পঢ়িব? পাঠক এজনে কি ধৰণৰ তথ্য বিচাৰে আমাৰ লেখাত? লেখক বা গৱেষকজনে সৰ্বপ্ৰথমে এই কথা জানিব লাগে। অৰ্থাৎ নিজকে সুধিব লাগে।

দ্বিতীয়তে, লেখক বা গৱেষক এজনে অধ্যয়ণ কৰিবৰ বাবে কেইটামান অতি জৰুৰী প্ৰাথমিক সঁজুলিৰ প্ৰয়োজন হয়। তেখেতে কাগজ, কলম, পোঁঞ্চলৰ উপাৰিও প্ৰয়োজন হোৱা আন সঁজুলি কেইপদ হ'ল- কম্পাছ, স্কেল, মেগ্নিফাইং গ্লাছ, চক পেঞ্চিল, কোনো বিষয়ৰ সাঁচ কাগজত উঠাই ল'বৰ বাবে চিয়াঁহী, ৰঙীন পেঞ্চিল বা তেনেধৰণৰ সামগ্ৰী, কেমেৰা, টেপ ৰেকৰ্ডাৰ,



সাধাৰণ ঘড়ী, ষ্টপ তৰাস্থ, কেঁচী, কটাৰী, আঠা আদি সামগ্ৰী।

তৃতীয়তে, এগৰাকী লেখক বা গৱেষকে বৈজ্ঞানিক পদ্ধতিৰ দ্বাৰা পৰীক্ষা-নিৰীক্ষাৰ জৰিয়তে কোনো এক সমস্যা অৰ্থাৎ যিটো বিষয়ত সমস্যা আছে, কিন্তু কোনেও সেই সমস্যা সমাধানৰ বাবে ইতিপূৰ্বে প্ৰণালীবদ্ধ আলোচনা কৰা নাই, সেয়াই গৱেষণা। ইয়াত এক সুপৰিকল্পিত নীতি আছে আৰু এই সুপৰিকল্পিত নীতিক আগবঢ়াই নিয়া প্ৰথম জ্ঞান মাৰ্গৰ যাত্ৰী হৈছে লেখক বা গৱেষকসকল।

চতুৰ্থতে, লেখক বা গৱেষক এজনে লেখা এটা প্ৰস্তুত কৰিবলৈ লওঁতে কেবাটাও গুণ আয়ত্ব কৰিব লাগে-

ক) অধ্যয়ন হৈছে প্ৰথমটো গুণ। লেখা বা গৱেষণা যিহেতু সত্য তথা বৈজ্ঞানিক দৃষ্টিভংগীৰ ওপৰত আধাৰিত, সেয়েহে অধ্যয়ন অবিহনে ইয়াত সফলতা পাব নোৱাৰি।

খ) অধ্যাৱসায় হৈছে দ্বিতীয়টো গুণ। এটা লেখা প্ৰস্তুতকৰণৰ ক্ষেত্ৰত বহুত কথা পঢ়িবলগীয়া, জানিবলগীয়া, শিকিবলগীয়া হয়। কেতিয়াবা সৰু এটাও সত্য সিদ্ধান্তলৈ আহিবলৈ বহু গ্ৰন্থৰ কাষ চাপিবলগীয়া হ'ব পাৰে। সেয়ে, ধৈৰ্য আৰু পৰিশ্ৰম অবিহনে লেখা লিখা সম্ভৱ নহয়।

গ) দৃষ্টিভংগীৰ নৈব্যৰ্দ্ধিকতা লেখা প্ৰস্তুতকৰণত থাকিবলগীয়া আন এটা গুণ। সিদ্ধান্তসমূহৰ ওপৰত ব্যক্তিগত ৰুচি-অভিৰুচিৰ ছাঁ পৰিবলৈ দিব নালাগে।

ঘ) নিৰ্ভুল ভাষা প্ৰয়োগ আৰু বিশুদ্ধতাৰে লিখাৰ অভ্যাস থাকিব লাগে।

ঙ) লেখক বা গৱেষকজন সৎ আৰু সত্যবাদী হ'ব লাগিব। জাতি, ধৰ্ম, ভাষা, সাহিত্য, সংস্কৃতি, ইতিহাস, ৰাজনীতি, অৰ্থনীতি, সমাজনীতি আদি বিষয়বোৰত সঠিক যুক্তিৰে নিজৰ অভিমত দিব পাৰিব লাগিব। কিয়নো, প্ৰকৃত লেখক বা গৱেষকজন সত্যৰ হে পূজাৰী, কোনো বিশেষ ধৰ্ম-বৰ্ণ-ভাষা-জাতি সংস্কৃতিৰ পূজাৰী নহয়। তেওঁৰ প্ৰধান কাম হ'ল- সত্য অন্বেষণ আৰু তাক যুক্তি সহকাৰে প্ৰতিষ্ঠা কৰা।

চ) কাৰোবাৰ অপ্ৰিয়ভাজন হোৱাৰ ভয়ত যদি লেখক গৱেষকজন সত্যৰ পৰা আঁতৰি আহে, তেন্তে তেওঁ পৰৱৰ্তী বা সমসাময়িক সমালোচকৰ তীক্ষ্ণ সমালোচনাৰ সন্মুখীন হ'ব লাগিব। অধ্যয়নত প্ৰাপ্ত তেওঁৰ কথাখিনি বলিষ্ঠ যুক্তি আৰু অকাট্য প্ৰমাণেৰে নিৰ্ভীকভাৱে উপস্থাপন কৰিব পাৰিব লাগিব।

ছ) লেখা বা গৱেষণা ৰোমান্তিক প্ৰেমৰ দৰে হ'ব লাগে। যিদৰে প্ৰেমত পৰা লোকে দিনে নিশাই প্ৰেমত মছগুল হৈ থাকে, তেনেদৰে গৱেষণা কাৰ্য প্ৰেমৰ দৰেই ধৰি লৈ দিনে নিশাই সেই কথাকেই ভাবিব পৰা হ'ব লাগে। গৱেষণা কাৰ্যৰ প্ৰেমত পৰা লোকে সদায় উচ্চস্তৰৰ গৱেষণা কৰিব পাৰে।

বিষয় নিৰ্বাচনৰ সময়ত আয়তনৰ দিশটো যিদৰে মনত ৰাখিব লাগে, ঠিক তেনেদৰে নিৰ্ধাৰিত সময়ৰ ভিতৰত যাতে গৱেষণা সম্পন্ন হয়, তাৰো দৃষ্টি ৰাখিব লাগে। কিয়নো, গৱেষণাৰ মান গুণৰ ওপৰত নিৰ্ভৰশীল, আয়তনৰ ওপৰত নহয়। মুঠতে লেখাটো উন্নত মানৰ আটকধুনীয়া কৰাৰ প্ৰযত্ন কৰিব লাগে।



# জুবিন গাৰ্গক লৈ ৰাজনীতি বন্ধ কৰক

**চন্দন কুমাৰ নাথ**

অসমীয়া সংগীত জগতৰ অন্যতম উজ্জ্বল নক্ষত্ৰ, কোটি কোটি অনুৰাগীৰ হৃদয়ৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গ। তেওঁ কেৱল এজন গায়ক বা সুৰকাৰেই নাছিল, বৰং অসমীয়া সমাজৰ এক স্পন্দন, ডেকা প্ৰজন্মৰ সাহস আৰু সকলো শ্ৰেণীৰ লোকৰ মাজত থকা এক আবেগ আছিল। জুবিনৰ শেহতীয়া দুৰ্ঘটনাজনিত মৃত্যুৰ পিছৰে পৰা সমগ্ৰ অসম শোকাচ্ছন্ন হৈ পৰিছে, আৰু এই শোকৰ মাজতো এটা অতি দুৰ্ভাগ্যজনক আৰু লজ্জাজনক ঘটনা ক্ৰমে প্ৰকট হৈ উঠিছে - সেয়া হৈছে প্ৰয়াত শিল্পীগৰাকীক লৈ ৰাজনৈতিক দলসমূহৰ সস্তীয়া ৰাজনীতি।

জুবিন গাৰ্গ জীৱিত কালত যিদৰে সমাজৰ প্ৰতিটো সমস্যাৰ বিৰুদ্ধে মাত মাতিছিল, সেয়াই তেওঁক জনতাৰ আপোন কৰি তুলিছিল। তেওঁ কেতিয়াও কোনো এটা দলৰ অনুগত হৈ নাথাকিল, বৰং নিজৰ স্বাধীন চিন্তা আৰু সাহসৰে সকলো অন্যায়ৰ বিৰুদ্ধে থিয় দিছিল। তেওঁৰ সেই জনপ্ৰিয়তা আৰু সাহসকেই এতিয়া ৰাজনৈতিক দলসমূহে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে ব্যৱহাৰ কৰিবলৈ চেষ্টা চলাইছে। বিভিন্ন দলৰ নেতাসকলে জুবিনক লৈ "ময়ো জুবিন", "আমিও জুবিন" আদি শ্লোগান আওৰাইছে, তেওঁৰ মৃত্যুৰ ন্যায় বিচৰাৰ নামত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছে, আৰু ইজনে সিজনক দোষাৰোপ কৰিছে। এই ৰাজনীতিয়ে জুবিনৰ প্ৰতি থকা জনগণৰ গভীৰ মৰম আৰু শ্ৰদ্ধাক অপমান কৰিছে। এজন মহান শিল্পীৰ বিদায়ৰ পাছত প্ৰথম কৰণীয় কাম আছিল দল-মত নিৰ্বিশেষে একত্ৰিত হৈ তেওঁৰ কৰ্মৰাজিৰ প্ৰতি শ্ৰদ্ধা জনোৱা আৰু তেওঁৰ ন্যায়ৰ বাবে শান্তিপূৰ্ণভাৱে চৰকাৰক সহযোগিতা আগবঢ়োৱা। কিন্তু তাৰ পৰিৱৰ্তে আমি দেখিলোঁ এক নিকৃষ্ট ৰাজনৈতিক প্ৰতিযোগিতা। এই প্ৰতিযোগিতাৰ মাজেৰে ৰাজনৈতিক দলসমূহে দৰাচলতে জুবিনৰ নামত জনসাধাৰণৰ আবেগক ভোটবেংকত পৰিণত কৰিব বিচাৰিছে। এই কাৰ্যই কেৱল অসমৰ ৰাজনৈতিক পৰিৱেশকে বিনষ্ট কৰা নাই, বৰং শিল্পীগৰাকীৰ প্ৰতি থকা জনসাধাৰণৰ আন্তৰিকতাকো হেয় কৰিছে।

জুবিন গাৰ্গ আছিল অসমীয়া জাতিৰ এক বিশাল সম্পদ। তেওঁৰ সংগীত, তেওঁৰ চিন্তা-ধাৰা আৰু তেওঁৰ ব্যক্তিত্ব সদায় প্ৰেৰণাৰ উৎস হৈ থাকিব। তেওঁৰ মৃত্যুৰ তদন্তৰ বিষয়টো অতি স্পৰ্শকাতৰ আৰু ইয়াৰ উচিত তদন্ত হোৱাটো অতি জৰুৰী। কিন্তু তদন্ত চলি থকাৰ মাজতে ৰাজনৈতিক উদ্দেশ্যৰে ইজনে সিজনৰ ওপৰত বোকা ছটিওৱা, ভিত্তিহীন মন্তব্য কৰা বা সাম্প্ৰদায়িক ৰহণ সনাৰ প্ৰয়াস কৰাটো কোনো সুস্থ সমাজৰ কাম হ'ব নোৱাৰে। এনে ৰাজনীতিয়ে তদন্ত প্ৰক্ৰিয়াতো বাধা দিব পাৰে আৰু মূল বিষয়ৰ পৰা জনসাধাৰণৰ মন আঁতৰাই নিব পাৰে। জুবিন গাৰ্গৰ অনুৰাগীসকলৰ প্ৰতিটো প্ৰতিবাদী পদক্ষেপ, তেওঁলোকৰ প্ৰতিটো দাবী ন্যায্য। তেওঁলোকে নিজৰ প্ৰিয় শিল্পীৰ ন্যায় বিচাৰিছে, কোনো ৰাজনৈতিক স্বাৰ্থৰ বাবে নহয়। সেয়েহে, ৰাজনৈতিক দলসমূহলৈ আমাৰ আহ্বান, এজন স্বাভিমানী শিল্পীৰ মৃত্যুৰ আধাৰত নিজৰ নিকৃষ্ট ৰাজনীতি বন্ধ কৰক। জুবিন গাৰ্গ কোনো এটা দলৰ সম্পত্তি নহয়, তেওঁ অসমীয়া জাতিৰ আত্মাৰ প্ৰতিনিধি।

সকলো ৰাজনৈতিক নেতা আৰু দলৰ বিষয়ববীয়াসকলে এইটো বুজি লোৱা উচিত যে জুবিনৰ এই দুৰ্ভাগ্যজনক মৃত্যুক লৈ ৰাজনীতিৰ খেল বন্ধ কৰি, তেওঁৰ ন্যায়ৰ বাবে এক সুস্থিৰ আৰু সহযোগিতাৰ পৰিৱেশ সৃষ্টি কৰক। জুবিনক কেৱল শ্লোগান বা পোষ্টাৰত সীমাবদ্ধ নাৰাখি, তেওঁৰ কৰ্মৰাজিৰ সঠিক মূল্যায়ন আৰু সন্মানেৰে তেওঁক চিৰদিন জীয়াই ৰাখিবলৈ চেষ্টা কৰক। তেওঁৰ ন্যায়ৰ যুঁজত জনসাধাৰণৰ আবেগক উচটনি নিদি শান্তিপূৰ্ণ ভাৱে আগবঢ়াবলৈ সহায় কৰক। এজন প্ৰাণৰ শিল্পীৰ প্ৰতি এয়াই হ'ব আটাইতকৈ ডাঙৰ শ্ৰদ্ধাঞ্জলি। জুবিনক লৈ ৰাজনীতি বন্ধ হওক, তেওঁৰ কৰ্মই শান্তি পাওক।

## সত্ৰীয়া জীৱন শৈলী, সত্ৰীয়া সংস্কৃতি, মাজুলীৰ চহকী সাতামপুৰুষীয় সংস্কৃতি দেখি আপোন-পাহৰা পৰ্যটকৰ দল

# শৰতৰ আগমনত প্ৰাণচঞ্চলা মাজুলীত দেশী-বিদেশী পৰ্যটকৰ ভিৰ

**অসম বাৰ্তা, উজনী মাজুলী, ২৩ অক্টোবৰ ঃ** শৰতৰ আগমনৰ লগে লগে বান বিভীষিকা, এশ এবুৰি সমস্যাৰে জৰ্জৰিত মাজুলীবাসীয়ে পাহৰি যায় সকলো দুখ-কষ্ট। কাৰণ শৰৎ মানেই মাজুলীত শাৰদীয় উৎসৱৰ বতৰ। শৰৎ অহাৰ লগে লগেই নদীদ্বীপ মাজুলীয়ে ন-ৰূপত প্ৰাণ পাই উঠে। বুঢ়ালুইতৰ বক্ষত অৱস্থিত সত্ৰদ্বীপ মাজুলীৰ প্ৰাকৃতিক সৌন্দৰ্য আৰু সাংস্কৃতিক পৰিৱেশে হাতবাউলী মাতে দেশী-বিদেশী পৰ্যটকক। আগন্তুক ১২ নৱেম্বৰৰ পৰা আৰম্ভ হ'বলগীয়া মাজুলীৰ আউনীআটী সত্ৰৰ মহাপালনাম আৰু ৪ নৱেম্বৰৰ পৰা আৰম্ভ হ'বলগীয়া শাৰদীয় ৰাসোৎসৱক লৈ লক্ষ্মী পূৰ্ণিমাৰ দিনটোৰ পৰাই মাজুলীৰ সকলো ৰাইজৰ ব্যস্ততাৰ যেন অন্ত নাই। সকলোৱে আগন্তুক ৰাসোৎসৱৰ প্ৰস্তুতিত নিমগ্ন হৈ পৰাৰ মাজতে মাজুলীলৈ আগমন ঘটে দেশী-বিদেশী পৰ্যটকৰ। অৱশ্যে লক্ষ্মী পূজাৰ দিনটোৰ পৰাই মাজুলীৰ ৰাসৰ নাটমেলা পৰ্ব আনুষ্ঠানিকভাৱে আৰম্ভ হোৱা দিনটোৰ পৰাই মাজুলীত ইটোৰ পাছত সিটো দেশী-বিদেশী পৰ্যটকৰ ভিৰ বাঢ়ে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অনাকাংক্ষিত মৃত্যুৰ পিছত সৃষ্টি হোৱা শোকবিহ্বল পৰিৱেশৰ মাজতে শাৰদীয় উৎসৱৰ প্ৰস্তুতিও সমান্তৰালভাৱে মাজুলীবাসীয়ে অব্যাহত ৰাখিছে। সমগ্ৰ মাজুলীতে আগন্তুক ৰাসোৎসৱৰ আখৰাই পূৰ্ণ ৰূপ পোৱাৰ সময়তে পূৰ্বৰ দৰে ইটোৰ পাছত সিটো পৰ্যটকৰ দল মাজুলীত উপস্থিত হৈ মাজুলীৰ শৰৎ সৃষ্ট পৰিৱেশত নিজকে বিলীন কৰি দিয়া পৰিলক্ষিত হৈছে। স্বাভাৱিকতে পৰ্যটকৰ বাবে বিশ্বৰ অন্যতম আৰ্কষনীয় ঠাই হ'ল মাজুলী। মাজুলীলৈ বিগত বৰ্ষত ডেৰ লক্ষাধিকতকৈয়ো অধিক পৰ্যটকৰ আগমন হৈছিল। বিশেষকৈ ফ্ৰান্স, পৰ্টুগাল, জাৰ্মানী, ইংলেণ্ড, অষ্ট্ৰেলিয়া, পোলেণ্ড, চেক ৰিপাব্লিক, আমেৰিকা আদি দেশৰ পৰ্যটক সকল মাজুলীলৈ বেছিকৈ আগমন ঘটে। পৰ্যটক সকলে মাজুলীলৈ আহি সেউজীয়া প্ৰাকৃতিক পৰিৱেশ আৰু বিশুদ্ধ বায়ু, নতুন চামগুৰি সত্ৰৰ মুখা শিল্প, শালমৰাৰ মৃৎ শিল্প, সত্ৰীয়া নৃত্যৰ লগতে শাৰদীয় মূল উৎসৱ ৰাস, আউনীআটী সত্ৰৰ পালনাম আৰু আকাশ বন্তি প্ৰজ্বলন আদি প্ৰত্যক্ষ কৰাটো যেন অনন্য এক হেঁপাহ থাকে। ইয়াৰ উপৰিও মাজুলীৰ সত্ৰৰ লগতে বিভিন্ন অনুষ্ঠান সমূহৰ সংৰক্ষিত সম্পদেও পৰ্যটক সকলক আকৃষ্ট কৰে। যাৰ বাবে মাজুলীত আহি আপোন পাহৰা হৈ পৰে বিদেশী পৰ্যটক সকল। শেহতীয়াকৈ ১৪ অ''বৰত আমেৰিকা আৰু অষ্ট্ৰেলিয়াৰ পৰা অহা পৰ্যটকৰ এটি দলে মাজুলীত উপস্থিত হৈ মাজুলীৰ বিনন্দীয়া পৰিৱেশৰ লগতে সত্ৰীয়া সংস্কৃতি দৰ্শন কৰে। বিদেশী পৰ্যটকৰ দলটোৱে ক্ৰমে আউনীআটী সত্ৰ, উত্তৰ কমলাবাৰী সত্ৰ, নতুন চামগুৰি সত্ৰৰ লগতে মাজুলীৰ প্ৰায়কেইখন সত্ৰ পৰিভ্ৰমণ কৰি মাজুলীৰ সত্ৰীয়া জীৱন শৈলী, সত্ৰীয়া সংস্কৃতি দৰ্শন কৰি আপ্লুত হৈ পৰাৰ লগতে মাজুলীৰ চহকী সাতামপুৰুষীয় সংস্কৃতি দেখি আপোন পাহৰা হৈ পৰে বিদেশী পৰ্যটকৰ দলটো।

## যুৱ জেড পি এম ৰাজীৱ ৰাংছাই আগবঢ়োৱা নেতৃত্বত কৈমই গাঁৱে লাভ কৰিলে "শ্ৰেষ্ঠ পৰ্যটন গাঁও"ৰ বঁটা

# অৰুণাচলৰ কৈমই গাঁও-পৰ্যটকৰ পৰৱৰ্তী গন্তব্যস্থান

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৩ অক্টোবৰ ঃ** প্ৰকৃতিৰ অফুৰন্ত সৌন্দৰ্যৰ মাজত সেউজীয়া পাহাৰৰ আবেষ্টনিত থকা, পুৱ অৰুণাচলৰ লংডিং জিলাৰ কাইময় গাঁওখনৰ বিষয়ে বহিঃ বিশ্বৰ অতি কম লোকহে অৱগত। ক'বলৈ গ'লে এই গাঁওখন এখন সাধাৰণ গাঁও, যিখন শেহতীয়াভাৱে যোৱা ২৭ ছেপ্টেম্বৰৰ বিশ্ব পৰ্যটন দিৱসৰ উপলক্ষে ৰাজ্যিক পৰ্যটন দপ্তৰে শ্ৰেষ্ঠ পৰ্যটন গাঁৱৰ বঁটাৰে সন্মানিত কৰিছে। গাঁওখনত থকা পৰ্যটন বিকাশৰ অনেক সম্ভাৱনাৰ দিশটো উন্মোচন হয় গাঁওখনলৈ যোৱা এক যাত্ৰাৰ যোগেদি। লংচান জিলা পৰিষদৰ সদস্য তথা তৰুণ আৰু কৰ্মস্পৃহাৰ যুৱক ৰাজীৱ ৰাংচাৰ নেতৃত্বত এই সন্মানীয় বঁটা পোৱাৰ পিছত গাঁৱৰ লোকসকলৰ উৎসাহ বহুগুণে বাঢ়ি গৈছে আৰু এতিয়া তেওঁলোকে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় স্তৰলৈ তেওঁলোকৰ গাঁওখনক উন্নীত কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হৈছে। শ্ৰেষ্ঠ পৰ্যটন গাঁও-২০২৫ৰ বঁটা লাভ কৰাৰ পিছত গাঁৱলৈ অহা পৰ্যটক সকলক কেনেকৈ আদৰণি জনোৱা হ'ব তাৰ প্ৰস্তুতি সম্পৰ্কে আলোচনা কৰিবলৈ কাইময় গাঁৱৰ গাঁও পঞ্চায়তৰ সদস্য গাংপান পানছাৰ সভাপতিত্বত গাঁওসভা অনুষ্ঠিত হয়। সভাত গাঁও পৰ্যায়ৰ পৰ্যটন বিকাশ সমিতি, মহিলা সাংস্কৃতিক গোট, আদৰণি তোৰণ, কানুবাৰী চেকপইণ্ট, ডিব্ৰুগড় বিমানবন্দৰ, লংডিং নগৰ আদিত চিনেব'ৰ্ড স্থাপন, হ'মষ্টে নিৰ্মাণ, চৰাই চাবলৈ উপযুক্ত ট্ৰেকিং ৰুট, বাঁহৰ কাপ-মগ আদিৰ দৰে পৰিৱেশ অনুকূল সামগ্ৰীৰ ব্যৱহাৰ আদি বহুতো বিষয়ৰ ওপৰত আলোচনা কৰা হয়। সভাত উপস্থিত লংডিঙৰ জিলা পৰ্যটন বিষয়া তানিউপ ক'পাকে ৱানচো জনগোষ্ঠীৰ জীৱন্ত সাংস্কৃতিক সংৰক্ষণ আৰু ঐতিহ্য আৰু ইয়াৰ স্থায়িত্বৰ ওপৰত বক্তব্য আগবঢ়ায়। গাঁও সভাত লংচান আঞ্চলিক ব্লকৰ জিলা পৰিষদৰ সদস্য ৰাজীৱ ৰাংছা, জনস্বাস্থ্য অভিযান্ত্ৰিক দপ্তৰৰ জিলা পৰামৰ্শদাতা চোনাই ৰাংপান, জনস্বাস্থ্য অভিযান্ত্ৰিক দপ্তৰৰ ৰাকা শাখাৰ কনিষ্ঠ অভিযন্তা ৱাংৰে ল'ৱাং, গাঁওবুঢ়া, গাঁও পঞ্চায়তৰ সদস্য, গাঁও পানী আৰু অনাময় সমিতি, কাইময় পৰ্যটন সমিতি, গাঁও বিকাশ সমিতি, কাইময় মহিলা সমিতি, কাইময় ছাত্ৰ সংঘ, গাঁও যুৱ সমিতি আদিয়ে অংশগ্ৰহণ কৰিছিল। গাঁও সভাত কাইময় গাঁৱৰ কৰ্তৃপক্ষই এক সিদ্ধান্ত গৃহীত কৰি অৰুণাচল প্ৰদেশ খোৱাপানীৰ উৎস সংৰক্ষণ আইন, ২০২৩-২০২৩ৰ ৫ নং আইন অনুসৰি খোৱাপানী উৎস সংৰক্ষণৰ বাবে ঘোষণা কৰে। গাঁৱৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা ৰক্ষাৰ ক্ষেত্ৰত প্ৰতিযোগিতামূলক মনোভাৱ জাগ্ৰত ৰাখিবলৈ গাঁৱৰ ৫টা পৃথক মহিলা গোট গঠন কৰা হৈছিল। এই অনুষ্ঠানত শীৰ্ষ তিনিটা সক্ৰিয় মহিলা গোটক পুৰস্কাৰেৰে সন্মানিত কৰা হয়। বঁটা পোৱা শীৰ্ষ গোটকেইটা ক্ৰমে চিংবানজা কলনি, চিংকাউ কলনি আৰু চিংকে কলনি।

# কচুৱাৰ চাৰি চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, কচুৱা, ২৩ অক্টোবৰ ঃ** নগাঁও আৰক্ষীয়ে জিলাখনৰ কচুৱা অঞ্চলৰ চাৰি চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ কৰিছে। জানিব পৰা মতে যোৱা ১৮ অক্টোবৰৰ সন্ধিয়া আৰক্ষীয়ে এই চাইবাৰ অপৰাধীকেইজনক গ্ৰেপ্তাৰ কৰিছিল যদিও শেহতীয়াকৈ এই কথা পোহৰলৈ আহিছে। নগাঁও আৰক্ষীৰ এটা দলে বৰঘাট বাইপাছত অভিযান চলাই এই চাৰি অপৰাধীক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা যুৱককেইজন কচুৱাৰ আমিৰ উদ্দিন, মেৰাজুল ইছলাম, কুদ্দুছ আলী, ছৰিফ উদ্দিন বুলি জনা গৈছে। আৰক্ষীৰ অভিযানত ধৃত যুৱককেইজনৰ পৰা বহুকেইখন এ টি এম কাৰ্ডৰ লগতে নগদ ধনো আৰক্ষীয়ে জব্দ কৰে। উল্লেখযোগ্য যে কচুৱা অঞ্চলত বিভিন্ন অপৰাধমূলক কাৰ্যত এই চাৰিজন যুৱক জড়িত আছিল। জানিব পৰা মতে কিছুদিনৰ আগতে আদিল পাৰভেজ নামৰ এজন ছাত্ৰক অপহৰণৰ চেষ্টা চলোৱাৰ লগতে মোবাৰক হুছেইন নামৰ এজন ই-ৰিস্কাচালকৰ পৰা ধন কাঢ়ি নিয়া বুলিও ধৃত যুৱককেইজনৰ বিৰুদ্ধে অভিযোগ আছে। যুৱককেইজনক গ্ৰেপ্তাৰ কৰাত কচুৱাত একাংশ সচেতন লোকে নগাঁও আৰক্ষীক ধন্যবাদ জনোৱাৰ লগতে ধৃত যুৱককেইজনক উচিত শাস্তি দিবৰ বাবে আৰক্ষী-প্ৰশাসনৰ ওচৰত দাবী জনাইছে। উল্লেখযোগ্য যে কচুৱাৰ এজন ধৃত যুৱককেইজনৰ বিৰুদ্ধে সাংবাদিকক মাৰধৰ কৰাৰো অভিযোগ আছে।

# জিলা নিয়োগ বিনিময় কেন্দ্ৰ, বৰপেটাৰ উদ্যোগত দক্ষতা উন্নয়ন আৰু বৃত্তিমূলক শিক্ষাৰ মাৰ্গদৰ্শন কাৰ্যসূচী ৰূপায়ণ

**অসম বাৰ্তা, বৰপেটা সদৰ, ২৩ অক্টোবৰ ঃ** আজি অসম চৰকাৰৰ দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ উদ্যোগত আৰু জিলা নিয়োগ বিনিময় কেন্দ্ৰ বৰপেটাৰ সহযোগত এদিনীয়া কাৰ্যসূচীৰে "দক্ষতা উন্নয়ন আৰু বৃত্তিমূলক শিক্ষাৰ মাৰ্গদৰ্শন" বিষয়ক মূল বিষয়বস্তু হিচাপে লৈ বৰপেটা জিলাৰ সদৰ চহৰ অৱস্থিত ঐতিহ্যমণ্ডিত মাধৱ চৌধুৰী মহবিদ্যালয়ত এটি অনুষ্ঠান সম্পন্ন হৈ যায়। জিলা নিয়োগ বিনিময় কেন্দ্ৰ বৰপেটাৰ ভাৰপ্ৰাপ্ত সহকাৰী সঞ্চালক ৰুহুল আমিনে সভাপতিত্ব কৰা অনুষ্ঠানটোত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থকা জিলা নিয়োগ বিনিময় কেন্দ্ৰ গুৱাহাটীৰ নিয়োগ বিষয়া শ্ৰী বিশ্বজিৎ নাথে বৃত্তিমুখী শিক্ষাৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানৰ আৰম্ভণিতে মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত প্ৰকাশ চন্দ্ৰ শৰ্মাই বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানটোৰ শুভাৰম্ভণি কৰে। বন্তি প্ৰজ্বলনৰ পিছতেই অসমৰ জাতীয় সংগীত পৰিবেশন কৰা হয় আৰু সদ্যপ্ৰয়াত সকলোৰে প্ৰাণৰ শিল্পী আমাৰ হিয়াৰ আমঠু জুবিন গাৰ্গলৈ "মায়াবিনী" গীতটোৰে তেখেতলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। জিলা নিয়োগ বিনিময় কেন্দ্ৰ বৰপেটাৰ ভাৰপ্ৰাপ্ত সহকাৰী সঞ্চালক ৰুহুল আমিনৰ আদৰণি ভাষণৰ পিছত মাধৱ চৌধুৰী মহবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰকাশ চন্দ্ৰ শৰ্মাই ভাষণ প্ৰদান কৰে। আজিৰ এই অনুষ্ঠানত জিলাখনৰ কেইবাখনো আগশাৰীৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। ইয়াৰ ভিতৰত উল্লেখযোগ্য শিক্ষানুষ্ঠান সমূহ হ'ল - ১) বৰপেটা চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, ২) দক্ষিণ বৰপেটা বিদ্যামন্দিৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, ৩) বৰপেটা বিদ্যাপীঠ, ৪) বৰপেটা মহাবিদ্যালয়, ৫) ইথোচ জুনিয়ৰ কলেজ, ৬) আম্বেদকাৰ একাডেমী, ৭) আই টি আই বৰপেটা আৰু লগতে উদ্দোগতা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ প্ৰায় ৫ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। আজিৰ এই অনুষ্ঠানত উপস্থিত থাকি সহযোগিতা আগবঢ়াই জিলা নিয়োগ বিনিময় কেন্দ্ৰ নলবাৰীৰ ভাৰপ্ৰাপ্ত নিয়োগ বিষয়া অপূৰ্ব ৰয় আৰু জেষ্ঠ সহায়ক প্ৰবীণ টুমুঙে সহযোগিতা আগবঢ়ায়। নিয়োগ বিষয়া বিশ্বজিৎ নাথে নিজৰ ভাষণত ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত নিয়োগ বিনিময় কেন্দ্ৰৰ পঞ্জীয়নৰ প্ৰয়োজনীয়তা আৰু দক্ষতাৰ প্ৰয়োগেৰে কেনেকৈ সংস্থাপিত হোৱাৰ পথ সন্ধান কৰিব পাৰি সেই সম্পৰ্কে বক্তব্য প্ৰদান কৰে। আজিৰ অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ছাত্ৰ-কল্যাণ পৰিষদৰ সঞ্চালক ড° পৰাগ কুমাৰ বৰ্মন। তেখেতক সহযোগিতা আগবঢ়াই অধ্যাপক ড° দেৱজ্যোতি দত্তই। তেওঁলোকৰ বিজ্ঞান সন্মত দৃষ্টি ভংগী, দিহা পৰামৰ্শ আৰু সঠিক দিক দৰ্শনেৰে সকলোকে আপ্লুত কৰে। আজিৰ এই সমগ্ৰ অনুষ্ঠানটিৰ আঁত ধৰে ভট্টদেৱ বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° জয়জিত ডেকাই। সভাৰ শেষত জিলা নিয়োগ বিনিময় কেন্দ্ৰ বৰপেটাৰ সহকাৰী নিয়োগ বিষয়া শ্ৰী প্ৰাণজিৎ ডেকাই শলাগৰ শৰাই আগবঢ়ায়। সভাৰ শেষত মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী বৃন্দ, জিলা তথ্য আৰু জনসম্পৰ্কৰক্ষী বিভাগ, বৰপেটা প্ৰেছ ক্লাব, যুটীয়া স্বাস্থ্য সঞ্চালকক জিলা নিয়োগ বিনিময় কেন্দ্ৰৰ ফালৰ পৰা বিশেষভাৱে ধন্যবাদ জনায় আৰু ভৱিষ্যতেও এনে সহায় সহযোগিতাৰ কামনা কৰে।

## বিধৱা, অবিবাহিত, বিশেষভাৱে সক্ষম, যোগ্য হিতাধিকাৰীক বঞ্চিত

# আঁচনি বঞ্চিত মহিলাৰ প্ৰতিবাদত কঁপিল নলবাৰীৰ মুকালমুৱা

### বৰক্ষেত্ৰী উন্নয়ন খণ্ডত নজিৰবিহীন দুৰ্নীতি সংঘটিত হৈছেঃ বিধায়ক দিগন্ত বৰ্মন

**অসম বাৰ্তা, দৌলাশাল, ২৩ অক্টোবৰ ঃ** চৰকাৰী বিভিন্ন আঁচনি ৰূপায়ণত ব্যাপক দুৰ্নীতি আৰু অনিয়মৰ অভিযোগত আজি উত্তপ্ত হৈ পৰে মুকালমুৱাস্থিত বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ কাৰ্যালয়। নলবাৰী জিলাৰ বৰক্ষেত্ৰী উন্নয়ন খণ্ডত গ্ৰামোন্নয়ন বিভাগৰ আঁচনিকে ধৰি প্ৰধানমন্ত্ৰী আৱাস যোজনা, অন্ত্যোদয় আঁচনি আৰু খাদ্য সুৰক্ষাৰ আঁচনি ৰূপায়ণত অধিক দুৰ্নীতিৰ অভিযোগ তুলি প্ৰবল প্ৰতিবাদ সাব্যস্ত কৰে। বৰক্ষেত্ৰী ব্লক কংগ্ৰেছৰ উদ্যোগত আজি দুপৰীয়াৰ ভাগত বিভিন্ন চৰকাৰী আঁচনিৰ পৰা বঞ্চিত বৰক্ষেত্ৰীৰ সহস্ৰাধিক মহিলাই প্ৰবল প্ৰতিবাদ সাব্যস্ত কৰে। মুকালমুৱাস্থিত ৰাজীৱ ভৱনৰ পৰা বৰক্ষেত্ৰী ব্লক কংগ্ৰেছে প্ৰতিবাদী কাৰ্যসূচী উলিয়াই বৃহৎ সমদলেৰে বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ কাৰ্যালয়ত উপস্থিত হৈ জোৰদাৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলৰ চৰকাৰ বিৰোধী বিভিন্ন শ্লোগানত উত্তপ্ত হৈ পৰে বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ কাৰ্যালয়। বিধৱা, অবিবাহিত, বিকলাংগকে ধৰি চৰকাৰী আঁচনিৰ পৰা বঞ্চিত যোগ্য মহিলাসকলে দালালৰাজ বন্ধ কৰক, দুৰ্নীতি বন্ধ কৰক, প্ৰকৃত হিতাধিকাৰীক আঁচনিত অন্তৰ্ভুক্ত কৰক ইত্যাদি লিখা বেনাৰ, পোষ্টাৰ হাতে-হাতে লৈ বিজেপি চৰকাৰৰ বিৰুদ্ধে সোচ্চাৰ হৈ পৰে। প্ৰতিবাদী কাৰ্যসূচীত বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মনে অংশগ্ৰহণ কৰি বিজেপি চৰকাৰৰ দুৰ্নীতি আৰু অনিয়মৰ বিৰুদ্ধে গৰজি উঠে। বৰক্ষেত্ৰীত এতিয়া কেৱল দালালৰাজ চলি অহা বুলি বিধায়ক দিগন্ত বৰ্মনে কৈ চৰকাৰ বিজেপি হোৱাৰ সুবাদত বৰক্ষেত্ৰীত বিজেপি নেতা-পালিনেতাৰ কথা মতেই বৰক্ষেত্ৰীৰ কাৰ্যালয়সমূহৰ কাম-কাজ চলি আহিছে বুলিও মন্তব্য কৰে। বৰক্ষেত্ৰী সমষ্টিৰ প্ৰাণকেন্দ্ৰস্বৰূপ মুকালমুৱাত নতুনকৈ নিৰ্মাণ কৰি উলিওৱা লোকনিৰ্মাণ (গৃহ) বিভাগৰ তিনি কৌটি টকীয়া তিনি মহলীয়া পৰিদৰ্শন ভৱনটো বিজেপিৰ কাৰ্যালয়লৈ ৰূপান্তৰিত কৰিছে বুলিও কয় বিধায়ক দিগন্ত বৰ্মনে। বৰক্ষেত্ৰী উন্নয়ন খণ্ডত মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনি চমুকৈ এম.জি.এনৰেগাকে ধৰি গ্ৰামোন্নয়ন বিভাগৰ আঁচনি ৰূপায়ণত কৌটি কৌটি টকাৰ নজিৰবিহীন দুৰ্নীতি সংঘটিত হোৱা বুলিও অভিযোগ কৰি উন্নয়ন খণ্ডৰ দুৰ্নীতি সন্দৰ্ভত ধাৰাবাহিকভাৱে আন্দোলন চলাই যাব বুলিও হুংকাৰ দিয়ে বিধায়ক দিগন্ত বৰ্মনে। শেহতীয়াকৈ প্ৰধানমন্ত্ৰীৰ আৱাস যোজনাৰ জিঅ' টেগিঙত বহু যোগ্য ব্যক্তিক জিঅ' টেগিঙৰ পৰা বঞ্চিত কৰিছে বুলিও মন্তব্য কৰে কংগ্ৰেছী বিধায়ক দিগন্ত বৰ্মনে। এই চৰকাৰে আইন কানুন একো নামানে বুলি কৈ এই চৰকাৰে দুখীয়া মানুহক শোষণ চলাই আহিছে আৰু চৰকাৰৰ কাৰ্যকাল থকালৈকে শোষণ চলাই যাব বুলিও কয় দিগন্ত বৰ্মনে। চৰকাৰৰ বিভিন্ন আঁচনিত যেতিয়ালৈকে বিধৱা, অবিবাহিত, বিকলাংগকে ধৰি যোগ্য মহিলাসকলক অন্ত্যোদয়, ৰেচন কাৰ্ড, প্ৰধানমন্ত্ৰীৰ আৱাস যোজনাৰ আঁচনিত অন্তৰ্ভুক্ত কৰা নহয় তেতিয়ালৈকে আন্দোলন চলি থাকিব বুলিও ঘোষণা কৰে। প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তেই বৰক্ষেত্ৰী উন্নয়ন খণ্ডত সংঘটিত হৈ অহা দুৰ্নীতি সন্দৰ্ভত খণ্ড উন্নয়ন বিষয়া প্ৰকাশ বৰ্মনৰ জৰিয়তেই নলবাৰী জিলা আয়ুক্তলৈ এখন স্মাৰক পত্ৰ প্ৰদান কৰে ব্লক কংগ্ৰেছে। প্ৰতিবাদী কাৰ্যসূচীত বৰক্ষেত্ৰী ব্লক কংগ্ৰেছৰ নৱনিযুক্ত সভাপতি পৰীক্ষিত দাসকে ধৰি যুৱ কংগ্ৰেছ, মহিলা কংগ্ৰেছৰ নেতৃত্ব আৰু আঁচনি বঞ্চিত সহস্ৰাধিক মহিলা উপস্থিত থাকে।

## শোকপ্ৰকাশ আছুৰ উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, সভাপতি উৎপল শৰ্মাৰ

# কবি, সাহিত্যিক মিহিৰ মৌচুম ৰয়ৰ মৃত্যুত শোকবিহ্বল সাহিত্য অনুৰাগী

**ষ্টাফ ৰিপ'ৰ্টাৰ, বঙাইগাঁও, ২৩ অক্টোবৰ ঃ** ৰাজ্যৰ এগৰাকী বিশিষ্ট কবি- সাহিত্যিক তথা গল্পকাৰ তথা অভয়াপুৰী নিবাসী মিহিৰ মৌচুম ৰয়ৰ যোৱা ১৯ অক্টোবৰত দেহাৱসান হোৱাত শোঁকৰ ছাঁ পৰিছে ৰাজ্যৰ সাহিত্য ক্ষেত্ৰখনৰ লগতে নিজৰ পুৰণি কৰ্মস্থলীত। আজি বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত পুৰণি সতীৰ্থজনৰ এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে কৰ্মচাৰীসকলে। সৃজনগ্ৰাম ৰাজহ চক্ৰৰ চক্ৰ বিষয়া জয়ন্ত চক্ৰৱৰ্তীকে ধৰি কাৰ্যালয়টোৰ সকলো কৰ্মচাৰীয়ে ৰয়লৈ শ্ৰদ্ধা জ্ঞাপন কৰে। উল্লেখ্য দীৰ্ঘদিন ধৰি ৰয় এই কাৰ্যালয়টোত চাকৰি কৰাৰ পিচত শেহতীয়াকৈ কমতাপুৰ স্বায়ত্বশাসন পৰিষদৰ সচিৱালয়ত বদলি হৈছিল। ইপিনে কবি মিহিৰ মৌচুম ৰয়ৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে অসম কবি সন্মিলনে। অতি কম বয়সত এজন বিশিষ্ট কবি হেঁৰাই গ'ল বুলি মন্তব্য কৰে কবি সন্মিলনৰ। ৰয়ৰ মৃত্যুত গভীৰ শোকপ্ৰকাশ কৰিছে বিশিষ্ট গল্পকাৰ তথা ভাৰতীয় প্ৰশাসনিক বিষয়া আৰণ্যক শইকীয়া, সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, সভাপতি উৎপল শৰ্মা, কবি ড° প্ৰাঞ্জল শৰ্মা বশিষ্ঠ, প্ৰণৱ কুমাৰ বৰ্মন, বিজয় শংকৰ বৰ্মন, ড° হিল্লোলজ্যোতি সিংহ, প্ৰতীম বৰুৱা, সাহিত্যিক ৰোহিণী চৌধুৰী, সাংবাদিক ৰিতুস্মিন শৰ্মা, ৰাজীৱ গগৈ, দীপক শৰ্মা, কুমাৰজিৎ শৰ্মাকে ধৰি বহুজনে। শোকপ্ৰকাশ কৰিছে আছুৰ উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য আৰু সভাপতি উৎপল শৰ্মাই।

# মাকুম ছ'টা হাপজানত ড্ৰাগছ বেপাৰীৰ বাসগৃহ উচ্ছেদ কৰিলে একাংশ ৰাইজে



**অসম বাৰ্তা, মাকুম, ২৩ অক্টোবৰ ঃ** আজি মাকুম ছ'টা হাপজানৰ ৰেলৱে লাইনৰ কাষত থকা ৰীনা চাহু নামৰ মহিলা এগৰাকীৰ বাস গৃহত মাকুম চহৰৰ পৰা হাপজানলৈ চলাচল কৰা ই-ৰিস্কা চালক দুজনে নিষিদ্ধ ড্ৰাগছ ক্ৰয় কৰিবলৈ লওঁতে মাকুম ই ৰিস্কা চালক সন্থাৰ সভাপতি, সম্পাদক দুজনে প্ৰত্যক্ষ কৰাত, লগে লগে খবৰ বিয়পি পৰে, তাৰ পাছতে স্থানীয় ৰাইজে ৰীনা চাহুৰ ঘৰত অভিযান চলাই নিষিদ্ধ ড্ৰাগছৰ খালী টেমা আৰু ড্ৰাগছ সেৱন কৰা সামগ্ৰী উদ্ধাৰ কৰে। ৰাইজৰ অভিযোগ অনুসৰি ধৃত মহিলা গৰাকীৰ লগতে দুই পুত্ৰ ৰাহুল চাহু আৰু ৰবি চাহুৱে দীৰ্ঘদিন ধৰি এই অঞ্চলটোত ড্ৰাগছৰ ৰমৰমীয়া বেহা চলাই আহিছিল। সেয়েহে আজি স্থানীয় ৰাইজ উত্তেজিত হৈ বাস গৃহটো উচ্ছেদ কৰি ধৃত পৰিয়ালটোৱে যাতে উক্ত স্থানলৈ উভতি আহিব নোৱাৰে তাৰে বাবে স্থানীয় ৰাইজৰ স্বাক্ষৰ সম্বলিত এখনি ৰাজহুৱা চুক্তি পত্ৰ প্ৰস্তুত কৰি বাসগৃহটোৰ গৰাকী ৰীনা চাহুৰ পৰা চুক্তিপত্ৰখনত স্বাক্ষৰ কৰোৱা হয়। পৰৱৰ্তী পৰ্যায়ত উক্ত স্থানত মাকুম থানাৰ আৰক্ষী উপস্থিত দল উপস্থিত হৈ ধৃত পৰিয়ালটোৰ ৰাহুল চাহু (৩৫) আৰু মাকুম চান্দমাৰীৰ ই ৰিস্কা চালক দুজন ক্ৰমে মাকুম বিকাশ প্ৰসাদ(২৩) আৰু দিগন্ত চেতিয়া(২৪) দুয়োকে থানালৈ বুলি লৈ যোৱা হয়। ইয়াৰ লগতে মাকুমৰ পৰা ডাঙৰীলৈ ৰেলৱে লাইনৰ কাষে কাষে যি সকল সন্দেহ জনক লোকে অস্থায়ীভাৱে বসবাস কৰি আছে সেই সকল লোকৰ বাস গৃহত সমূহত এনেধৰণৰ নিচা জাতীয় দ্ৰব্যৰ বিৰুদ্ধে কঠোৰ ভাৱে অভিযান চলাবলৈ তিনিচুকীয়া জিলা প্ৰশাসনলৈ সংবাদ মাধ্যমৰ যোগেদি স্থানীয় ৰাইজে আহ্বান জনাইছে।

## বুদবাৰী সত্ৰত জুবিন গাৰ্গলৈ একাঁজলি শ্ৰদ্ধাঞ্জলি শীৰ্ষক অনুষ্ঠান

# ফটকা আতচবাজীৰ পৰিৱৰ্তে, মাটি চাকি জ্বলাই উদযাপন কৰিলে দীপাৱলী

**অসম বাৰ্তা, গেলেকী, ২৩ অক্টোবৰ ঃ** অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গক অকালতে হেৰুৱাই সমগ্ৰ অসমবাসী দুখত ম্ৰিয়মাণ হৈ থকাৰ সময়তে দল সংগঠনসমূহে ৰাইজ এই দীপাৱলীত ফটকা আতচবাজীৰ পৰিবৰ্তে মাটি চলাই জ্বলাই উদযাপন কৰিবলৈ আহ্বান জনাইছিল। নাজিৰা সমজিলাৰ অন্তৰ্গত শ্ৰী শ্ৰী বুদবাৰী সত্ৰৰ নিবাসী শিক্ষক অপূৰ্ব খাটনীয়াৰ বাসগৃহৰ প্ৰাঙ্গণত আৰু স্থানীয় ৰাইজৰ সহযোগত আয়োজন কৰে এক ব্যতিক্ৰমী পদক্ষেপৰ। ফটকা-আতচবাজীৰ পৰিৱৰ্তে মাটিৰ চাকি জ্বলাই উদযাপন কৰে দীপাৱলী আৰু গীত, কবিতা পাঠ, চিত্ৰ অংকনেৰে আয়োজন কৰা জুবিন গাৰ্গলৈ একাঁজলি শ্ৰদ্ধাঞ্জলি শীৰ্ষক অনুষ্ঠানৰ। উক্ত অনুষ্ঠানৰ আৰম্ভণিতে প্ৰয়াত শিল্পী গৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানটি শুভাৰম্ভ কৰে জীতেন দত্তই। এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰাৰ পিছতেই জ্যেষ্ঠ কণ্ঠশিল্পী দিলীপ দাসৰ নেতৃত্বত উপস্থিত সকলোৱে মায়িবিনী ৰাতিৰ বুকুত শীৰ্ষক গীতটি সমজুৱাকৈ গায় প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই। ইয়াৰ পিছতেই তপন কলিতা, দিলীপ দাস, উদীয়মান শিল্পী আয়ুশ্ৰীপ্ৰিয়া শইকীয়া, আশিসপ্ৰিয়া শইকীয়াই জুবিন গাৰ্গৰ কালজয়ী গীত পৰিৱেশন কৰি শিল্পী জনক শ্ৰদ্ধাঞ্জলি জনাই। অনুষ্ঠানতে জুবিন গাৰ্গৰ প্ৰতিচ্ছবি অংকন কৰা চিত্ৰশিল্পী অংকুৰ নাথক সম্বৰ্দ্ধনা জনাই আয়োজকসকলে। অনুষ্ঠানতে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ উচিত তদন্ত কৰি শিল্পীজনক ন্যায় প্ৰদান কৰিবলৈ চৰকাৰক আহ্বান জনায়।

# নাজিৰাৰ মেকীপুৰ চাহ বাগিচাত অচিনাক্ত মহিলাৰ মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, নামতি, ২৩ অক্টোবৰ ঃ** আজি পুৱা ভাগতে নাজিৰা আদৰ্শ আৰক্ষী থানাৰ অন্তৰ্গত মেকীপুৰ চাহ বাগিচাৰ ১৬ নং লাইনৰ নলাত এগৰাকী অচিনাক্ত মহিলাৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। চাহ বাগিচাৰ ১৬ নং লাইনৰ এটা খাৰৈত মহিলাগৰাকীৰ মৃতদেহ দেখা পাই শ্ৰমিক আৰু বাগিচাৰ পৰিচালকে নাজিৰা আদৰ্শ আৰক্ষী থানালৈ খবৰ দিয়াত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মহিলাগৰাকীৰ মৃতদেহ উদ্ধাৰ কৰে। প্ৰায় ৩০ বছৰীয়া মহিলা গৰাকী বৰ্তমানেও চিনাক্ত হোৱা নাই। মহিলাগৰাকীৰ ডিঙিত কটাৰ স্পষ্ট হৈ থকাত কোনো লোকে অসৎ কাৰ্য সংঘটিত কৰাৰ পিছত হত্যা কৰি এনেদৰে চাহ বাগিচাৰ খাৰৈত মৃতদেহ পেলাই থৈ যায় বুলি ৰাইজৰ লগতে আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছে। নাজিৰাৰ আৰক্ষীয়ে অচিনাক্ত মহিলা গৰাকীৰ মৃতদেহ উদ্ধাৰ কৰি জয়সাগৰস্থিত শিৱসাগৰ অসামৰিক চিকিৎসালয়লৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে। এই ঘটনাই অঞ্চলটোত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। আনহাতে আৰক্ষীয়ে ঘটনাৰ সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।

# জটিল ৰোগত আক্ৰান্ত দেৰগাঁৱৰ সংগীত শিল্পী কুমিজ হাজৰিকাৰ চিকিৎসাৰ বাবে সাহায্য আহ্বান

**অসম বাৰ্তা, দেৰগাঁও, ২৩ অক্টোবৰ ঃ** এগৰাকী বিশিষ্ট সংগীত শিল্পী কুমিজ হাজৰিকা এক জটিল ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছে। প্ৰথমে প্ৰায় পোন্ধৰটা দিন গুৱাহাটীত চিকিৎসাধীন হৈ থকাৰ পাছত উন্নত চিকিৎসাৰ বাবে তেওঁক মুম্বাইৰ জেছলক হাস্পতালত ভৰ্তি কৰোৱা হৈছে। পৰিয়ালটোৰ একমাত্ৰ উপাৰ্জনকাৰী হাজৰিকাৰ জটিল ৰোগৰ চিকিৎসাৰ বাবে সম্প্ৰতি বৃহৎ পৰিমাণৰ অৰ্থৰ প্ৰয়োজন হৈছে। উল্লেখ্য যে দেৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ তৃতীয়বৰ্গৰ কৰ্মচাৰী হাজৰিকা দেৰগাঁৱৰ প্ৰায়বোৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে জড়িত। এগৰাকী সংগীত শিল্পী হিচাপে বিশেষ সুখ্যাতিৰ অধিকাৰী হাজৰিকাই বহু ছাত্ৰ-ছাত্ৰীক সংগীত শিক্ষা প্ৰদান কৰাৰ লগতে তেওঁ ৰচনা আৰু সুৰাৰোপিত কৰা বহু গীত অডিঅ' কেছেটত বাণীবদ্ধ হৈছে। বিভিন্ন অনুষ্ঠানৰ শীৰ্ষ গীত আৰু সমৱেত সংগীত ৰচনা, পৰিচালনা আৰু পৰিৱেশনত তেওঁ সদায়ে আগভাগ লৈ আহিছে। জনপ্ৰিয় এই শিল্পীগৰাকী এতিয়া ৰোগশযাত পৰাত তেওঁৰ শুভাকাংক্ষীসকলে তেওঁৰ আশু আৰোগ্য কামনা কৰিছে। কোনো হৃদয়বান লোকে শিল্পীগৰাকীৰ চিকিৎসাৰ ক্ষেত্ৰত সহায় আগবঢ়াব বিচাৰিলে ভাৰতীয় ষ্টেট বেংকৰ দেৰগাঁও শাখাৰ ৪৩৭৪৯১১৬৩৯১ নম্বৰ বেংক হিচাপ, আইএফচি-SBIN0002048, ফোন-৬০০২৭-৬২০৫৯ যোগে সহযোগিতা আগবঢ়াবলৈ পৰিয়ালৰ লোকে আহ্বান জনাইছে।

## ডিমৌ থানাত এজাহাৰ দাখিল মন্দিৰ কৰ্তৃপক্ষৰ; ছাত্ৰ নেতা ললিত তাঁতীৰ তীব্ৰ ক্ষোভ

# ডিমৌত জাগ্ৰত দুৰ্গা মন্দিৰত চোৰৰ লুটপাত; তলা ভাঙি চুৰি দান পাত্ৰ

**অসম বাৰ্তা, ডিমৌ, ২৩ অক্টোবৰ ঃ** শিৱসাগৰ জিলাৰ ডিমৌত পুনৰ সংঘটিত হৈছে চুৰিকাণ্ডৰ ঘটনা। যোৱা নিশা ডিমৌৰ খৰাহাটস্থিত ঐতিহ্যমণ্ডিত জাগ্ৰত দুৰ্গা মন্দিৰৰ তলা ভাঙি চোৰে লুটপাত চলোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, যোৱা নিশা কোনো দুৰ্বৃত্তই মন্দিৰটোৰ তলা ভাঙি প্ৰৱেশ কৰে আৰু মন্দিৰৰ দান পাত্ৰৰ ধনৰ লগতে বহু মূল্যবান সামগ্ৰী চুৰি কৰি লৈ যায়। পুৱা এই ঘটনা পোহৰলৈ অহাৰ লগে লগে মন্দিৰৰ কৰ্তৃপক্ষই ডিমৌ আৰক্ষী থানাত এখন লিখিত এজাহাৰ দাখিল কৰে। পবিত্ৰ ধৰ্মীয় অনুষ্ঠানতো এনেদৰে চুৰি কাণ্ড সংঘটিত হোৱা ঘটনাই স্থানীয় ৰাইজ আৰু দল-সংগঠনৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি কৰিছে। সংঘটিত ঘটনাটোৰ পিছতে সদৌ অসম চাহ ছাত্ৰ সন্থাৰ এজন নেতা ললিত তাঁতীয়ে এই চুৰি কাণ্ডৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। তেওঁ ডিমৌ আৰক্ষীক অতিশীঘ্ৰে দোষী ব্যক্তিক কৰায়ত্ত কৰি মন্দিৰৰ পৰা চুৰি যোৱা সামগ্ৰীসমূহ উদ্ধাৰ কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে, ধৰ্মীয় স্থানৰ নিৰাপত্তা নিশ্চিত কৰাটো আৰক্ষী আৰু প্ৰশাসনৰ প্ৰাথমিক দায়িত্ব হোৱা উচিত। সঘনাই এনেদৰে চুৰি কাণ্ড সংঘটিত হোৱা ঘটনাই ডিমৌ অঞ্চলৰ নিৰাপত্তা ব্যৱস্থালৈ প্ৰশ্নবোধক চিহ্ন আনিছে। মন্দিৰ কৰ্তৃপক্ষ আৰু ৰাইজে ডিমৌ আৰক্ষীক এই চুৰি চক্ৰটোক সোনকালে গ্ৰেপ্তাৰ কৰিবলৈ দাবী জনাইছে।

# মেৰাপানীত কংগ্ৰেছৰ ৱাৰ্ড সদস্য আৰু বিজেপিৰ সভানেত্ৰীৰ মাজত তীব্ৰ সংঘাত, থানাত গোচৰ

**অসম বাৰ্তা, মেৰাপানী, ২৩ অক্টোবৰ ঃ** গোলাঘাট জিলাৰ গমাৰি গুৰি উন্নয়ন খণ্ডৰ অধীনস্থ মেৰাপানী পঞ্চায়তৰ প্ৰধানমন্ত্ৰী আবাস গৃহৰ জিঅ' টেগ কৰাক লৈ আজি এক নং নেঘেৰিবিল গাঁৱত উত্তপ্ত পৰিস্থিতি সৃষ্টি হয়। পৰিস্থিতি ইমান ভয়ানক হয় যে আৰক্ষী মোতায়ন কৰাৰ পিছতহে পৰিস্থিতি সাম কাটে যদিও ৱাৰ্ড সদস্যৰ বিৰুদ্ধে পঞ্চায়ত সভাপতিয়ে থানাত গোচৰ দিবলৈ বাধ্য হয়। তথ্য মতে, মেৰাপানী গাওঁ পঞ্চায়তৰ ১নং নেঘেৰিবিলত ৱাৰ্ড সদস্য শিৱ বৰাই যোৱা পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছ দলৰ হৈ প্ৰতিনিধিত্ব কৰি নিৰ্বাচনত জয়ী হৈছিল। অন্যহাতে সভাপতি পল্লৱী দাসে বিজেপি দলৰ পৰা নিৰ্বাচিত হোৱা। কিন্তু শেষতীয়াকৈ পঞ্চায়ত সমূহত প্ৰধানমন্ত্ৰী আবাস গৃহৰ জিঅ' টেগ চলি থকাৰ সময়তে মেৰাপানীৰ ১নং নেঘেৰিবিলৰ ৱাৰ্ড সদস্য শিৱ বৰাৰ অজ্ঞাতে সভানেত্ৰী পল্লৱী দাসে কেইগৰাকীমান মহিলাক লগত লৈ জিঅ' টেগ কৰাক লৈ দুই ফৈদৰ মাজত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ইফালে গাঁৱৰ লোক ওলাই আহি সভানেত্ৰী সহ মহিলা কেইগৰাকীক জবাবদিহি কৰে। অৱশেষত ঘটনাস্থলিত মেৰাপানী আৰক্ষী উপস্থিত হোৱাত হে পৰিস্থিতি নিয়ন্ত্ৰণলৈ আহে। ৱাৰ্ড সদস শিৱ বৰাই দৈনিক অগ্ৰদুতক জনোৱা মতে পঞ্চায়তৰ সভাপতিয়ে ৱাৰ্ড সদস্যক অৱগত নকৰাকৈ জধে মধে দুবাৰ - তিনিবাৰকৈ চৰকাৰী আৱাস গৃহ লাভ কৰা হিতাধিকাৰীৰ জিঅ'টেগ কৰিছিল আৰু এই কাৰ্য ৱাৰ্ড সদস্য জনে বাধা প্ৰদান কৰাত উত্তপ্ত পৰিস্থিতি সৃষ্টি হয়। জানিব পৰা মতে সভাপতি পল্লৱী দাসে ৱাৰ্ড সদস্য শিৱ বৰাৰ বিৰুদ্ধে মেৰাপানী থানাত এজাহাৰ দাখিল কৰিছে।

# আইৱান অসমক ‘অমৰ

মাজত সংঘটিত এক ভয়ংকৰ সংঘৰ্ষত নিহত হোৱা আলফা স্বাধীনৰ কেডাৰ আইৱান অসম ওৰফে কণ্টি ওৰফে অভিকেশ মৰাণক “অমৰ মৃতক” ঘোষণা কৰিছে আলফা (স্বাঃ) ই। সংযুক্ত মুক্তি বাহিনী, অসম (স্বাধীন)ৰ প্ৰচাৰ বিভাগৰ সহকাৰী সম্পাদক ২য় লেঃ ঈশান অসমে আজি সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা বিবৃতিত সংযুক্ত মুক্তি বাহিনী, অসম (স্বাঃ)ৰ উচ্চতম পৰিষদৰ সভাপতি জেনেৰেল পৰেশ অসমে উক্ত ঘোষণা কৰে। উল্লেখ্য যে, উক্ত সংঘৰ্ষত আছাম ৰাইফলছৰ জোৱানৰ গুলীত নিহত হয় আলফা(স্বাঃ)ৰ কেডাৰজন। আজি বিয়লি মৰণোত্তৰ পৰীক্ষাৰ অন্তত আইৱান অসম ওৰফে অভিকেশ মৰাণৰ মৃতদেহ সমদল কৰি ‘আইৱান অসম অমৰ হওক’, ‘আইৱান অসম জিন্দাবাদ’ আদি শ্ল’গান দি বাঘজান আৰক্ষী থানাৰ অন্তৰ্গত কৰ্দৈগুৰি অঞ্চলৰ জকাইচুকৰ নিজা বাসগৃহলৈ নিয়া হয়। ২১ অক্টোবৰৰ নিশা নামচাইৰ ৬ মাইলৰ সমীপত আছাম ৰাইফলছৰ জোৱানে প্ৰায় সাতজনীয়া আলফা(স্বাঃ)ৰ এটা দলৰ সৈতে সংঘৰ্ষত লিপ্ত হয়। উক্ত সংঘৰ্ষতেই অভিকেশ ওৰফে আইৱানৰ মৃত্যু ঘটে। উল্লেখ্য যে, অভিকেশে ২০১৬ বৰ্ষৰ ২৮ আগষ্ট তাৰিখে ঘৰৰ পৰা ওলাই গৈ আলফাত যোগ দিছিলগৈ। আলফা (স্বাধীন)ৰ বিবৃতিত কোৱা হৈছে “ঔপনিৱেশিক ভাৰতীয় দখলদাৰি বাহিনীৰ [illegible]৭/১০/২০২৫ তাৰিখৰ নিশা ‘সংযুক্ত মুক্তি বাহিনী, অসম (স্বাধীন)’ সংগঠনে চলোৱা কৌশলগত সামৰিক অভিযানত অংশ লৈ পৰৱৰ্তী সময়ত অৰ্থাৎ যোৱা ২১/১০/২০২৫ তাৰিখৰ নিশা প্ৰায় ৯: ৩০ বজাত শত্ৰুৰ গুলীত গুলীবিদ্ধ হৈ সংগঠনটোৰ অনায়োগ বিষয়া চাৰ্জেণ্ট মেজৰ আইৱান অসম ওৰফে অভিকেশ মৰাণ (সৈনিক নং-২০৬২৩) পিতৃ- শৈলেধৰ মৰাণ, মাতৃ- লখিমা মৰাণ, গাঁও- জকাইচুক (কৰ্দৈগুৰি), থানা- বাঘজান, জিলা- তিনিচুকীয়া)-এ অমৰ মৃত্যুক আঁকোৱালি লয়। তেখেতৰ মৃত্যুত আমি সংযুক্ত মুক্তি বাহিনী, অসম (স্বাধীন) সংগঠনে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ অটল সমবেদনা জ্ঞাপন কৰিলোঁ।” বিবৃতিটোত আৰু কোৱা হৈছে যে আইৱান অসম ওৰফে অভিকেশ মৰাণ ‘সংযুক্ত মুক্তি বাহিনী, অসম (স্বাধীন)’ সংগঠনৰ এগৰাকী প্ৰকৃত দেশপ্ৰেমিক, অত্যন্ত সাহসী, নিয়মানুৱৰ্তী, নিষ্ঠাবান আৰু সদা সচেতন সেনানী আছিল। অসমৰ হৃত স্বাধীনতা উদ্ধাৰৰ সন্মিলিত জাতীয় মুক্তি বিপ্-ৱখনৰ তেজে ধোৱা পথত তেখেতৰ অৱদান আৰু আত্মত্যাগে নতুন প্ৰজন্মৰ সংগ্ৰামী সতীৰ্থক যুগে যুগে অনুপ্ৰাণিত কৰিব। বিবৃতিৰ শেষত কোৱা হৈছে - “তেখেতৰ এই অনবদ্য অৱদানৰ বাবে সংযুক্ত মুক্তি বাহিনী, অসম (স্বাধীন) সংগঠনৰ তৰফৰ পৰা ২য় লেফটেনেণ্ট (মৰণোত্তৰ) আইৱান অসম'ক “অমৰ মৃতক” ঘোষণা কৰা হ'ল।”

# বিহাৰত তেজস্বী যাদৱ হ'ব

ইনছান পাৰ্টিৰ নেতা মুকেশ সাহনীক উপ-মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰা হৈছে। তবে, আসন ভাগ-বতৰা আৰু প্ৰাৰ্থী নিৰ্বাচনৰ বিষয়ে মিত্ৰজোঁটৰ মাজত এতিয়াও বিতৰ্ক অব্যাহত আছে। সংবাদমেলত কংগ্ৰেছৰ প্ৰতিনিধি হিচাপে ৰাজস্থানৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অশোক গেহলট উপস্থিত থাকি তেজস্বী যাদৱক মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী হিচাপে ঘোষণা কৰে। তেওঁ কয়, “তেজস্বী যাদৱ এজন যুৱ আৰু কৰ্মৰ প্ৰতি দায়বদ্ধ নেতা।” বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহক উদ্দেশ্যি গেহলটে কয়, “মই অমিত শ্বাহক ক'ব বিচাৰো যে আমাৰ নেতা তেজস্বী জাগ্ৰত হৈছে। এইবাৰ শাসকীয় এনডিএয়ে মুখ্যমন্ত্ৰী পদৰ বাবে তেওঁৰ প্ৰাৰ্থিত্ব নিশ্চিত কৰক।” এই ঘোষণাৰ সময়ত মিত্ৰজোঁটৰ ভিতৰত আসন ভাগ-বতৰাৰ বিষয়ে বিতৰ্ক অব্যাহত আছে। আৰজেডি আৰু কংগ্ৰেছে তিনিখন আসনত প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী ঘোষণা কৰিছে, যাক তেওঁলোকে ‘বন্ধুত্বপূৰ্ণ প্ৰতিযোগিতা’ বুলি অভিহিত কৰিছে। কিন্তু এই সিদ্ধান্তৰ বাবে বিজেপি আৰু জেডিইউৰ পৰা তীব্ৰ সমালোচনাৰ সন্মুখীন হৈছে মিত্ৰজোঁট। সংবাদমেলৰ মঞ্চত কেৱল তেজস্বী যাদৱৰ ফটো থকাৰ বাবে অধিক বিতৰ্কৰ সৃষ্টি হৈছে। অন্যান্য নেতাৰ ফটোৰ অনুপস্থিতিয়ে মিত্ৰজোঁটৰ ‘ঐক্য’ৰ বিষয়ে প্ৰশ্নৰ সৃষ্টি কৰিছে, যদিও এই পদক্ষেপক মিত্ৰজোঁটৰ সমমত প্ৰদৰ্শনৰ প্ৰচেষ্টা বুলি ধাৰণা কৰা হৈছে। সংবাদমেলত উপস্থিত চিপিআইৰ নেতা দিপাংকৰ ভট্টাচাৰ্যই কয়, “বিহাৰৰ দৰে এক বৃহৎ ৰাজ্যত প্ৰয়োজনৰ পৰিপ্ৰেক্ষিতত উপ-মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী ঘোষণা কৰা হৈছে। আমি প্ৰথমে অধিক আসনত প্ৰতিদ্বন্দ্বিতাৰ কথা ভাবিছিলোঁ, কিন্তু মিত্ৰতাৰ স্বাৰ্থত আমি ২০খন আসনতহে প্ৰতিদ্বন্দ্বিতা কৰিছো। আমি ঐক্যবদ্ধভাৱে নিৰ্বাচনত যুঁজ দিম।” উল্লেখ্য, প্ৰাৰম্ভিক পৰ্যায়ত আৰজেডি আৰু কংগ্ৰেছে আনুষ্ঠানিক তালিকা প্ৰকাশ নকৰাকৈ কিছুমান আসনত প্ৰাৰ্থী ঘোষণা কৰিছিল, যাৰ ফলত মিত্ৰজোঁটৰ সমীকৰণৰ ওপৰত প্ৰশ্ন উত্থাপিত হৈছিল। এই যৌথ সংবাদমেলৰ জৰিয়তে এই বিতৰ্ক নিৰসনৰ চেষ্টা কৰা হৈছে। ঘোষণাৰ পিছত তেজস্বী যাদৱে শাসকীয় এনডিএক তীব্ৰ সমালোচনা কৰি কয়, “আমি যৌথ সংবাদমেলৰ আয়োজন কৰিছো, কিন্তু এনডিএৰ ভিতৰত নীতিশ কুমাৰৰ সৈতে অন্যায় আচৰণ কৰা হৈছে। তেওঁলোকে এতিয়াও এখনো যৌথ সংবাদমেলৰ আয়োজন কৰা নাই। তেওঁলোকে মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থীৰ আনুষ্ঠানিক ঘোষণাও কৰা নাই। আমি আৰম্ভণিৰে পৰাই কৈ আহিছো যে বিজেপিয়ে নীতিশ কুমাৰক মুখ্যমন্ত্ৰী হিচাপে দেখিব নিবিচাৰে।” তেজস্বীয়ে এনডিএৰ এই অবিশ্বাসৰ বিষয়ে প্ৰশ্ন উত্থাপন কৰি নিৰ্বাচনী প্ৰচাৰক অধিক তীব্ৰ কৰাৰ ইংগিত দিছে। এই ঘোষণা আৰু সংবাদমেলে বিহাৰৰ নিৰ্বাচনী পৰিৱেশক অধিক উত্তপ্ত কৰি তুলিছে। মিত্ৰজোঁটৰ ঐক্য আৰু তেওঁলোকৰ কৌশল কেনেদৰে নিৰ্বাচনত প্ৰভাৱ পেলায়, সেয়া আগন্তুক দিনত স্পষ্ট হ'ব।

# কাৰ্বাইড বন্দুকৰ বিস্ফোৰণত

বাবেই এই ভয়াৱহ ঘটনা সংঘটিত হৈছে। এই ঘটনাত টিন বা পাইপৰ দ্বাৰা নিৰ্মিত বন্দুকৰ সৈতে খেলা-ধূলা কৰি থকা শিশুসকলে চকু আৰু শৰীৰৰ বিভিন্ন অংশত গুৰুতৰ আঘাত পাইছে। আহত শিশুসকলক তৎক্ষণাত চিকিৎসালয়ত ভৰ্তি কৰা হৈছে, য'ত চকুৰ আঘাতৰ ফলত ভৰ্তি হোৱা ৰোগীৰ সংখ্যাই অধিক। যোৱা তিনি দিনত মধ্যপ্ৰদেশৰ বিভিন্ন চিকিৎসালয়ত ১২২ৰো অধিক শিশুক ভৰ্তি কৰা হৈছে। ভোপালৰ হামিদিয়া হাস্পতালত গত ৭২ ঘণ্টাৰ ভিতৰত ২৬জন শিশুক ভৰ্তি কৰা হৈছে। ভোপাল, ইন্দোৰ, জবলপুৰ আৰু গ্ৱালিয়ৰৰ চিকিৎসালয়সমূহৰ চকুৰ ৱাৰ্ডত ৰোগীৰ ভিৰে প্ৰশাসনৰ বিষয়াসকলক চিন্তিত কৰি তুলিছে। আৰক্ষীৰ তথ্য অনুসৰি, স্থানীয় মেলা আৰু পথৰ কাষৰ দোকানসমূহত এই কাৰ্বাইড বন্দুক অবাধে বিক্ৰী হৈ আহিছে, য'ত কোনো ধৰণৰ সুৰক্ষা নিয়ম পালন কৰা হোৱা নাই। এই পৰিস্থিতিৰ গুৰুত্ব বিবেচনা কৰি চৰকাৰে ১৮ অক্টোবৰৰ পৰা এই বন্দুকৰ বিক্ৰীৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰিছে। ইতিমধ্যে বিদিশা জিলাৰ আৰক্ষীয়ে এই অবৈধ বন্দুক বিক্ৰীৰ অভিযোগত ছয়জন ব্যক্তিক গ্ৰেপ্তাৰ কৰিছে। স্থানীয় আৰক্ষী বিষয়া আৰ কে মিশ্ৰই কয়, “এই ঘটনাৰ পিছত তৎকালীন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। যিসকলে এই কাৰ্বাইড বন্দুক বিক্ৰী কৰি আছে, তেওঁলোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব।” এই দুৰ্ঘটনাই দীপাৱলীৰ উৎসৱৰ উচ্ছ্বাসৰ মাজত এক গভীৰ শোকৰ ছাঁ পেলাইছে। প্ৰশাসনৰ পৰা জনসাধাৰণলৈ সুৰক্ষা সজাগতাৰ বাৰ্তা জাৰি কৰা হৈছে, যাতে ভৱিষ্যতে এনে দুৰ্ঘটনাৰ পুনৰাবৃত্তি ৰোধ কৰিব পৰা যায়।

# এডিলেইডত দ্বিতীয়খন

হৈছে টীম ইণ্ডিয়া। এই মেচত ভাৰতীয় দলৰ বেটিং ব্যৱস্থা মধ্যভাগত ভাঙি পৰাৰ ফলত প্ৰতিপক্ষৰ সন্মুখত শক্তিশালী স্ক'ৰ গঢ়িবলৈ সক্ষম নহ'ল। ফলত অষ্ট্ৰেলিয়াই সহজেই বিজয়ৰ লক্ষ্য অৰ্জন কৰে। মেচৰ আৰম্ভণিতে টছ জয় কৰি প্ৰথমে বেটিং কৰা ভাৰতে ৫০ অ'ভাৰত ৯ উইকেটৰ বিনিময়ত ২৬৪ ৰান সংগ্ৰহ কৰে। অ'পেনিং জুটিৰ পৰা দলটোৱে সুস্থিৰ আৰম্ভণি লাভ কৰিছিল। জ্যেষ্ঠ খেলুৱৈ ৰোহিত শৰ্মা দীৰ্ঘদিনৰ বিৰতিৰ পিছত ২২ গজলৈ প্ৰত্যাৱৰ্তন কৰি ৭৩ ৰানৰ এক গুৰুত্বপূৰ্ণ ইনিংছ খেলে। কিন্তু তেওঁৰ সংগী তথা অধিনায়ক শুভমান গীলে মাত্ৰ ৯ ৰান সংগ্ৰহ কৰি পেভিলিয়নলৈ উভতি যায়। ইয়াৰ পিছতে দ্বিতীয় উইকেটত বিৰাট কোহলিৰ প্ৰত্যাৱৰ্তন অনুৰাগীৰ বাবে হতাশাজনক হৈ পৰে, কিয়নো তেওঁ কোনো ৰান নকৰাকৈ আউট হয়। দলৰ এই বিপৰ্যয়ৰ মুহূৰ্তত শ্ৰেয়াছ আয়াৰে ৬১ ৰানৰ এক দায়িত্বশীল ইনিংছ খেলি দলক সুস্থিৰতা প্ৰদান কৰে। তেওঁৰ সৈতে অক্ষৰ পেটেলে ৪৪ ৰানৰ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়ায়। ইনিংছৰ শেষৰ ফালে হৰ্ষিত ৰাণাই অপৰাজিত ২৪ ৰানৰ এক কাৰ্যকৰী ইনিংছ খেলি দলৰ স্ক'ৰ ২৬০ৰ ঘৰ অতিক্ৰম কৰাত সহায় কৰে। আনহাতে, ২৬৫ ৰানৰ লক্ষ্য লৈ বেটিং আৰম্ভ কৰা অষ্ট্ৰেলিয়াই সুস্থিৰ প্ৰদৰ্শনৰ জৰিয়তে ৮ উইকেট হেৰুৱাই লক্ষ্য অৰ্জন কৰে। ভাৰতীয় বলাৰসকলে প্ৰতিদ্বন্দ্বিতা কৰাৰ চেষ্টা কৰিলেও অষ্ট্ৰেলিয়াৰ বেটিং জুটিৰ দৃঢ়তাৰ সন্মুখত সফল হ'ব নোৱাৰিলে। এই পৰাজয়ৰ ফলত ভাৰতীয় অনুৰাগীৰ মাজত হতাশাৰ সৃষ্টি হৈছে, বিশেষকৈ বিৰাট কোহলিৰ শূন্য ৰানৰ প্ৰদৰ্শনে তেওঁলোকৰ হতাশা বৃদ্ধি কৰিছে। অৱশ্যে ৰোহিত শৰ্মাৰ ফৰ্মত প্ৰত্যাৱৰ্তন দলৰ বাবে এক ইতিবাচক দিশ হৈ থিয় দিছে। স্ক'ৰ: ভাৰত ২৬৪/৯ (৫০ অ'ভাৰ); অষ্ট্ৰেলিয়া ২৬৫/৮।

# জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়ৰ

সভা আৰু নিৰব মিছিলৰ দিন হিচাপে উদযাপন কৰিলে। গুৱাহাটী, ডিব্ৰুগড়, যোৰহাট, নগাঁও, শিৱসাগৰ, বঙাইগাঁও, বৰপেটা আদি ঠাইত একেলগে বহু শতাধিক ছাত্ৰ-ছাত্ৰী, শিল্পী, সাংস্কৃতিক কৰ্মী আৰু সাধাৰণ নাগৰিকে অংশগ্ৰহণ কৰিলে। প্ৰতিবাদকালীন ভিৰৰ মাজতে আছুৰ সভাপতি উৎপল শৰ্মাই কয় যে - জুবিন গাৰ্গ এটা আগ্নেয়গিৰি, সেই আগ্নেয়গিৰিত যিয়ে ৰাজনীতিৰ ৰুটি সেকিবলৈ যাব, সি নিশ্চয় চাৰখাৰ হৈ যাব।” প্ৰতিবাদকাৰীসকলে স্পষ্টকৈ ক'লে যে, অসমৰ মানুহে জুবিন গাৰ্গক লৈ কোনো ধৰণৰ ৰাজনীতি কদাপি সহ্য নকৰে। গুৱাহাটীৰ লাচিত নগৰৰ আছু কাৰ্যালয়ৰ আগত অনুষ্ঠিত মূল কাৰ্যসূচীত সংগঠনটোৰ তৰফৰ পৰা উল্লেখ কৰে যে “জুবিন গাৰ্গ কেৱল এজন সংগীতশিল্পী নহয়, তেওঁ আছিল অসমৰ জনগণৰ আত্মা। তেওঁৰ মৃত্যু সন্দেহজনক। এই মৃত্যু সন্দৰ্ভত সম্পূৰ্ণ সত্যতা উদঘাটন হোৱালৈকে আছুৱে আন্দোলন অব্যাহত ৰাখিব। “আছুৱে কয়, “যদি কোনো লোকে বা ৰাজনৈতিক শক্তিয়ে তেওঁৰ নামৰ আলমত নিজৰ লাভৰ খেল খেলিবলৈ চেষ্টা কৰে, অসমবাসীয়ে তেওঁলোকক জনতাৰ বিচাৰেৰে উত্তৰ দিব। জুবিন গাৰ্গ অসমৰ জনপ্ৰাণ, তেওঁৰ সন্মানৰ সুৰক্ষাত আছু সদায় আগভাগত থাকিব।” প্ৰতিবাদ সভাত বহু কণ্ঠশিল্পীও উপস্থিত আছিল। তেওঁলোকে মোমবাতি প্ৰজ্বলন কৰি জুবিনৰ গীতৰ ছন্দত শোক আৰু প্ৰতিজ্ঞা প্ৰকাশ কৰিলে যে— “এই নদী, এই পাহাৰ, এই মাটিৰ তেজত জুবিনৰ সুৰ বগাব, চৰকাৰক ন্যায়ৰ প্ৰদান কৰিবলৈ বাধ্য কৰাব।” প্ৰশাসনৰ তৰফৰ পৰা এক সংক্ষিপ্ত বিবৃতি প্ৰকাশ কৰি কয় যে তদন্ত ইতিমধ্যে গতি লাভ কৰিছে আৰু চৰকাৰ ন্যায়-প্ৰতিষ্ঠাৰ পথত আগুৱাই গৈ আছে। যদিও আছুৰ পক্ষৰ পৰা সন্দেহ প্ৰকাশ কৰি কোৱা হৈছে যে “চৰকাৰ আৰু তদন্ত সংস্থাই জনগণৰ আগত প্ৰতিটো পদক্ষেপ স্পষ্ট ৰূপে দেখুৱাব লাগিব। সত্য গোপন কৰা বা বুজাপৰা কৰিবলৈ চেষ্টা কৰি কোনো সাৰি যাব নোৱাৰিব। ৰাজ্যৰ বিভিন্ন ঠাইত আছুৰ শাখাবিলাকে আজিৰ দিনটো “জুবিন ন্যায় দিৱস” হিচাপে পালন কৰে। বহুকেইখন শিক্ষানুষ্ঠানত স্মৃতি সভা, কবিতা পাঠ, সংগীত সন্ধ্যা আদি আয়োজিত হয়। যুৱসকলে শপত লয়— “জুবিনৰ সুৰ থামিব নোৱাৰে, ন্যায় পোৱা পৰ্যন্ত আন্দোলন চলি থাকিব।” এইদৰে অসম জুৰি আজিৰ দিনটো সাংস্কৃতিক একতাৰে ভৰি গ'ল। প্ৰতিবাদৰ মাজতো জুবিনৰ সুৰ যেন গুঞ্জৰিত হৈ উঠিল। সকলোৱে যেন এক অবিনশ্বৰ প্ৰতিজ্ঞা কৰি ক'লে- জুবিন গাৰ্গক লৈ ৰাজনীতি নহব, ন্যায় আৰু মৰ্য্যাদা প্ৰাপ্তিৰ দিশে আগুৱাব লাগিব অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ ন্যায়ৰ প্ৰক্ৰিয়া।

# জনসাধাৰণৰ আৱেগক

শাসকীয় ভাৰতীয় জনতা পাৰ্টি (বিজেপি)ৰ ‘ন্যায় যাত্ৰা’ই অসমত তীব্ৰ বিতৰ্কৰ সৃষ্টি কৰিছে। বিৰোধী দল আৰু সচেতন মহলৰ অভিযোগ— শাসকীয় দলটোৱে নিজৰ চৰকাৰৰ অধীনত চলি থকা তদন্তৰ ওপৰত জনসাধাৰণৰ আৱেগক ৰাজনৈতিক স্বাৰ্থত ব্যৱহাৰ কৰিছে। বিৰোধী ৰাজনৈতিক দলসমূহে বিজেপিৰ এই ‘ন্যায় যাত্ৰা’ক নাটকীয় প্ৰচেষ্টা বুলি সমালোচনা কৰিছে। তেওঁলোকৰ মতে, জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ বাবে অসম চৰকাৰে ইতিমধ্যে বিশেষ তদন্তকাৰী দল (SIT) আৰু ন্যায়িক আয়োগ গঠন কৰিছে। এনে পৰিস্থিতিত শাসকীয় দলৰ ৰাজপথত ন্যায়ৰ দাবীত যাত্ৰা কৰাটো হাস্যকৰ আৰু নিজৰ চৰকাৰৰ ওপৰত অবিশ্বাসৰ প্ৰকাশ। বিৰোধী নেতাসকলে অভিযোগ তুলিছে যে, আসন্ন নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি বিজেপিয়ে জুবিনৰ মৃত্যুৰ আৱেগক ৰাজনৈতিক হাতিয়াৰ হিচাপে ব্যৱহাৰ কৰিছে। জনপ্ৰিয় শিল্পীৰ মৃত্যুৰ দুখক মূলধন কৰি জনসমৰ্থন সংগ্ৰহৰ এই প্ৰচেষ্টা ৰাইজৰ সহানুভূতি লাভৰ কৌশল বুলি তেওঁলোকে দাবী কৰিছে। সচেতন মহলৰ একাংশই মন্তব্য কৰিছে যে, জুবিনৰ ন্যায়ৰ দাবীৰ নামত বিজেপি চৰকাৰে মূল্যবৃদ্ধি, নিবনুৱা সমস্যা আৰু চলি থকা উচ্ছেদৰ দৰে জনসাধাৰণৰ জ্বলন্ত সমস্যাৰ পৰা ৰাইজৰ দৃষ্টি আঁতৰোৱাৰ চেষ্টা কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জুবিনৰ মৃত্যুৰ পিছত জনমতৰ মাজত ‘ভুৱা অনুৰাগী’ৰ উত্থানৰ কথা উল্লেখ কৰিছিল। বিৰোধীয়ে এই মন্তব্যক বিজেপিৰ ন্যায় যাত্ৰাৰ সমালোচনাৰ প্ৰতিৰোধৰ কৌশল হিচাপে গণ্য কৰিছে। ইফালে, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া আৰু জ্যেষ্ঠ মন্ত্ৰীসকলে এই সমালোচনাৰ প্ৰত্যুত্তৰত কৈছে যে, এই যাত্ৰাৰ কোনো ৰাজনৈতিক উদ্দেশ্য নাই। তেওঁলোকৰ দাবী, জুবিনৰ প্ৰকৃত অনুৰাগী আৰু কৰ্মীসকল শিল্পীগৰাকীৰ বাবে আদালতৰ জৰিয়তে দ্ৰুত আৰু ন্যায়পূৰ্ণ বিচাৰৰ দাবীত একত্ৰিত হৈছে। তেওঁলোকে অভিযোগ কৰিছে যে, বিৰোধীৰ একাংশই জুবিনৰ মৃত্যুক ৰাজনৈতিকভাৱে ব্যৱহাৰ কৰি অসমত অস্থিৰতা সৃষ্টিৰ চেষ্টা চলাইছে, আৰু এই যাত্ৰা তেনে ষড়যন্ত্ৰৰ বিৰুদ্ধে এক প্ৰতিবাদ। বিজেপিৰ ‘ন্যায় যাত্ৰা’ আৰু বিৰোধীৰ তীব্ৰ সমালোচনাৰ মাজত জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়ৰ দাবী এতিয়া অসমৰ এক প্ৰধান ৰাজনৈতিক বিষয় হৈ পৰিছে। এই সংগ্ৰামত ৰাইজৰ সমৰ্থন কাৰ পক্ষে যায়, সেয়া আগন্তুক দিনত স্পষ্ট হ'ব।

# জুবিন গাৰ্গ এজন প্ৰকৃত

চলাইছে। এই প্ৰচেষ্টাৰ জৰিয়তে সনাতন ধৰ্মক দুৰ্বল কৰাৰ এক গভীৰ ষড়যন্ত্ৰ চলি আছে বুলিও তেওঁ দাবী কৰে। মুখ্যমন্ত্ৰী শৰ্মাই কয়, “জুবিন গাৰ্গ এজন প্ৰকৃত শিৱভক্ত। তেওঁৰ শৰীৰত মহাদেৱৰ টেটু অংকিত আছে। ৰীতা চৌধুৰীৰ সৈতে হোৱা এক সাক্ষাৎকাৰত জুবিনে নিজৰ শিৱভক্তিৰ কথা স্পষ্টভাৱে উল্লেখ কৰিছিল। মোৰ সৈতেও তেওঁ পূজা-অৰ্চনাৰ কেইবাখনো ফটো আছে। কিন্তু, তেওঁৰ চিনেমা ‘কাঞ্চনজংঘা’ৰ ‘মোৰ জাতি নাই, ধৰ্ম নাই’ সংলাপটোক অপব্যৱহাৰ কৰি বাঁওপন্থী গোটে তেওঁক নাস্তিক হিচাপে চিত্ৰিত কৰাৰ চেষ্টা কৰিছে।” তেওঁ আৰু কয়, “জুবিনৰ প্ৰকৃত আদৰ্শ আৰু বিশ্বাসক বিকৃত কৰাৰ এই প্ৰয়াসৰ বিৰুদ্ধে বিজেপি আজি ৰাজপথত নামিছে। জুবিনে যিসকলক ‘নমতা অতিথি’ বুলি অভিহিত কৰিছিল, সেইসকলে আজি তেওঁৰ নামেৰে ভিৰ কৰি জনমত গঢ়াৰ চেষ্টা কৰিছে।” শৰ্মাই হিন্দু ধৰ্মৰ ৰীতি অনুসৰি জুবিন গাৰ্গৰ শেষকৃত সম্পন্ন হোৱাৰ কথাও উল্লেখ কৰে। তেওঁ প্ৰশ্ন তুলি কয়, “জুবিনৰ জাতি নাছিল, ধৰ্ম নাছিল বুলি কোনে প্ৰমাণ কৰিব? এয়া কেৱল চিনেমাৰ সংলাপ, যিটো বাঁওপন্থীসকলে অপব্যৱহাৰ কৰি সনাতন ধৰ্মক আঘাত হানিবলৈ চেষ্টা কৰিছে।” মুখ্যমন্ত্ৰীয়ে আৰু অভিযোগ কৰে যে, এই ষড়যন্ত্ৰৰ জৰিয়তে জাতি, মাটি আৰু সংস্কৃতিৰ ভেঁটি ৰক্ষাৰ প্ৰচেষ্টাক দুৰ্বল কৰাৰ পৰিৱেশ সৃষ্টি কৰা হৈছে। তেওঁ বাঁওপন্থী গোটৰ লগতে কংগ্ৰেছ আৰু অখিল গগৈৰ দৰে ৰাজনৈতিক নেতাক এই প্ৰচেষ্টাৰ সৈতে জড়িত থকাৰ অভিযোগ উত্থাপন কৰে। তেওঁ প্ৰত্যাহ্বান জনাই কয়, “যদি জুবিনৰ জাতি বা ধৰ্ম নাছিল, তেন্তে সেইটো প্ৰমাণ কৰি দেখুৱাওক। আমি জুবিনৰ প্ৰকৃত পৰিচয় হেৰাই যোৱাৰ পৰা ৰক্ষা কৰিবলৈ দৃঢ়প্ৰতিজ্ঞ।” এই মন্তব্যই ৰাজনৈতিক আৰু সামাজিক মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জুবিন গাৰ্গৰ ভক্ত আৰু অনুৰাগীসকলৰ মাজতো এই বিষয়ে ব্যাপক চৰ্চা আৰম্ভ হৈছে।

# কাৰ্বি আংলঙত বিদ্যুৎস্পৃষ্ট

সম্ভৱতঃ ওচৰৰ অৰণ্যৰ পৰা খাদ্যৰ সন্ধানত গৈ থকা এই হাতী দুটাৰ বিদ্যুৎ পৰিবাহী তাঁৰৰ সংস্পৰ্শত আহি থিতাতে মৃত্যু হয়। ঘটনাৰ পাছত স্থানীয় গাঁৱৰ লোকে ঘটনাস্থলীত সমবেত হৈ এই দুৰ্ঘটনাৰ বাবে গভীৰ শোক প্ৰকাশ কৰিছে। এজন স্থানীয় বাসিন্দাই ক্ষোভৰ সৈতে কয়, “এনে ধৰণৰ ঘটনা হৃদয়বিদাৰক। অঞ্চলটোত মানৱ-হাতী সংঘাত ক্ৰমাৎ বৃদ্ধি পোৱাটো অত্যন্ত উদ্বেগজনক।” বন বিভাগৰ বিষয়াসকল ঘটনাস্থলীত উপস্থিত হৈ তদন্তৰ কাম আৰম্ভ কৰিছে। প্ৰাথমিক তদন্তৰ প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে ৰক্ষণাবেক্ষণহীন আৰু উন্মুক্ত বৈদ্যুতিক লাইনৰ কাৰণেই এই দুৰ্ঘটনা সংঘটিত হৈছে। বনাঞ্চলৰ ক্ৰমাৎ সংকোচন আৰু খাদ্যৰ অভাৱৰ ফলত বনৰীয়া হাতীসমূহ প্ৰায়ে কৃষিভূমিৰ ফালে আকৰ্ষিত হয়, যাৰ ফলত এনে দুৰ্ঘটনাৰ সম্ভাৱনা বৃদ্ধি পাইছে। এই ঘটনাই অসমত মানৱ-হাতীৰ মাজৰ সংঘাতৰ সমস্যাক পুনৰবাৰ পোহৰলৈ আনিছে। স্থানীয় লোকে এই সমস্যাৰ স্থায়ী সমাধানৰ বাবে প্ৰশাসনৰ ওচৰত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। বন বিভাগৰ তদন্তৰ পৰৱৰ্তী প্ৰতিবেদন আৰু এই ধৰণৰ ঘটনা ৰোধৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ ওপৰত সকলোৰ দৃষ্টি নিবদ্ধ হৈ আছে।

# মায়ঙত উত্তেজিত ৰাইজৰ

পালন কৰি আছিল। ঠিক এই সময়তে মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী পবিতৰা অভয়াৰণ্যৰ দ্বাৰ মুকলি অনুষ্ঠানত অংশগ্ৰহণৰ বাবে যাত্ৰা কৰি মায়ঙৰ মাজেৰে পাৰ হৈ আছিল। প্ৰতিবাদকাৰী উত্তেজিত জনতাই এই সুযোগত মন্ত্ৰীৰ কনভয়ক বাধা প্ৰদান কৰে। স্থানীয় ৰাইজৰ মতে, গৰু চুৰিৰ ঘটনাই অঞ্চলটোত অসন্তোষৰ সৃষ্টি কৰিছে, আৰু তেওঁলোকে এই বিষয়ত কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। মন্ত্ৰীৰ কনভয়ৰ বাধাৰ ঘটনাই অঞ্চলটোত উত্তেজনাৰ সৃষ্টি কৰিছে, আৰু এই প্ৰতিবাদে স্থানীয় জনতাৰ ক্ষোভৰ পৰিমাণ প্ৰতিফলিত কৰিছে। এই ঘটনাৰ পাছত পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে স্থানীয় প্ৰশাসনৰ হস্তক্ষেপৰ প্ৰয়োজন হৈ পৰিছিল। গৰু চুৰিৰ ঘটনাৰ তদন্ত আৰু জনতাৰ দাবীৰ সমাধানৰ বাবে প্ৰশাসনৰ পৰৱৰ্তী পদক্ষেপৰ ওপৰত সকলোৰে দৃষ্টি নিবদ্ধ হৈ আছে।

# জুবিন গাৰ্গক ন্যায় দিয়াত

দাখিল কৰিব আৰু ন্যায়ালয়ে ন্যায় দিব। যিসকলে আন্দোলন কৰে বা ন্যায়ালয়ক বিশ্বাস নকৰে তেওঁলোকৰ বাবে এইটো সমস্যা। বিজেপিয়ে ন্যায়ালয়ৰ ন্যায়ৰ ওপৰত বিশ্বাস আছে বুলি ওলাই আহিছে। যিসকলে ন্যায়ালয়ক বিশ্বাস নকৰে তেওঁলোকে এইধৰণৰ ব্যৱহাৰ কৰি থাকিব। অসম চৰকাৰ বা মোৰ বিশ্বাস আছে যে এছ আই টিয়ে ভাল কাম কৰিব। ৰাইজে যি বিচাৰিছে এছ আই টিয়ে সকলো কৰিছে। সকলো পৰামৰ্শ কৰা হৈছে। এতিয়া পৰামৰ্শ দিয়া মানুহখিনিয়ে আকৌ আন্দোলন কৰিব খোজে। তেওঁলোকৰ কিবা থাকিলে আয়োগক জনাব লাগে। ন্যায় ন্যায়ালয়ে দিব। মই মুখ্যমন্ত্ৰীয়েও ন্যায় লাগে কৈ আছো। ময়ো জুবিনৰ অনুৰাগী। আমি সকলোৱে কৈ আছো ন্যায় লাগে। কিন্তু ন্যায় কোনে দিব। ন্যায় দিব যিগৰাকী আদালতৰ ন্যায়াধীশৰ আসনখনত বহি আছে। তাত অভিযোগনামা দিব এছ আই টিয়ে। ” মুখ্যমন্ত্ৰীয়ে লগতে কয়, “এতিয়া দুই-এজনে চিন্তা কৰি আছে যে যদি অভিযোগনামা দি দিয়ে তেন্তে ন্যায় পাই যাব। সেইকাৰণে দুই-এজনে এছ আই টিক অসুবিধা দিয়াৰ বাবে চেষ্টা কৰি আছে। কিছুমানে চেষ্টা কৰি আছে যাতে জুবিনে ন্যায় নাপায়। মই জুবিনৰ প্ৰচণ্ড অনুৰাগী। গতিকে মই জুবিনক ন্যায় দিয়াত কোনোক্ষেত্ৰতে আপোচ নকৰো। কাৰণ মই জুবিনৰ নতুন অনুৰাগী নহয়। যিসকল জুবিনৰ নতুন অনুৰাগী হৈছে মৃত্যুৰ পাছত তেওঁলোকে ইয়াত বিধি-পথালি দি আছে।

# বিধানসভাত দাখিল হ'ব

আনুষ্ঠানিকভাৱে দাখিল কৰাৰ বাবে কেবিনেটে অনুমোদন জনাইছে। “নেলী গণহত্যাৰ তদন্ত কৰিবলৈ গঠন কৰা তিৱাৰী আয়োগৰ প্ৰতিবেদন ২৫ নৱেম্বৰত দাখিল কৰা হ'ব বিধানসভাত” - অসম চৰকাৰৰ কেবিনেটে লৈছে এই গুৰুত্বপূৰ্ণ সিদ্ধান্ত। বৃহস্পতিবাৰে কেবিনেটৰ বৈঠকৰ পিছেই এই গুৰুত্বপূৰ্ণ সিদ্ধান্ত ঘোষণা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ। উল্লেখযোগ্য যে তিৱাৰী কমিচনৰ প্ৰতিবেদন ইতিমধ্যে অসম চৰকাৰ বা আন গৱেষণা প্ৰতিষ্ঠান আদিত উপলব্ধ। তেনেস্থলত অসম চৰকাৰে পুনৰ বিধানসভাৰ মজিয়াত আনুষ্ঠানিকভাৱে দাখিল কৰিব তিৱাৰী আয়োগৰ প্ৰতিবেদন। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, “অসম চৰকাৰৰ হাতত উপলব্ধ তিৱাৰী আয়োগৰ প্ৰতিবেদনৰ যি কেইটা কপী আছে, তাত তিৱাৰীৰ চহীটো নাছিল। সেয়ে প্ৰতিবেদনখন সঁচা নে মিছা সেয়া লৈ সকলো চৰকাৰ পশ্চাদপদত আছিল - আমি ৰিপ'ৰ্টটো দি দিম। কিজানি মানুহে কয় মিছা! আমি সেই সময়ত প্ৰতিবেদনখন লিখা কেৰাণী বা সচিব আছিল, তেওঁলোকৰ সৈতে আমি বিষয়া পঠিয়াই কথা পাতি, ফৰেণচিক পৰীক্ষা কৰাই আমি গম পালো যে ৰিপ'ৰ্টটো সঁচা... যিহেতু নেলী কাণ্ড অসমৰ ইতিহাসৰ এটা অংগ। বিভিন্ন সমাজ বিজ্ঞানী, ইতিহাসবিদসকলে বেলেগ বেলেগ ধৰণে ইয়াক উপস্থাপন কৰিছে। অন্ততঃ ৰিপ'ৰ্টটো সন্মুখত থাকিলে মানুহে প্ৰকৃত তথ্যটো পাব পাৰিব, সেই সময়ত কি হৈছিল?”

# জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়ৰ

ভেবাৰঘাট কৃষ্টি সংঘৰ খেলপথাৰৰ পৰা আৰম্ভ হৈ কৰিমচকলৈ গৈ শেষ হয়। পদযাত্ৰাৰ পূৰ্বে ভেবাৰঘাট খেলপথাৰত এক শ্ৰদ্ধাৰ্ঘ্য অনুষ্ঠানৰ আয়োজন কৰা হৈছিল, য'ত এখন সভাও অনুষ্ঠিত হয়। এই কাৰ্যসূচীত অসম চৰকাৰৰ মন্ত্ৰী পীযুষ হাজৰিকা, ৰাজ্যিক বিজেপিৰ সভাপতি তথা সাংসদ দিলীপ শইকীয়া, বিধায়ক পৰমানন্দ ৰাজবংশী, প্ৰাক্তন বিধায়ক তথা মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাসৰ লগতে বিজেপিৰ বহু নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে। এই পদযাত্ৰাৰ জৰিয়তে বিজেপিৰ দৰঙ জিলা সমিতিয়ে জুবিন গাৰ্গৰ প্ৰতি ন্যায় প্ৰদানৰ দাবী উত্থাপন কৰি জনমত গঢ়ি তুলিবলৈ প্ৰয়াস কৰিছে। পদযাত্ৰাটোৱে মঙলদৈৰ ৰাজপথত এক গুৰুত্বপূৰ্ণ বাৰ্তা প্ৰেৰণ কৰিছে, যাৰ জৰিয়তে স্থানীয় জনতাৰ মাজত এই বিষয়ে সজাগতা সৃষ্টিৰ প্ৰচেষ্টা লক্ষ্য কৰা গৈছে। এই কাৰ্যসূচীৰ জৰিয়তে বিজেপিয়ে জুবিন গাৰ্গৰ সৈতে জড়িত বিষয়টোত ন্যায় প্ৰদানৰ বাবে দৃঢ়তাৰে নিজৰ অৱস্থান স্পষ্ট কৰিছে। পদযাত্ৰাটোত অংশগ্ৰহণকাৰী নেতা-কৰ্মীসকলে এই দাবীক শক্তিশালী কৰি এক সুসংগঠিতভাৱে কাৰ্যসূচীটো সম্পন্ন কৰে।

# জুবিন গাৰ্গ হত্যাৰ ন্যায়ৰ

অৱস্থান ধৰ্মঘট কৰিলে কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে। এই কাৰ্যসূচীৰ পৰা সংগঠনটোৱে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক অসমৰ এগৰাকী ‘জাতীয় সম্পদ’ৰ মৃত্যুক লৈ ৰাজহুৱা ভাৱে ‘নাটক’ আৰু ‘হেতালি’ খেলাৰ বিৰুদ্ধে কঠোৰ ভাষাত সকীয়নি দিলে। বৃহস্পতিবাৰে ঢকুৱাখনা নগৰৰ গণেশ গগৈ প্ৰেক্ষাগৃহৰ সন্মুখত অনুষ্ঠিত এই অৱস্থান ধৰ্মঘটত সংগঠনটোৰ কাৰ্যকৰী সভাপতি ৰাজু ৰাজ বৰপাত্ৰ গোহাঁয়ে কয়, “অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুৰে জড়িত প্ৰতিগৰাকী হত্যাকাৰীক চিনাক্ত কৰি তুৰন্তে ফাঁচী দিব লাগিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই চলাই অহা নাটক আৰু সহ্য কৰা নহ'ব।” তেওঁ সংগঠনটোৰ তৰফৰ পৰা কেইবাটাও দাবীও উত্থাপন কৰে। সেইসমূহ হ'ল—জুবিন গাৰ্গ হত্যা গোচৰৰ তদন্তৰ দায়িত্ব চি.আই.ডি.ৰ পৰা লৈ চি.বি.আই.ক দিব লাগিব, চিংগাপুৰলৈ যোৱা আন ব্যক্তিৰ লগতে মুখ্যমন্ত্ৰীৰ পত্নী ৰিণিকী ভূঞা শৰ্মাকো তদন্তৰ আওতালৈ আনিব লাগিব আৰু জেৰা কৰিব লাগিব, এই গোচৰ ফাষ্ট ট্ৰেক আদালতৰ জৰিয়তে বিচাৰ কৰি দোষীসকলক ফাঁচী দিয়াৰ ব্যৱস্থা কৰিব লাগিব। কৃষক মুক্তি সংগঠনটোৱে সতৰ্ক কৰি দিয়ে যে চৰকাৰে এই দাবীসমূহ কাৰ্যকৰী নকৰিলে ভৱিষ্যতে অসমত ডাঙৰ প্ৰতিবাদমুখৰ পৰিৱেশ সৃষ্টি হ'ব আৰু “অসম জ্বলিব” বুলি কয় গোহাঁয়ে। দুপৰীয়া ১১ বজাৰ পৰা আবেলি ২ বজালৈ চলা এই কাৰ্যসূচীত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ অৰ্ধ শতাধিক কৰ্মী-সমৰ্থকে অংশগ্ৰহণ কৰে। তেওঁলোকে “জুবিন হত্যাৰ বিচাৰ লাগে”, “জুবিন হত্যাকাৰীক ফাঁচী দিয়ক”, “মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ” আদি জোৰ শ্লোগানৰে পৰিৱেশ উত্তাল কৰি তোলে। কাৰ্যসূচীত বক্তব্য দিওঁতে সংগঠনটোৰ কেন্দ্ৰীয় নেতাসকলে জুবিন গাৰ্গ হত্যাৰ তদন্তক “কুটিল ৰাজনীতি” আখ্যা দিয়ে। তেওঁলোকে কয়, “সমাগত নিৰ্বাচনৰ বৈতৰণী পাৰ হ'বলৈ জুবিনক হত্যা কৰি সমগ্ৰ ঘটনাক লৈ নাটক আৰম্ভ কৰা হৈছে। এই নাটক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ৰচনা, পৰিচালনা আৰু অভিনয়।” তেওঁলোকে কয়, “এগৰাকী জাতীয় সম্পদৰ মৃত্যুক লৈ নিৰ্লজ্জ হেতালি খেলা হিমন্ত বিশ্ব শৰ্মাই ইয়াৰ সমুচিত প্ৰত্যুত্তৰ যথা সময়ত পাব। জুবিন গাৰ্গৰ ন্যায় বিচাৰ নোপোৱালৈকে আমাৰ গণতান্ত্ৰিক সংগ্ৰাম চলি থাকিব।” কাৰ্যসূচীৰ সামৰণিত ঢকুৱাখনা জিলা সমাজিলাৰ সহকাৰী আয়ুক্ত সুদৰ্শন শইকীয়াৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ এক স্মাৰক পত্ৰও প্ৰেৰণ কৰে কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে।

# কোকৰাঝাৰ-ছালাকাটি

(ইম্প্ৰ'ভাইজড এক্সপ্ল'চিভ ডিভাইচ) বিস্ফোৰণৰ ফলত ৰে'লপথৰ এটা অংশ সম্পূৰ্ণৰূপে ক্ষতিগ্ৰস্ত হৈছে। এই বিস্ফোৰণৰ তীব্ৰতাৰ ফলত ৰে'লপথ ছিগি যোৱাৰ লগতে উত্তৰ পূৰ্বাঞ্চলৰ লগত দেশৰ মূল ভূমিৰ ৰে'লসেৱা সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছে। এই ঘটনাৰ পিছত ৰে'ল যোগাযোগ ব্যৱস্থা মাৰাত্মকভাৱে বিঘ্নিত হৈছে। বিস্ফোৰণৰ পৰিণামত কেইবাখনো ৰে'ল বিভিন্ন ষ্টেচনত আৱদ্ধ হৈ আছে, যাৰ ফলত যাত্ৰীসকলে তীব্ৰ অসুবিধাৰ সন্মুখীন হৈছে। ৰে'লৱে কৰ্তৃপক্ষই জানিবলৈ দিছে যে ক্ষতিগ্ৰস্ত ৰে'লপথ মেৰামতিৰ কাম জৰুৰীকালীন ভিত্তিত আৰম্ভ কৰা হৈছে। ঘটনাৰ তদন্তৰ বাবে ইতিমধ্যে এটা বিশেষ দল গঠন কৰা হৈছে। প্ৰাথমিক তথ্য অনুসৰি, এই বিস্ফোৰণৰ পিছত কোনো সন্ত্ৰাসবাদী সংগঠনৰ সংশি-ষ্টতা থকাৰ সম্ভাৱনা নুই কৰা হোৱা নাই। তদন্তকাৰী দলৰ লগতে স্থানীয় আৰক্ষী আৰু ৰে'লৱে সুৰক্ষা বাহিনীয়ে ঘটনাস্থলীত উপস্থিত হৈ তদন্ত কাৰ্য অব্যাহত ৰাখিছে। এই ঘটনাই অঞ্চলটোত তীব্ৰ আতংকৰ সৃষ্টি কৰিছে। স্থানীয় লোকে এনে ঘটনাৰ পুনৰাবৃত্তি ৰোধ কৰিবলৈ কঠোৰ নিৰাপত্তা ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। ৰে'লৱে কৰ্তৃপক্ষই যাত্ৰীসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ লগতে স্বাভাৱিক ৰে'লসেৱা অতিসত্বৰ পুনৰুদ্ধাৰৰ বাবে সকলো প্ৰকাৰৰ পদক্ষেপ গ্ৰহণ কৰাৰ আশ্বাস প্ৰদান কৰিছে। তদন্তৰ পৰিণতি আৰু অধিক তথ্যৰ বাবে সকলোৰ দৃষ্টি ৰে'লৱে আৰু আৰক্ষী বিভাগৰ ওপৰত নিবদ্ধ হৈ আছে।

# গোলাঘাটত যুৱ-ছাত্ৰ পৰিষদৰ প্ৰতীকী কাৰ্যসূচী

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৩ অক্টোবৰ ঃ** অসমৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ন্যায় আজি পৰ্যন্ত নোপোৱাত সমগ্ৰ অসমতে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ কেন্দ্ৰীয় সমিতিৰ আহ্বান মৰ্মে গোলাঘাট জিলা সমিতিয়ে জুবিন গাৰ্গৰ মৃত্যুৰ লগত জড়িত ৰাইজৰ আদালতত দোষী সাব্যস্ত হোৱাৰ হেতুকে শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক গোলাঘাট নগৰৰ মাজ মজিয়াত ফাঁচীকাঠত ওলমাই শাস্তি প্ৰদান কাৰ্যসূচী ৰূপায়ণ কৰে। এই প্ৰতীকী কাৰ্যসূচীত উপস্থিত থাকে কেন্দ্ৰীয় সমিতিৰ উপ- সভাপতি জিতুল ৰাজখোৱা,যুটীয়া সম্পাদক আব্দুল হাছিম, জিলা সমিতিৰ বিষয়ববীয়াৰ লগতে আঞ্চলিক সমিতিৰ বিষয়ববীয়া বুলি জানিবলৈ দিয়ে জিলা সমিতিৰ সাধাৰণ সম্পাদক বিদ্যুৎ বৰাই।

# জুবিন গাৰ্গৰ মৃত্যুৰ ৰহস্য উদঘাটনৰ দাবীত ৰাজা বৰুৱাৰ কঠোৰ মন্তব্য

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৩ অক্টোবৰ ঃ** জনপ্ৰিয় সংগীতশিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ৰহস্য উদঘাটনৰ ক্ষেত্ৰত আদালত, বিশেষ তদন্তকাৰী দল (SIT) বা চৰকাৰ যদি ব্যৰ্থ হয়, তেনেহ'লে অসমৰ ৰাইজ আৰু ভগৱানৰ হস্তক্ষেপত সত্য প্ৰকাশ পাব বুলি দৃঢ়তাৰে মন্তব্য কৰিছে জুবিনৰ অন্তৰংগ বন্ধু তথা দীৰ্ঘদিনৰ সহযোগী ৰাজা বৰুৱাই। ৰাজা বৰুৱাই এতিয়াও তেওঁৰ প্ৰাণপ্ৰিয় বন্ধু জুবিন গাৰ্গৰ অকাল প্ৰয়াণৰ শোকৰ পৰা নিজকে মুক্ত কৰিব পৰা নাই। শেহতীয়াকৈ জুবিনক কেন্দ্ৰ কৰি চলা ৰাজনৈতিক কাৰ্যকলাপৰ প্ৰতি তেওঁ তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে। সংবাদিকৰ সৈতে এক বাৰ্তালাপত তেওঁ স্পষ্ট কৰি কয়, “জুবিন গাৰ্গৰ নামত যদি কোনোবাই ৰাজনীতি কৰিবলৈ চেষ্টা কৰে, তেনেহ'লে অসমৰ ৰাইজে তাক কেতিয়াও ক্ষমা নকৰে। জুবিন জীৱিত থকাৰ সময়ত যিসকলে তেওঁক ৰাজনীতিৰ পৰিসৰলৈ টানিব নোৱাৰিলে, তেওঁলোকে এতিয়া ৰাজনীতি কৰি কোনো লাভ উঠাব নোৱাৰিব। জুবিন গাৰ্গৰ বাবে ন্যায় নিশ্চিতভাৱে প্ৰতিষ্ঠা হ'বই।” ইয়াৰ উপৰিও, জুবিন গাৰ্গৰ জীৱনকালত তেওঁৰ বিৰুদ্ধে উত্থাপিত বিভিন্ন সমালোচনাৰ বিষয়ে ৰাজা বৰুৱাই বিস্তৃতভাৱে আলোচনা কৰে। তেওঁৰ মতে, জুবিনৰ জীৱন আৰু কৰ্মৰ ওপৰত গৱেষণাৰ প্ৰয়োজনীয়তা আছে। তেওঁ চৰকাৰৰ ওচৰত অসমৰ বিভিন্ন প্ৰান্তত জুবিন গাৰ্গৰ নামত গৱেষণাগাৰ স্থাপনৰ দাবী জনায়। জুবিনৰ দীৰ্ঘদিনৰ বাদ্যযন্ত্ৰী হিচাপে ৰাজা বৰুৱাই তেওঁৰ সংগীতৰ প্ৰতি অৱদান আৰু সাংস্কৃতিক প্ৰভাৱৰ প্ৰতি শ্ৰদ্ধা জনাই এই দাবী উত্থাপন কৰে। ৰাজা বৰুৱাৰ এই মন্তব্যই জুবিন গাৰ্গৰ মৃত্যুৰ ৰহস্যৰ তদন্তৰ প্ৰতি জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰিছে আৰু তেওঁৰ স্মৃতিক সন্মান জনোৱাৰ বাবে এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে গণ্য হৈছে।

# কেবিনেটৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত; শিক্ষয়িত্ৰীৰ বাবে ৫ বছৰত, শিক্ষকৰ বাবে ৭ বছৰত বদলিৰ সুযোগ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৩অক্টোবৰ ঃ** অসম চৰকাৰৰ আজি অনুষ্ঠিত কেবিনেট বৈঠকত শিক্ষক-শিক্ষয়িত্ৰীৰ বদলিৰ নিয়ম সলনি কৰাৰ লগতে চাহ জনগোষ্ঠীৰ বাবে ভূমি বিতৰণকে ধৰি একাধিক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সংবাদমেলত এই সিদ্ধান্তসমূহৰ কথা ঘোষণা কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বাবে গ্ৰহণ কৰা উল্লেখযোগ্য সিদ্ধান্তমৰ্মে এতিয়াৰ পৰা শিক্ষয়িত্ৰীসকলে কোনো এখন বিদ্যালয়ত কাম কৰা স্থায়ী হৈ থকাৰ পাঁচ বছৰৰ পিছত বদলিৰ বাবে আবেদন কৰিব পাৰিব। ইয়াৰ আগতে এই সময়সীমা আছিল দহ বছৰ। আনহাতে, শিক্ষকসকলক সাত বছৰৰ পিছত বদলিৰ আবেদন কৰাৰ সুবিধা দিয়া হ'ব। জনজাতীয় সম্প্ৰদায়ৰ সদস্য সকলৰ বাবেও এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হৈছে। কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰিছে যে জনজাতি, চাহ জনজাতি, মৰাণ আৰু মটক সম্প্ৰদায়ৰ লোকসকলক জনসংখ্যা নীতিৰ আওতাৰ পৰা বাহিৰত ৰখা হ'ব। চাহ জনগোষ্ঠীৰ লোকসকলক মাটিৰ পট্টা প্ৰদানৰ বিষয়টোও কেবিনেটত আলোচিত হয়। এই সিদ্ধান্তমৰ্মে ২.৯০ লাখ বিঘা ভূমি চাহ জনজাতিৰ লোকসকলৰ মাজত বিতৰণৰ বাবে মুকলি কৰা হ'ব। আনুমাণিক ৪ লাখ পৰিয়ালে এই ভূমিৰ অধিকাৰী হ'বলৈ সক্ষম হ'ব। এই বিষয়ে চূড়ান্ত সিদ্ধান্ত ল'বলৈ ২৫ অক্টোবৰত জিলা উপায়ুক্ত আৰু বিধায়কসকলৰ সৈতে এখন বৈঠক অনুষ্ঠিত কৰা হ'ব। ইয়াৰোপৰি, ২-৩ নৱেম্বৰত চাহ জনগোষ্ঠীয় সংগঠনসমূহৰ সৈতেও আলোচনা হ'ব। কেবিনেটৰ আনুষংগিক সিদ্ধান্তমৰ্মে ২৫ নৱেম্বৰৰ পৰা বিধানসভাৰ অধিবেশন আৰম্ভ হ'ব। এই অধিবেশনত উত্থাপন কৰিবলগীয়া বিধেয়কসমূহৰ বিষয়েও কেবিনেটত আলোচনা কৰা হয়। লগতে, নেলী নৰসংহাৰৰ তিৱাৰী কমিছনৰ প্ৰতিবেদন বিধানসভাত দাখিল কৰা হ'ব বুলিও জনায় মুখ্যমন্ত্ৰীয়ে।

# লাওখোৱাত অগপ-বিজেপি কৰ্মীৰ সংঘাত; ৰাইজৰ তীব্ৰ প্ৰতিবাদ

**অসম বাৰ্তা, ৰূপহীহাট, ২৩ অক্টোবৰ ঃ** লাওখোৱা গাঁও পঞ্চায়তত পি এম আৱাসৰ জিঅ' টেগিং লৈ অগপ- বিজেপিৰ মাজত আৰম্ভ হৈছে তীব্ৰ সংঘাতৰ। পঞ্চায়ত সভানেত্ৰী নিবেদিতা ৰয়ৰ বিৰুদ্ধে অগপ নেতা কৰ্মীৰ গুৰুতৰ অভিযোগ। অগপ নেতা তথা প্ৰাক্তন পঞ্চায়ত সভাপতি ৰাজশ্ৰী মল্লিক আৰু স্থানীয় লোকৰ জিঅ টেগিং কৰাৰ ক্ষেত্ৰত পঞ্চায়ত সভানেত্ৰী নিবেদিতা ৰয়ে একনায়কত্ববাদ চলোৱাৰ অভিযোগ। পঞ্চায়ত সভানেত্ৰীয়ে নিজৰ মইমতালিৰে জিঅ'টেগিং কৰাৰ ফলত বহু দৰিদ্ৰ পৰিয়াল বঞ্চিত হৈছে বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে অগপ নেতা ৰাজশ্ৰী মল্লিকে। যোৱা ১৭ অক্টোবৰত পঞ্চায়ত সভানেত্ৰীক অপদস্থ কৰাৰ অভিযোগ অস্বীকাৰ কৰে অগপ নেতা ৰাজশ্ৰী মল্লিকে। পঞ্চায়ত সভানেত্ৰীয়ে একাংশ মদাহী লোকক লগত লৈ হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰাৰ অভিযোগ। আজি পঞ্চায়তটোত প্ৰায় দুই শতাধিক পুৰুষ মহিলা একেলগ হৈ সভানেত্ৰীৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে।

# ‘ৰৈ ৰৈ বিনালে’ৰ ট্ৰেইলাৰ মুকলি; জুবিনপ্ৰেমীৰ উছাহ

**অনলাইন ডেস্ক, অসম বাৰ্তা, ২৩ অক্টোবৰ ঃ** দীৰ্ঘ প্ৰতীক্ষাৰ অন্তত মুকলি হ'ল জুবিন গাৰ্গৰ স্বপ্নৰ ছবি ‘ৰৈ ৰৈ বিনালে’ৰ ট্ৰেইলাৰ। এই ট্ৰেইলাৰে জুবিনৰ অনুৰাগীসকলৰ মনত গভীৰ আবেগৰ সঞ্চাৰ কৰিছে। ট্ৰেইলাৰৰ শেষৰ দৃশ্যটোৱে দৰ্শকৰ হৃদয়ত বিশেষ ছাপ এৰিছে, আৰু বহুতৰে মনত প্ৰশ্ন উঠিছে— এই ছবিত জুবিনে নিজৰ জীৱনৰ কাহিনী বা অনুভৱৰ কথা কৈ গৈছেনে? ট্ৰেইলাৰ মুকলিৰ এই বিশেষ দিনটোত জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গে সামাজিক মাধ্যমত এটা হৃদয়স্পৰ্শী পোষ্টৰ জৰিয়তে নিজৰ অনুভৱ প্ৰকাশ কৰিছে। জুবিনৰ মৃত্যুৰ পিছৰে পৰা গৰিমাই নিয়মীয়াকৈ ন্যায়ৰ দাবী জনাই আহিছে আৰু সামাজিক মাধ্যমৰ জৰিয়তে নিজৰ মনৰ কথা ভাগ-বতৰা কৰি আহিছে। আজিৰ এই দিনটোত তেওঁ লিখিছে, “গ'ল্ডী, চোৱা... তোমাৰ হেঁপাহৰ, তোমাৰ মৰমৰ ‘ৰৈ ৰৈ বিনালে’ লাহে লাহে সৈয়া হৈ উঠিছে। তোমাৰ সপোন, তোমাৰ ইচ্ছা পূৰণৰ বাবে তোমাৰ কথামতেই সকলোৱে সৰ্বশক্তিৰে কাম কৰি আছে। তুমি আমাক আশীৰ্বাদ কৰি থাকিবা, পথ প্ৰদৰ্শন কৰি থাকিবা।” ‘ৰৈ ৰৈ বিনালে’ৰ ট্ৰেইলাৰৰ মুকলিয়ে জুবিনৰ স্মৃতিক পুনৰ জীৱন্ত কৰিছে, আৰু তেওঁৰ অনুৰাগীসকলে এই ছবিৰ মুক্তিৰ বাবে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছে।

